# গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ

# বাৰ্ষিক আলোচনী

1



সম্পাদক ঃ ৰাম প্ৰসাদ দাস

## গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ

# বাৰ্ষিক আলোচনী

### প্ৰথম সংখ্যা

### ২০০৩ - ২০০৪ ইং বৰ্ষ

প্ৰতি

প্ৰীতি আৰু শুভেচ্ছাৰে—

সম্পাদক

তত্বাৱধায়ক প্ৰবক্তাদ্বয়

শ্ৰী পূৰ্ণ বাহাদুৰ ছেত্ৰী

শ্ৰী হেমন্ত কুমাৰ দাস

সম্পাদক

শ্ৰী ৰাম প্ৰসাদ দাস

# গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ

## বাৰ্ষিক আলোচনী

প্ৰথম সংখ্যা

২০০৩-০৪ ইং বৰ্ষ

### সম্পাদনা সমিতি

**উপদেষ্টা**

প্ৰবক্তা শ্ৰী সঞ্জীৱ দাস
প্ৰবক্তা শ্ৰীমতী জয়া বিশ্বাস কুণ্ড
প্ৰবক্তা শ্ৰীমতী ৰূপামণি কাকতি
প্ৰবক্তা শ্ৰীমতী দীপিকা দেৱী চৌধুৰী

**সভাপতি**

শ্ৰী জগন্নাথ বৰ্মন, ভাৰপ্ৰাপ্ত অধ্যক্ষ

**তত্বাৱধায়কদ্বয়**

প্ৰবক্তা শ্ৰী পূৰ্ণ বাহাদুৰ ছেত্ৰী
প্ৰবক্তা শ্ৰী হেমন্ত কুমাৰ দাস

**সম্পাদক**

শ্ৰী ৰাম প্ৰসাদ দাস

**সদস্যসকল**

প্ৰবক্তা শ্ৰী প্ৰভা দাস
প্ৰবক্তা শ্ৰী আনন্দ ঘোষ
প্ৰবক্তা শ্ৰী কল্যাণ তালুকদাৰ
প্ৰবক্তা শ্ৰী যুথিকা তালুকদাৰ
প্ৰবক্তা শ্ৰী মাইকন বসুমতাৰী
শ্ৰী মুনীন্দ্ৰ দাস, মুখ্য কাৰ্য্যালয় সহায়ক
শ্ৰী গিৰীন মছাহাৰী, উপ-সভাপতি, ছাত্ৰ একতা সভা
শ্ৰী অভিজিৎ সাহা, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা।

### আলোচনীৰ নেপথ্যত

বেটুপাত ঃ হেমন্ত বায়ন
(অধ্যক্ষ, ছিত্ৰ কলা নিকেতন আৰু প্ৰণবেন্দু বিকাশ আৰ্ট গেলাৰী)

অলংকৰণ ঃ হেমন্ত কুমাৰ দাস, তত্বাৱধায়ক প্ৰবক্তা।

অংগসজ্জা ঃ সন্‌জিৎ কুমাৰ শৰ্মা

ছবি ঃ চেন্টু ৰয় (ছিত্ৰ ছায়া, বৰপেটাৰোড়)

অক্ষৰ বিন্যাস ঃ দেৱজিৎ ডেকা, কিশোৰ আগৰৱালা

মুদ্ৰণ ঃ গণেশা অফছেট্ প্ৰিন্টাৰ্চ, বৰপেটাৰোড়,
ফোন ঃ ২৬৩২৬১

*কৃতজ্ঞতা স্বীকাৰ ঃ*

- জি.এল.চৌধুৰী মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতি।
- জি.এল.চৌধুৰী মহাবিদ্যালয়ৰ প্ৰবক্তা মণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীবৃন্দ
- শ্ৰদ্ধাঞ্জলি শিতানৰ কবি হেমন্ত কুমাৰ দাস
- এই সংখ্যাৰ সমূহ লেখক-লেখিকা
- বেটুপাতৰ শিল্পী
- গণেশা অফছেট্ প্ৰিন্টাৰ্চ, বৰপেটাৰোড়

**সম্পাদকৰ প্ৰাৰ্থনা ঃ**

*আলোচনীত প্ৰকাশিত লিখনী সমূহ প্ৰয়োজন অনুসৰি সম্পাদনা সমিতিয়ে সংশোধন কৰিছে। এই সংখ্যা আলোচনীত লেখক-লেখিকাই যদি আন লেখকৰ লিখনী নকল কৰি প্ৰকাশ কৰিছে, তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।*

# শ্ৰদ্ধাঞ্জলি...



## হংসবল্লভ চৌধুৰী

জন্ম ঃ ১৯৪২, ২৪ ফেব্ৰুৱাৰী

মৃত্যু ঃ ২০০৩, ২২ অক্টোবৰ

*কোনো শিল্পীয়ে আঁকি শেষ কৰিব নোৱাৰে*
*আপোনাৰ কৰ্মময় জীৱনৰ প্ৰতিমূৰ্তি*
*কোনো কবিয়ে নোৱাৰে কৰিব ছন্দোবদ্ধ*
*আপোনাৰ ভাষিক শিল্প ....*
*প্ৰতি পলে*
*প্ৰতি পলে*
*ব্যৰ্থ হৈ পৰে শোকসভাৰ বক্তা*
*দুচকু তিয়াই থুকা-থুকি মাতেৰে কয়*
*আপোনাৰ যাত্ৰাৰ পিছত একে পথেৰেই যাব*
*পৃথিৱীৰ সমস্ত মানুহ...*
*শিলৰ চোলা বিচৰা ৰজাও নাই*
*পানীৰ বেজী বিচৰা মনোমতীও নাই*
*সকলো গৈছে*
*আমিও যাম*
*দুদিন পিছত ...*

*বিঃ দ্ৰঃ হংস বল্লভ চৌধুৰীদেৱ জি, এল, চৌধুৰী মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। তদুপৰি মৃত্যুৰ সময়ত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্ব বহন কৰি আছিল।*



# সম্পাদকীয়

সাহিত্য আৰু সংস্কৃতিৰ মাজেৰে এটা জাতিৰ স্বৰূপ প্ৰকাশ পায়। কোনো জাতিয়ে উচ্চ শিখৰলৈ ধাবিত-হ'বলৈ হ'লে সেই জাতিৰ সাহিত্য আৰু সংস্কৃতি থাকিবই লাগিব। বিশ্বৰ উন্নত জাতিবোৰ একমাত্ৰ সাহিত্যক অৱলম্বন কৰিয়েই উচ্চ স্থানত উপনীত হৈছে।

গণেশলাল চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ২০০৩-২০০৪ ইং বৰ্ষৰ আলোচনীখন প্ৰকাশ কৰিবলৈ মনস্থ কৰা হৈছে। জি.এল. চৌধুৰী মহাবিদ্যালয়ৰ ইতিহাসত এইখনেই হ'ব প্ৰথম আলোচনী।

আমাৰ মহাবিদ্যালয়ত 'ৰেঙণি' আৰু 'বিবিধা' নামৰ দুখন প্ৰাচীৰ পত্ৰিকা প্ৰতি বছৰে বাৰ্ষিক ৰূপত প্ৰকাশ হয় যদিও লেখক-লেখিকাৰ চাহিদা পূৰণ নহয়। সেই হেতুকে এইবছৰৰ পৰা প্ৰতি বছৰে এখনকৈ আলোচনী প্ৰকাশ কৰিবলৈ সিদ্ধান্ত কৰা হয়। এই কাৰ্য্যৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী, লেখক-লেখিকাৰ সুপ্ত প্ৰতিভা বিকাশ কৰাবলৈ এখন 'মঞ্চ' দিবলৈ প্ৰয়াস কৰা হৈছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, প্ৰবক্তা বৃন্দ আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগ আদৰণীয়। প্ৰথম আলোচনী সদায় নৱজাত শিশুৰ দৰে। সেয়েহে ইয়াত ভুল-ভ্ৰান্তি থকাটো স্বাভাৱিক। সদাশয় পাঠক বৃন্দই সম্পাদকৰ অজ্ঞাতবশতঃ ভুল-ত্ৰুটি নিজগুণে ক্ষমা কৰে যেন।

**শ্ৰী ৰাম প্ৰসাদ দাস**

*সম্পাদক, আলোচনী বিভাগ*

জয়তু ভাষা জননী

জয়তু জি.এল.চি. মহাবিদ্যালয়।



কৰ্মৰত অৱস্থাত জি, এল, চৌধুৰী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ
শ্ৰীযুত জগন্নাথ বৰ্মন



# তত্বাৱধায়কৰ প্ৰাক্ কথন ঃ

## কৃতজ্ঞতাৰ এপাহি ফুল

গণেশ লাল চৌধুৰী মহাবিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত যি সকল সদাশয় শিক্ষাব্ৰতী ব্যক্তিয়ে আপ্ৰাণ চেষ্টা চলাইছিল, যি সকল ব্যক্তিৰ প্ৰচেষ্টাত এতিয়াও মহাবিদ্যালয়খনে অকণো উজুটি নোখোৱাকৈ গতি কৰি আছে, অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰা সেই চিৰনমস্য ব্যক্তিবৃন্দলৈ মোৰ লিখনিৰ প্ৰাৰম্ভতে নমস্কাৰ জনাইছোঁ।

জি, এল, চৌধুৰী মহাবিদ্যালয়ত মই যোগদান কৰা বেছি দিন হোৱা নাই। কথা প্ৰসঙ্গত ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত জগন্নাথ বৰ্মনদেৱৰ লগত আলোচনী সম্পৰ্কত এদিন মোৰ আলোচনা চলিল। তেওঁৰ পৰা মই জানিব পাৰিলো যে, এই মহাবিদ্যালয়ত বাৰ্ষিক আলোচনী প্ৰকাশ কৰা হোৱা নাই। অৱশ্যে দুবাৰমান প্ৰচেষ্টা চলোৱা হৈছিল যদিও প্ৰকাশ নহ'ল। এই বিষয়ত মোৰ অলপ উৎসাহ দেখি অধ্যক্ষ মহোদয়ে প্ৰবক্তা পূৰ্ণ বাহাদুৰ ছেত্ৰী আৰু মোক তত্বাৱধায়কৰ দায়িত্ব দি আলোচনীখন প্ৰকাশ কৰিবলৈ তাগিদা দিলে। প্ৰবক্তা ছেত্ৰী ডাঙৰীয়া আৰু আলোচনী সম্পাদনা সমিতিৰ পূৰ্ণ সঁহাৰি পাই মই এই কামত অগ্ৰসৰ হ'লো।

জি, এল, চৌধুৰী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশৰ ইতিহাসত এয়া প্ৰথম প্ৰচেষ্টাহে মাথোন। মহাবিদ্যালয় কৰ্তৃপক্ষই এই প্ৰচেষ্টা প্ৰতি বছৰে অব্যাহত ৰাখি, ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভা বিকাশ কৰিব বুলি আমাৰ বিশ্বাস। প্ৰথম প্ৰচেষ্টা হিচাপে এই সংখ্যাত নানা প্ৰকাৰৰ ভুল পৰিলক্ষিত হোৱাটো অতি স্বাভাৱিক। তাৰ বাবে সম্পাদনা সমিতিৰ হ'কে মই ক্ষমা বিচাৰিছোঁ। তথাপিও এই আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰিবলৈ যিসকল লোকে অনুপ্ৰাণিত কৰিছিল, তেওঁলোকলৈ এই সুযোগতে যাচিছোঁ কৃতজ্ঞতাৰ এপাহি ফুল..........

৩১/১২/০৪ ইং

তত্বাৱধায়ক,
আলোচনী বিভাগ
জি, এল, চৌধুৰী মহাবিদ্যালয়, বৰপেটাৰোড্ ।

**David Ledger**
**Ex- M.P.** (Rajya Sabha)
President, Governing Body,
Ganesh Lal Choudhury College,
Barpeta Road

MESSAGE

It gives me great pleasure to know that Ganesh Lal Choudhury College, Barpeta Road is launching its first Annual Magazine.

It has been my privilege to be associated with the college since its inception and over the past decade I have watched it grow and flourish into a fine institution of higher education which has been providing opportunities to hundreds of students from the rural areas surrounding Barpeta Road. I have no doubt in my mind that Ganesh Lal Choudhury College with its dedicated batch of teachers will one day succeed in setting the highest standards in the field of education in this part of the state.

I extend my best wishes to all who are associated with the publication of the magazine.

Barpeta Road
December 29, 2004.

David Ledger

Ph. : 0361-2570412 (O), 2570408 (R)
Fax : 0361-2570133
E-mail : gntalukdar@yahoo.com
**GAUHATI UNIVERSITY**
Gopinath Bardoloi Nagr
Guwahati - 781 014
Assam : India

*G. N. Talukdar,* M.Sc., D. Phil
***Vice-Chancellor***

# শুভেচ্ছাবাণী

গণেশ লাল চৌধুৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাই ২০০৩-২০০৪ ইং চনৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱাৰ বাবে আনন্দিত হৈছো। এই আলোচনীখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক প্ৰতিভা বিকশিত হৈ সমাজ আৰু দেশৰ বৌদ্ধিক তথা সাংস্কৃতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰিলো। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভৱিষ্যত জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি লোৱাৰ লগতে একোজন সৎ আৰু আদৰ্শবান ব্যক্তি হ'বলৈও প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে।

সমূহ ছাত্ৰ-ছাত্ৰীৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কামনাৰে।

তাং ঃ ১/৭/০৪ ইং

(গজেন্দ্ৰ নাথ তালুকদাৰ)
উপাচাৰ্য্য,
গুৱাহাটী বিশ্ববিদ্যালয়

Chairman : 2550828
Secretary : 2551565

# Assam Higher Secondary Education Council

BAMUNIMAIDAM, GUWAHATI - 781 021

*Ref. No.* ................................ *Dated* ০২/৭/২০০৪

## শুভেচ্ছাবাণী

গণেশ লাল চৌধুৰী মহাবিদ্যালয় ছাত্ৰ একতা সভাই পোন প্ৰথম বাৰৰ বাবে বাৰ্ষিক আলোচনী এখন প্ৰকাশৰ প্ৰস্তাৱ হাতত লোৱা বুলি জানিব পাৰি আমি সুখী হৈছো।

আলোচনীখনে ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকাশত সহায়ক হ'ব বুলি আমাৰ আশা। বাৰ্ষিক আলোচনী এখনত গল্প, কবিতা আৰু প্ৰবন্ধ আদিৰ উপৰিও শিক্ষানুষ্ঠানৰ অন্য দিশ সমূহৰ তথ্যও প্ৰকাশ হোৱা উচিত যাতে আলোচনীখন অনুষ্ঠানটিৰ এক দলিল স্বৰূপ হৈ পৰে।

মহাবিদ্যালয়ৰ এই প্ৰচেষ্টাক আমি আদৰণি জনাইছো আৰু বাৰ্ষিক আলোচনীখন যাতে সকলো দিশৰ পৰা সফল হয় তাৰে কামনা কৰিলো।

শুভেচ্ছাৰে

(দিলীপ কুমাৰ কাকতি)
০২/৭/০৪
অধ্যক্ষ

## চিন্তা শিল্প


| | | | |
|---|---|---|---|
| ভাৰতীয় সংগীতৰ উৎপত্তিৰ ধাৰা | ঃ | মিচ্ হিমাশ্ৰী পাটোৱাৰী | ১ |
| শিক্ষা আৰু ইয়াৰ উদ্দেশ্য | ঃ | ছেলিম উদ্দিন | ৩ |
| সংগীত | ঃ | প্ৰিয়ম দাস | ৬ |
| ইচ্ছা আৰু একাগ্ৰতাৰ প্ৰতিচ্ছবি- ষ্টিফেন হকিং | ঃ | নাজনিন হুছেইন | ৮ |
| কাজী নজৰুল ইস্‌লামৰ জীৱন আৰু সাহিত্য | ঃ | আনন্দ ঘোষ | ১০ |
| প্ৰেমৰ অনুভৱ | ঃ | ৰকিব উল হাছান | ১২ |
| এভাৰেষ্ট অভিযান | ঃ | পূৰবী দাস | ১৪ |
| ন'বেল বঁটা | ঃ | মহন্ত দাস | ১৫ |
| অপসংস্কৃতি | ঃ | সৰিফুল হাচান | ১৬ |
| ৰেগিং | ঃ | আঃ ৰসিদ | ১৭ |


## ছন্দ শিল্প


দেশ ঃ বনজিৎ বৰ্মন /১৯, হেঁপাহৰ দিনটো ঃ দিপীকা দেৱী চৌধুৰী /২০, স্বীকাৰোক্তিঃ মেঘ্‌না কাশ্যপ /২১, অনুভৱৰ খোজে খোজে ঃ প্ৰিয়ম দাস/২১, মই তোমাৰ আজন্ম প্ৰেমিক ঃ দিপাংকৰ দাস /২২, তোমাৰ বাবে ঃ ৰুমী নাথ /২৩, নিৰৱ ৰাতি ঃ মফিদুৰ ৰহমান/২৩, গণেশ লাল চৌধুৰী ঃ জিয়াউল হক চৌধুৰী /২৪, জ্যোতিৰ স্মৃতিত ঃ মিচ্ লীনা মণি নাথ/২৪, সৈনিক তুমি নিসঙ্গতাৰ ঃ মহন্ত দাস /২৫, সুখৰ ঠিকনা বিচাৰি ঃ ইন্তেকাব আলম আহমেদ /২৫


## গল্পৰ শৰাই


| | | | |
|---|---|---|---|
| ভোলাৰামৰ জীউ | ঃ | পূৰ্ণ ছেত্ৰী | ২৭ |
| এবুকু প্ৰেমৰ আৰ্তনাদ | ঃ | ছাবিনা ইয়াছমিন আহমেদ | ৩০ |
| পৰিৱৰ্তন | ঃ | ৰাজকুমাৰ নাথ | ৩৪ |
| মেঘে ঢকা বেলি | ঃ | বনদীপ কলিতা | ৩৭ |
| অপেক্ষাৰ সীমা ভেদি | ঃ | জুন দাস | ৪২ |
| শেষ উপহাৰ | ঃ | নিকুঞ্জ দাস | ৪৪ |
| বিল সুধিবালৈ তই কোন? | ঃ | মহন্ত দাস | ৪৭ |


## সাক্ষাৎকাৰ


| | | | |
|---|---|---|---|
| হৃদয়ৰ দুৱাৰ খুলি | ঃ | | ৪৮-৫৬ |


## ENGLISH SECTION


| | |
|---|---|
| Communalism : A Bane of India's Civil Society | Dr. Bijan Kumar Kunda /66 |
| Economic Impact Of Globalisation On The Indian Economy With Special Reference To The Employment Opportunity Of Women | Mrs. Jaya Biswas Kunda / 73 |
| Corruption and Indian Social System A Short Review | Md. Ramjan Ali /77 |
| Boro Folk Songs on Love | Miss Maikan Basumatary /83 |
| My Friend | Biso Basumatary /86 |
| Friendship | Matiur Rahman /86 |
| Fear | Raj Kr. Nath /86 |
| Tertiary Education : Its Crisis | Mukut Khan /87 |
| Education of Exceptional Children An urgent need. | Md. Shahidul Islam Jadid /89 |
| Resource sharing activities among the college libraries in Barpeta District : A study. | L.K. Kalita /90 |
| Dr. Amartya Sen - A pride of India | Sri Krishna Das /93 |

# চিন্তা শিল্প

# ভাৰতীয় সংগীতৰ উৎপত্তিৰ ধাৰা

✦ মিচ্ হিমাশ্ৰী পাটোৱাৰী
স্নাতক চূড়ান্ত বৰ্ষ

ভাৰতীয় শাস্ত্ৰীয় সংগীত (Indian Classical Music) পৃথিৱীৰ প্ৰাচীনতম সংগীত সমূহৰ ভিতৰত অন্যতম। ভাৰত এখন অনৈক্যৰ মাজত ঐক্য সংহতি বৰ্ত্তি থকা পৃথিৱীৰ ভিতৰত প্ৰাচীনতম দেশ। ইয়াৰ ৰাজনৈতিক আৰু ঐতিহাসিকতাৰ ক্ষেত্ৰত বৈচিত্ৰতাৰ দৰে সংগীতৰ উৎপত্তিৰ ধাৰাও বৈচিত্ৰ্যপূৰ্ণ আৰু মনোৰম।

ভাৰতীয় সংগীতক অনাদি আৰু অপৌৰষেয় বুলি গণ্য কৰা হয়। ভাৰতীয় সংস্কৃতি তথা জনসাধাৰণৰ জীৱন-যাপনৰ মূলধাৰা বেদৰ দৰেই সংগীত কলাই আমাৰ সমাজত আদিৰ পৰাই স্থান পাই আহিছে যে তাৰ আদিম ইতিহাস সম্পৰ্কে সঠিক ভাৱে জ্ঞান লাভ কৰিবৰ কোনো স্তুপীকৃত আৰু সংৰক্ষিত সমলেই পোৱা নাযায়। মহেঞ্জোদাৰো, হৰাপ্পা আদি ঠাইত আৱিস্কাৰ হোৱা নৃত্য বা বাদনৰত মূৰ্ত্তি বোৰেও সংগীতৰ আদিমতম অৱস্থিতিৰ কথাকেই প্ৰমাণ কৰে। অৱশ্যে ভাৰতীয় সংগীতৰ বিষয়ে লিপিবদ্ধ ৰূপত প্ৰয়োজনীয় তথ্যপাতি কেৱলমাত্ৰ বৈদিক যুগৰ পৰাহে কিছু পৰিমাণে পাব পৰা যায়। এই তথ্য সমূহৰ পৰা প্ৰাচীন ভাৰতীয় সংগীতক ঘাইকৈ বৈদিক আৰু লৌকিক - এই দুটা মুখ্য ধাৰাত বিভক্ত আছিল। এই কথাৰ উমান পাব পাৰি।



বৈদিক যুগৰ সংগীত বুলিলে মানুহৰ মুখত চলি থকা বেদৰ শ্লোক বা পদ সমূহৰ কথাকে বুজোঁ য'ত প্ৰথমাৱস্থাত উদাত্ত, অনুদান আৰু স্বৰিত - এই তিনিটা স্বৰ ব্যৱহাৰ কৰা হৈছিল। স্বৰ বিলাকৰ ক্ৰম আছিল অৱৰোহাত্মক অৰ্থাৎ চৰাৰ পৰা ক্ৰমে খাদলৈ। কিন্তু পিছলৈ এই স্বৰ বিলাকৰ সংখ্যা বাঢ়ি চাৰিটা, পাঁচটা, ছটা আৰু সাতোটা হ'লগৈ। ইয়াকেই আমি সপ্তস্বৰ বুলি কওঁ। বৈদিক যুগৰ এই স্বৰ সমূহেই ভাৰতীয় সংগীতৰ সপ্তস্বৰৰ ভেঁটি নিৰ্মাণ কৰিলে।

সংগীতৰ উৎপত্তি সম্বন্ধে প্ৰচলিত থকা সিদ্ধান্ত সমূহক বহল ভাৱে তিনিটা ভাগত ভগাব পাৰি। যেনে — দাৰ্শনিক বা আধ্যাত্মিক, বৈজ্ঞানিক সিদ্ধান্ত আৰু ব্যৱহাৰিক সিদ্ধান্ত।

আধ্যাত্মিক বা দাৰ্শনিক সিদ্ধান্তৰ এটি সুন্দৰ উদাহৰণ হিচাপে প্ৰাচীন ভাৰতৰ সংগীত বিদ্বান সকলৰ সিদ্ধান্ত সমূহৰ কথা উল্লেখ কৰিব পাৰি। ভাৰতীয় আধ্যাত্মবাদী সকলৰ মতে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড নাদৰ অধীন। এই নাদ হ'ল ওংকাৰ ধ্বনি আৰু ওংকাৰ ধ্বনিয়েই সেই সকলো ধ্বনিৰ মূল। নাদৰ সাধনাৰ যোগেদিয়েই পৰমব্ৰহ্মাৰ জ্ঞান পাব পাৰি। ভাৰতীয় চিন্তাধাৰা অনুসৰি য'তে সংগীত তাতেই ঈশ্বৰ বিদ্যমান।

গ্ৰীক দাৰ্শনিক এৰিষ্ট'টৌলৰ মতে সংগীত হ'ল মানৱৰ আধ্যাত্মিক উন্নতিৰ প্ৰধান মাধ্যম।

আন এগৰাকী গ্ৰীক দাৰ্শনিক পাইথাগোৰাছে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ ঐক্য আৰু সংহতিৰ প্ৰতীক হিচাপে সংগীতক স্থান দিছ্য।

বিথিউচৰ মতে সংগীতে দেহ আৰু মনৰ সংহতি আনি আত্মাৰ স'তে পৰমাত্মাৰ মিলনৰ পথ সুগম কৰি তোলে।

সংগীতৰ উৎপত্তি সম্পৰ্কে কেইবাটাও বৈজ্ঞানিক মত দেখিবলৈ পোৱা যায়। আদিম অৱস্থাত গুহাবাসী মানুহে হিংস্ৰ জন্তু বা শত্ৰুৰ মনত ত্ৰাসৰ সৃষ্টি কৰাৰ কাৰণে ফোপোলা গছৰ মূঢ়াত চপৰিয়াই বা মৰা জন্তুৰ শুকান নাড়ী ধেনুভেৰীয়া বাঁহত লগাই শব্দ উলিওৱাৰ প্ৰচেষ্টা চলাইছিল।

অন্য এদল বৈজ্ঞানিকৰ মতে মানুহে পশুপক্ষীৰ মাত অনুকৰণ কৰাৰ ফলতে সংগীতৰ সৃষ্টি হৈছে। মানুহ স্বভাৱগত ভাৱে অনুকৰণ প্ৰিয়। সেইবাবে আদিম অৱস্থাত মানুহে তেওঁলোকক আকৰ্ষণ কৰা পশু-পক্ষীৰ মাত অনুকৰণ কৰিবলৈ যত্ন কৰিছিল। উল্লেখযোগ্য যে ভাৰতৰ কেতবোৰ প্ৰাচীন সংগীত গ্ৰন্থতো ষড়জ (সা), ঋষভ (ৰে), গান্ধাৰ (গা), মাধ্যমা (মা), পঞ্চম (পা), ধৈৱত (ধা), নিষাদ্ (নি) এই স্বৰবোৰৰ পশু পক্ষীৰ মাতৰ লগত সম্পৰ্ক থকাৰ কথা উল্লেখ আছে—

ষড়জ বাদতি ময়ূৰং ঋষভং চাতকো বদ্যে।
অজা বদতি গান্ধাৰং ক্ৰৌঞ্চো বদতি মধ্যমম্
পুন সাধাৰণ কালে কোকিলঃ পঞ্চমবেদ্বেৎ
প্ৰবৃট মাকে তু সম্প্ৰাভে ধৈবতং দুৰ্দৰো বদ্যেৎ
সৰ্বদা চ তথা দেবি নিষাদং বদতে গজৎ

ওপৰোক্ত দুয়োটা মত কোনো কোনো বিজ্ঞানীয়ে মানি লব নোখোজে। তেওঁলোকৰ মতে সংগীত হ'ল মানৱমনৰ সূক্ষ্ম অনুভূতিৰ প্ৰকাশ। ভাৱনাৰ গভীৰতাৰ পৰাই সংগীতৰ সৃষ্টি হয়। আনন্দৰ অতিশয্যত আমি হাঁহো বা কান্দো। এনে ধৰণৰ বিভিন্ন আবেগ অনুভূতিৰ প্ৰকাশৰ লগে লগে আমাৰ কণ্ঠস্বৰো প্ৰসাৰিত হয়। কেতিয়াবা ওপৰলৈ আৰু কেতিয়াবা তললৈ নামে। আন এদল বৈজ্ঞানিকৰ মতে কণ্ঠ স্বৰৰ এই উঠা নমাৰ পৰাই গানৰ সৃষ্টি হ'ল।

শ্ৰোতাৰ মনত আনন্দ দিয়াৰ উপৰিও সংগীতৰ এটা ব্যৱহাৰিক দিশো নথকা নহয়। মানুহৰ মানসিক, দৈহিক, সামাজিক, ধাৰ্মিক আদি বিভিন্ন বিষয়ৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত সংগীতৰ প্ৰয়োজনীয়তা আজি সকলোৱে স্বীকাৰ কৰিছে। সেয়েহে কোনো কোনো লোকে কবলৈ বিচাৰে যে সংগীত হ'ল মানৱৰ কৰ্মবহুল দৈনন্দিন জীৱনৰ বিভিন্ন দিশ আৰু ভাৱধাৰাৰ সামঞ্জস্য সাধন কৰি প্ৰকাশ লাভ কৰা এটি সুকুমাৰ কলা।

"গীতং নাদাত্মকং বাদ্যং নাদব্যক্ত্যা প্ৰশস্যতে
তদ্ধয়ানু গতং নৃত্তং নাদাধীনমতস্ত্ৰয়ম্" ।। ■

## মহৎলোকৰ বাণী

"যি মানুহৰ ধৈৰ্য্য শক্তি আছে, তেওঁৰ অসাধ্য একোৱে নাই" - বেঞ্জামিন ফ্ৰেংকলিন।

"বন্দুকৰ গুলিৰে আদৰ্শ হত্যা কৰিব নোৱাৰি" - জ্যোতি প্ৰসাদ আগৰৱালা।

"ভুল কৰা বাৰে বাৰে কৰা - এটা ভুল দুবাৰ নকৰিবা" - মাওজে ডং।

"সত্যৰ দ্বাৰাই সত্য লাভ কৰিব পাৰি। হিয়া দান কৰিলেহে হিয়া পাব পাৰি" - মাৰ্চেল।

"পাপ আত্মাৰ শত্ৰু, পূণ্য ইয়াৰ বন্ধু" - মহাবীৰ

"নিজৰ ভুল সংশোধন কৰা। ভুলটো স্থায়ী কৰিবলৈ অভিনয় নকৰিবা" - শ্বেক্সপীয়েৰ।

"জীৱনত এনে কোনো অৱস্থাৰ উত্তৰ নহয়, যাৰ পৰিবৰ্তন ঘটাব নোৱাৰি" - ডিকেন্স।

"অসম মৰিলে আমিও মৰিম, এই কথা নেপাহৰিবা।" - লক্ষ্মীধৰ শৰ্মা।

সংগ্ৰাহকঃ খাইৰুল ইছলাম
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ

# শিক্ষা আৰু ইয়াৰ উদ্দেশ্য

✦ ছেলিম উদ্দিন
প্ৰবক্তা, শিক্ষা বিভাগ

অসমীয়া শিক্ষা শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হ'ল Education। এই ইংৰাজী শব্দটো লেটিন Educere শব্দৰ পৰা উদ্ভৱ হৈছে। e মানে বাহিৰ (out) আৰু ducere মানে উলিয়াই অনা (draw out) বা আগবঢ়াই অনা (to lead out)। আকৌ কিছুমানে কয় যে, Education শব্দটো লেটিন ভাষাৰ educare শব্দৰ পৰাই উদ্ভৱ হৈছে। (educeare) মানে প্ৰশিক্ষা দিয়া (to train) বা তুলি অনা (to bring up)।

শব্দগত অৰ্থৰ ফালৰ পৰা শিক্ষা শব্দটোৰ তাৎপৰ্য্য বৰ বহল। কেৱল বিদ্যালয়, মহাবিদ্যালয় বা অন্য শিক্ষা অনুষ্ঠানত শিক্ষকে শিক্ষাৰ্থীক দান কৰা সামগ্ৰীতে শিক্ষা সীমাবদ্ধ নহয়। কোনো ধৰণৰ শিক্ষানুষ্ঠানলৈ কাহানিও নোযোৱা মানুহো শিক্ষিত হ'ব পাৰে। শিক্ষানুষ্ঠানত উপস্থিত থকা সময়ৰ উপৰিও আন সময়তো শিক্ষাৰ্থীয়ে নানান দিশত শিক্ষা আহৰণ কৰিব পাৰে। দৰাচলতে জীৱন যাত্ৰাৰ প্ৰতি খোজতে লাভ কৰা প্ৰয়োজনীয় আটাইবিলাক অভিজ্ঞতাকে সামূহিক ভাৱে শিক্ষা বুলি কব পাৰি। শিক্ষাই মানুহৰ জীৱন নিয়ন্ত্ৰণ কৰে, পৰিচালনা কৰে, ভৱিষ্যতৰ গতি পথ নিৰ্দ্ধাৰণ কৰে, জ্ঞানৰ পোহৰ দিয়ে আৰু প্ৰগতিৰ পথ দেখুৱায়। এসময়ত বনৰীয়া জীৱ জন্তুৰ দৰে আদিম মানুহৰ আচৰণ প্ৰবৃত্তি পৰিচালিত আছিল। অসভ্য, বৰ্ব্বৰ আৰু হিংস্ৰ জন্তু সদৃশ মানুহৰ এই আচৰণ শিক্ষাই সু-সভ্য মাৰ্জিত আৰু সুৰুচি পূৰ্ণ কৰি তোলে। মানুহৰ পশুত্বক শিক্ষাই মানৱত্ব ৰূপ দান কৰে। যুগ-যুগ ধৰি বংশানুক্ৰমে মানুহ শিক্ষাৰ দ্বাৰা প্ৰভাৱিত, পৰিচালিত আৰু পৰিৱৰ্তিত হৈ আহিছে। সেয়েহে শিক্ষা আৰু ইয়াৰ অভিজ্ঞতা মানুহৰ অতি পৰিচিত। শিক্ষিত-অশিক্ষিত-অৰ্ধশিক্ষিত সকলো লোকেই ইয়াৰ অৰ্থ নিজ নিজ ভাৱে উপলব্ধি কৰে। মানৱ সমাজত ক্ৰমবিকাশৰ ভিন ভিন সময়ত শিক্ষাৰ অৰ্থ আৰু ব্যাখ্যা ভিন ভিন ভাৱে কৰা হৈছে। বিভিন্ন সময়ত চিন্তাবিদ আৰু শিক্ষাবিদ সকলেও ভিন ভিন ভাৱে এই সম্বন্ধে তেওঁলোকৰ চিন্তা ব্যক্ত কৰিছে।

গ্ৰীক দাৰ্শনিক প্লেটোৱে কৈছিল যে শিক্ষাক এটা প্ৰশিক্ষণ বুলিব পাৰি যি শিশু সকলৰ সভ্য গুণ সমূহৰ প্ৰাথমিক প্ৰবৃত্তিবোৰক উপযুক্ত অভ্যাসৰ দ্বাৰা গঠিত কৰে। আন এজন বিখ্যাত গ্ৰীক দাৰ্শনিক এৰিষ্টটলে কৈছিল যে শিক্ষাই এটা সুস্থ দেহত সুস্থ মনৰ সৃষ্টি কৰে। পেষ্টালজিৰ মতে শিক্ষা হৈছে মানুহৰ অন্তৰ্নিহিত শক্তিসমূহৰ স্বাভাৱিক স্বতঃস্ফূৰ্ত ক্ৰমবৰ্ধিষ্ণু বিকাশ। হাবাৰ্টে উন্নত নৈতিক চৰিত্ৰ বিকাশ কৰাকে শিক্ষা বুলিছিল। দাৰ্শনিক লকৰ মতে গছ পুলি এটি যেনেকৈ খেতি কৰাৰ ফলত ডাঙৰ হয়, সেইদৰে মানুহৰ বিকাশো শিক্ষাৰ দ্বাৰা হয়। মহাত্মা গান্ধীয়ে কৈছিল যে শিশু আৰু বয়স্ক সকলৰ দেহ, মন আৰু আত্মাৰ সৰ্বশ্ৰেষ্ঠ গুণ সমূহৰ বিকাশকে শিক্ষা বুলিব পাৰি।

বিভিন্ন দিশ চালি জাৰি চালে শিক্ষাৰ দুবিধ অৰ্থ উপলব্ধি কৰিব পাৰি। এবিধ সংকীৰ্ণ (narrow) আৰু আনবিধ ব্যাপক (broad)। সৰ্ব্বসাধাৰণ মানুহে শিক্ষাক সংকীৰ্ণ ৰূপত দেখিবলৈ পায়। কিন্তু শিক্ষাবিদ আৰু চিন্তাশীল শিক্ষিত লোকসকলৰ দৃষ্টিভংগীত শিক্ষাৰ অৰ্থ বৰ ব্যাপক। সংকীৰ্ণ অৰ্থত বিদ্যালয়ত বা অন্য শিক্ষানুষ্ঠানত অৰ্জন কৰা অভিজ্ঞতাই শিক্ষা। গতিকে শিক্ষিত ব্যক্তি হিচাপে পৰিগণিত হ'বলৈ হ'লে শিক্ষানুষ্ঠানত ভৰ্ত্তি হ'বই লাগিব। বিভিন্ন বিষয়ৰ প্ৰসিদ্ধ পণ্ডিত সকলৰ আশাশুধীয়া চেষ্টাৰ ফলত যে জ্ঞানৰ প্ৰকৃতি আৰু পৰিসৰ অনবৰতে সলনি আৰু বৃদ্ধি হৈ আছে আৰু সেইবাবে পাঠ্যক্ৰমৰ প্ৰতিটো বিষয়বস্তু সদায় পৰিৱৰ্তনশীল আৰু গতিশীল হ'বলৈ বাধ্য সেই কথা শিক্ষাৰ সংকীৰ্ণ উপলব্ধিৰ ব্যক্তিয়ে মানি নলয়। তেওঁলোকৰ মতে শিক্ষাৰ বিষয় বস্তু অপৰিৱৰ্তনীয় আৰু গতিহীন। ইয়াক মাত্ৰ শিক্ষকে দিব লাগে আৰু ছাত্ৰই ল'ব লাগে। ছাত্ৰৰ বিশ্লেষণী দৃষ্টিভংগীত আৰু ছাত্ৰ শিক্ষকৰ সৃজনীমূলক আলোচনাৰ জৰিয়তে যে প্ৰতিটো বিষয় বস্তুকে কিছু বেলেগ ধৰণেৰে চোৱাৰ অৱকাশ আছে সেই কথা শিক্ষাৰ সংকীৰ্ণ উপলব্ধিত বিচাৰি পোৱা নাযায়। শিক্ষাৰ সংকীৰ্ণ ব্যাখ্যাত ছাত্ৰ-ছাত্ৰীৰ নিজৰ প্ৰয়োজন, আগ্ৰহ, সামৰ্থ আদিৰ বিচাৰ কৰা নহয়। সকলোকে একে শিক্ষা দি একে ফলাফল আশা কৰা হয়। সাঁচত দিয়া কোমল বোকাই বিশেষ আকৃতি লোৱাৰ দৰে প্ৰত্যেক শিক্ষাৰ্থীয়ে শিক্ষা প্ৰক্ৰিয়াৰ মাজেৰে অগ্ৰসৰ হৈ এটা বাঞ্ছিত ৰূপ ল'বঁগে পাৰিব বুলি আশা কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ মাজৰ ব্যক্তি বৈষম্য বিবেচনা নকৰি সকলোকে একে শিক্ষা সাঁচত গঢ় দিবলৈ যোৱাটো চিৰিয়াখানাৰ আটাইবিলাক জীৱ-জন্তুকে একেবিধ আহাৰ খাবলৈ দি প্ৰত্যেককে

সমান স্বাস্থ্যবান হৈ থকাটো আশা কৰাৰ নিচিনা কথা।

বহল অৰ্থত শিক্ষাৰ লক্ষ্য হৈছে সম্পূৰ্ণ মানুহ গঢ়ি তোলা, ব্যক্তিসত্তাৰ সৰ্বাঙ্গীন বিকাশৰ ওপৰত গুৰুত্ব দিয়া আৰু সংকীৰ্ণ গণ্ডীৰ পৰা উলিয়াই আনি শিক্ষাৰ পৰিধিক মানুহৰ জীৱনৰ পৰিধিৰ সৈতে মিলাই দিয়া। বহল অৰ্থত কেৱল শিক্ষানুষ্ঠানৰ নিয়ন্ত্ৰিত আৰু পৰিকল্পিত কাৰ্য্যসূচীকেই শিক্ষা বুলি কোৱা নাযায়। ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে সুদীৰ্ঘ জীৱনত লাভ কৰা সমূহ প্ৰভাৱ আৰু অভিজ্ঞতাকেই শিক্ষাৰ অন্তৰ্ভুক্ত কৰা হয়। বহল অৰ্থত আমাৰ জীৱনেই হৈছে শিক্ষাৰ পটভূমি। চিন্তাবিদ ডামভাইলৰ (Dumvile) মতে ব্যাপক অৰ্থত জন্মৰ পৰা মৃত্যুলৈকে সুদীৰ্ঘ জীৱন পথত ব্যক্তিৰ ওপৰত ক্ৰিয়া কৰা সকলোবোৰ প্ৰভাৱেই শিক্ষাৰ অৰ্ন্তভূক্ত। শিক্ষাৰ এনে বহল পৰিসৰে শিক্ষানুষ্ঠানৰ ভিতৰৰ আৰু বাহিৰৰ, নিয়ন্ত্ৰিত আৰু অনিয়ন্ত্ৰিত সকলো প্ৰভাৱকেই সামৰি লব পাৰে। জীৱনৰ প্ৰতিটো মুহূৰ্ত আৰু প্ৰতিটো পৰিস্থিতিয়ে আমাৰ শিক্ষাৰ সমল যোগায়। শিক্ষাৰ বহল পৰিসৰে ব্যক্তিৰ বংশগতি আৰু পৰিবেশ দুয়োটা দিশ সামৰি লয়। এজন লোকে তেওঁৰ জন্মগত শক্তি সামৰ্থ্যৰেহে বিভিন্ন পৰিস্থিতিত নিজ প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰে। বংশগতি হৈছে বিকাশৰ মূলধন স্বৰূপ। পৰিবেশে আনি দিয়ে এই মূলধন প্ৰয়োগৰ প্ৰয়োজনীয় সুযোগ আৰু সা-সুবিধা। ব্যক্তিয়ে জন্মগত ভাৱে কেনেবোৰ সম্ভাৱনীয়তা বহন কৰি আনে, পৰিবেশে ব্যক্তিৰ প্ৰতিক্ৰিয়া কি দৰে নিয়ন্ত্ৰণ কৰে আৰু তাৰ ফল স্বৰূপে সম্ভাৱনীয়তা সমূহ কি পৰিমাণে পূৰণ কৰি বিকাশ সাধন কৰি তোলে এই সকলো বোৰ কথাই শিক্ষাৰ আলোচ্য বিষয়। ইয়াৰ বাবে শিক্ষাৰ সমূহ বিষয়ৰ সম্বন্ধে এক দাৰ্শনিক দৃষ্টিভঙ্গীৰ প্ৰয়োজন। সেয়েহে ব্যাপক অৰ্থত এই পৃথিৱীত মানৱ জীৱনে লাভ কৰা সমূহ ক্ৰিয়া অভিজ্ঞতা আদিৰ সামূহিক অধ্যয়ন আৰু পৰ্য্যৱেক্ষণেই হৈছে শিক্ষা।

শিক্ষাৰ এটা প্ৰাচীন লক্ষ্য হৈছে মানুহৰ মনক, দেহৰ বন্ধন বা সীমাবদ্ধতাৰ পৰা মুক্ত কৰা। শিক্ষাৰ এই ধাৰণা প্লেটো, এৰিষ্ট'টোল আদি প্ৰাচীন দাৰ্শনিক সকলৰ চিন্তা ধাৰাৰ দ্বাৰা প্ৰভাৱিত। তেওঁলোকে দেহ আৰু মনৰ মাজত বিশেষ পাৰ্থক্য বিবেচনা কৰিছিল। জীৱ জগতৰ আনবোৰ প্ৰাণীৰ দৰেই মানুহেও প্ৰবৃত্তি পৰিচালিত দৈহিক ক্ৰিয়া আচৰণ প্ৰদৰ্শন কৰে। কিন্তু জীৱ শ্ৰেষ্ঠ মানুহৰ শ্ৰেষ্ঠতা এনে দৈহিক প্ৰবৃত্তি পৰিচালিত ক্ৰিয়াই প্ৰমাণ নকৰে। দৈহিক ক্ৰিয়াৰ উপৰি মানুহে চিন্তা, যুক্তি, বুদ্ধি, কল্পনা আদি কেতবোৰ উচ্চ পৰ্য্যায়ৰ মানসিক শক্তি আৰু ক্ষমতা লাভ কৰে। মানৱ মনৰ এই ক্ষমতাবোৰ শিক্ষাৰ যোগেদি উৎকৰ্ষ সাধন কৰি দৈহিক পশু প্ৰবৃত্তি পৰিচালিত আচৰণৰ পৰা মুক্ত কৰিব লাগে আৰু উন্নত মানসিক তথা আধ্যাত্মিক ক্ৰিয়াৰ পৰ্য্যায়লৈ তুলিব লাগে। শিক্ষিত মানুহৰ ক্ৰিয়া আচৰণ দৈহিক ইন্দ্ৰিয় পৰিচালিত আৰু প্ৰবৃত্তিমূলক নহৈ মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক প্ৰয়োজন মুখী কৰি তোলাটোৱেই হ'ব লাগে শিক্ষাৰ প্ৰধান উদ্দেশ্য।

শিক্ষাৰ আন এটা উদ্দেশ্য জীৱিকা নিৰ্বাহ কৰা। আজিৰ শিক্ষা কেৱল জ্ঞান আহৰণৰ বাবে অথবা মানুহৰ বৌদ্ধিক আৰু আধ্যাত্মিক শক্তি বিকাশৰ বাবেই মাথোন আয়ত্ব কৰা নহয়। শিক্ষাৰ এটা বাস্তৱ আৰু প্ৰত্যক্ষ প্ৰয়োজন অনুভৱ কৰা হয়। এই প্ৰয়োজন হৈছে মানুহক উৎপাদনমুখী আৰু স্বাৱলম্বী কৰি তোলা। মানুহক জীৱনত স্বাৱলম্বী, উৎপাদনক্ষম আৰু অৰ্থনৈতিক ভাৱে আত্মনিৰ্ভৰশীল কৰি তোলাটোৱেই হ'ব লাগে শিক্ষাৰ এটা প্ৰধান উদ্দেশ্য। যি শিক্ষা মানুহে লাভ কৰে সেই শিক্ষাই তেওঁক কোনো এক বৃত্তি বা ব্যৱসায়ৰ উপযুক্ত কৰি তুলিব লাগে। শিক্ষাৰ এনে বৃত্তিমূলক উদ্দেশ্যই মানুহৰ শিক্ষা, অভিজ্ঞতা উদ্দেশ্যধৰ্ম্মী কৰে আৰু ভৱিষ্যত ক্ৰিয়া, আঁচনি তথা ব্যৱসায় আদি কাৰ্য্যকৰী কৰণত সহায় কৰে, এনে ব্যক্তি পৰনিৰ্ভৰশীল অথবা সমাজৰ বোজা স্বৰূপ নহৈ নিজ যোগ্যতাৰ নিশ্চিত বৰঙণি সমাজৰ প্ৰতি আগবঢ়াব পাৰে। ইয়াৰ যোগেদি তেওঁ সমাজত নিজৰ যোগ্য স্থান আৰু মান লাভ কৰিব পাৰে। ই নাগৰিকৰ মনত শ্ৰমৰ মৰ্য্যাদা অনুভৱ কৰাত সহায় কৰে। ইয়াৰ উপৰিও বুদ্ধি বৃত্তি আদিত নিম্ন মানৰ ছাত্ৰ-ছাত্ৰীয়ে বৃত্তিমুখী শিক্ষাৰ যোগেদি নিজকে উপযুক্ত আৰু অৰ্থনৈতিক ভাবে আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰে।

ব্যক্তিৰ বিকাশযোগ্য সকলো দিশৰে সমান বিকাশ লাভ কৰাটো শিক্ষাৰ অন্যতম উদ্দেশ্য স্বৰূপে গণ্য কৰা হয়। শিশুৱে জন্মৰ লগতে বহুমুখী বিকাশৰ সম্ভাৱনীয়তাও লৈ আহে। দৈহিক, মানসিক, বৌদ্ধিক, সৌন্দৰ্য্য বোধক আৰু নৈতিক আদি দিশত এনে বিকাশ সম্ভৱ হৈ উঠে। বৰ্তমানৰ শিক্ষাই ব্যক্তিক সামঞ্জস্যহীন আৰু একপক্ষীয় ভাৱে বিশেষীকৰণৰ প্ৰতি উৎসাহিত কৰি তোলে। উল্লেখযোগ্য যে বৰ্তমানৰ শিক্ষাই এজন লোকক বৌদ্ধিক ভাৱে তীক্ষ্ণতৰ কৰি তোলে যদিও দৈহিক ভাৱে অক্ষম আৰু নৈতিক ভাৱে নিম্নমান বিশিষ্ট কৰি তোলে। এনে বিকাশৰ বিৰুদ্ধে সুসামঞ্জস্য বিকাশৰ লক্ষ্যক এক উল্লেখযোগ্য লক্ষ্য হিচাপে বিবেচনা কৰিব পাৰি। এই লক্ষ্যৰ মতে ব্যক্তিৰ ভিন ভিন দেহ-মানসিক ক্ষমতা

সমূহ কেৱল যথা সম্ভৱ বিকাশৰ প্ৰতি লক্ষ্য ৰাখিলেই নহয় সেই সমূহৰ বিকাশৰ গতিত সমতা অথবা সুসামঞ্জস্যতা ৰক্ষা কৰাটোৱে প্ৰধান কথা। এনে বিকাশেহে আদৰ্শ, ব্যক্তিত্ব গঢ় দি তুলিব পাৰে।

ব্যক্তিৰ মনত সততা, সাধুতা, উদাৰতা, ন্যায়-পৰায়ণতা আদি নৈতিক অনুভূতি সমূহ জগাই তোলাটো হৈছে শিক্ষাৰ এক উদ্দেশ্য। সত্য-শিৱ-সুন্দৰৰ আদৰ্শত গঢ়ি উঠা নৈতিক ক্ৰিয়া আচৰণৰ অনুশীলনেহে ব্যক্তিৰ সজ চৰিত্ৰ আৰু ব্যক্তিত্ব গঢ় দি তুলিব পাৰে। সেয়েহে শিক্ষাৰ এক প্ৰধান উদ্দেশ্য হৈছে চৰিত্ৰ গঠন কৰা।

ব্যক্তিক সমাজৰ সচেতন, দায়িত্বশীল আৰু সমাজৰ হিত-সাধনকাৰী স্বৰূপে প্ৰয়োজনীয় জ্ঞান অভিজ্ঞতা প্ৰদান কৰাটো শিক্ষাৰ এক অন্যতম উদ্দেশ্য। ওপৰত কৰা আলোচনাৰ সাৰাংশ স্বৰূপে শিক্ষাৰ উদ্দেশ্য সম্বন্ধে মূল আলোচ্য বিষয় সমূহ নিম্নলিখিত ভাৱে সংক্ষেপে দাঙি ধৰিলো।

১) শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ বিকাশ সাধন কৰা।
২) লিখা-পঢ়া আদিৰ মাধ্যমত মৌলিক জ্ঞান আয়ত্ব কৰা।
৩) নিজা পৰিয়ালৰ উপযুক্ত সদস্য হিচাপে গঢ়ি তোলা।
৪) নাগৰিকত্বৰ গুণ আয়ত্ব কৰা।
৫) বৃত্তিমূলক শিক্ষা লাভ কৰি দক্ষতা নিৰ্ণয় কৰা।
৬) নৈতিক চৰিত্ৰ শক্তিশালী কৰি গঢ়ি তোলা।
৭) অৱসৰ যাপনত শিক্ষা লাভ কৰি সময়ৰ সৎব্যৱহাৰ কৰা।
৮) ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধন কৰা।
৯) স্বাৰ্থহীন নেতৃত্ব দানৰ যোগ্যতাৰ বিকাশ সাধন কৰা।
১০) সামাজিক সচেতনতা, সহনশীলতা, সহযোগিতা, শৃঙ্খলাবোধ, গুণৰ বিকাশ সাধন কৰা।
১১) ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ সম্পৰ্কে জ্ঞান আহৰণ কৰা।
১২) বিশ্ব শান্তি প্ৰতিষ্ঠা কৰা ইত্যাদি।

ওপৰৰ আলোচনাৰ পৰা আমি সহজেই উপলব্ধি কৰিব পাৰো যে শিক্ষা হৈছে এক জীৱনযোৰা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া এটি শিশুৰ জন্ম মুহূৰ্তৰ পৰা আৰম্ভ হয় আৰু মৃত্যুৰ সময়লৈকে চলি থাকে।

## কুইজ

১. ‘কুইজ’ শব্দটো কোনজন বিশ্ববিখ্যাত সাহিত্যিকৰ ছদ্মনাম আছিল?
◈ চাৰ্লচ্ ডিকেন্সৰ।
২. কোনজন বিশ্ববিখ্যাত শিল্পীয়ে একেলগে এখন হাতেৰে লিখিব আৰু আনখন হাতেৰে আঁকিব পাৰিছিল?
◈ লিওনাৰ্ড-দ্যা-ভিন্সিয়ে।
৩. ‘এভাৰেষ্ট’ শৃঙ্গ কাৰ নামৰ সোঁৱৰণত ৰখা হয়?
◈ চাৰ জৰ্জ এভাৰেষ্ট।
৪. ১৯৯১ চনৰ বাংলাদেশৰ সন্মানীয় ‘ভিক্তৰি এৱাৰ্ড’ মৰণোত্তৰ ভাৱে কাক প্ৰদান কৰা হয়?
◈ ইন্দিৰা গান্ধী।
৫. প্ৰথম ভাৰতীয় বিশ্বসুন্দৰী গৰাকীৰ নাম কি?
◈ ৰীতা ফাৰিয়া।

*সংগ্ৰাহক ঃ* **জিয়াউল হক চৌধুৰী**
উঃ মাঃ ১ ম বৰ্ষ

# সংগীত

✦ প্ৰিয়ম দাস
স্নাতক ২ য় বৰ্ষ

"সংসাৰ মৰুভূমিত সংগীত সৰোবৰ।"

হয়তো গানৰ বুজাব নোৱাৰা অপাৰ্থিৱ মহিমাৰ চৰম উপলব্ধিতেই কোনোবাই কৈ পেলাইছিল এই বাক্যশাৰী। গানে ক'ৰপৰা কি শিহৰণ বোৱাই আনে? আনন্দ অনুভূতি কঢ়িয়াই আনে; সেয়া বুজাবলৈ যোগ্য ভাষা বিচাৰি পোৱা নাযায়।

"গীতম্, বাদ্যম্, নৃত্যম্, ত্ৰয়ম্ সংগীতমুচ্যতে।"

গীত, বাদ্য আৰু নৃত্য তিনিও কলাৰ সংযোগেই হ'ল সংগীত। সংগীত ধাৰাবাহিকতাৰ তেনে কোনো ইতিহাস নাই। মানুহে হেনো গীত গাবলৈ, বাদ্য বজাবলৈ আৰু নাচিবলৈ শিকিছিল কথা ক'বলৈ শিকাৰ বহু আগতে। প্ৰাক ঐতিহাসিক যুগৰ অন্ধকাৰময় ইতিহাসৰ পম খেদি আদিম মানৱ জাতিৰ এই সংগীতৰ ধাৰা কেনে আছিল সেই বিষয়ে সঠিকভাৱে জনাটো সম্ভৱ নহয়। কিন্তু এই কথা নিঃসন্দেহে ক'ব পাৰি যে সৃষ্টিৰ পাতনিৰে পৰা মানৱ জাতিয়ে অন্তৰৰ আৱেগ-অনুভূতি, হৰ্ষ-বিষাদ আদি প্ৰকাশৰ এটি প্ৰধান মাধ্যম হিচাপে গীত বাদ্য আৰু নৃত্যৰ ব্যৱহাৰ কৰি আহিছে। নৃত্য-গীতে বা একে আষাৰতে ক'বলৈ গ'লে সংগীতে আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এটা বুজন অংশ অধিকাৰ কৰি আছে বুলি ক'ব পাৰি।



আদিম অৱস্থাৰে পৰা মানৱ জাতিৰ ইতিহাসত সংগীতে এটি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিলেও ভৌগোলিক পৰিস্থিতি, সামাজিক অৱস্থা, জাতীয় চৰিত্ৰ, ৰীতি-নীতি অনুযায়ী স্থান আৰু কালভেদে সংগীতে বিভিন্ন ৰূপ গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। ভাৰতীয় চিন্তাধাৰাৰ এটি উল্লেখযোগ্য বিশেষত্ব হ'ল - সকলো বিদ্যা, শাস্ত্ৰ আৰু কলাৰ অন্তিম লক্ষ্য এটা; আৰু সেয়া হ'ল আত্মানুভূতি। সাধনা আৰু মানসিক বিকাশৰ ফলত আহে আত্মানুভূতি আৰু এই আত্মানুভূতিৰ ফলত সাধকে পৰমাত্মাৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম হয়। ভাৰতীয় নন্দনতত্ত্ব অনুসৰি কেৱল ঐহিক আনন্দ দানতে সংগীতৰ উপযোগিতা বা উদ্দেশ্যৰ সামৰণি নপৰে। অন্তৰৰ সুক্ষ্ম অনুভূতিবোৰ সজাগ কৰি আধ্যাত্মিক উন্নতি সাধনৰ এটি মাধ্যম হিচাপেও অন্যান্য বিদ্যাৰ দৰে সংগীত বিদ্যাকো আমাৰ সমাজে এখন গুৰুত্বপূৰ্ণ আসন দি আহিছে আৰু বেদৰ শাৰীত স্থান দি তাৰ এটি শাশ্বত ৰূপ দাঙি ধৰিবলৈ যত্ন কৰিছে। ঋকবেদ, যৰ্জুবেদ, সামবেদ আৰু অথৰ্ববেদৰ উপবেদ হিচাপে ক্ৰমে আয়ুৰ্বেদ, ধনুৰ্বেদ, গন্ধৰ্ববেদ আৰু অৰ্থশাস্ত্ৰৰ পৰিকল্পনাই এই কথাৰ সত্যতা প্ৰমাণ কৰে। সংগীত কলাক গন্ধৰ্ববেদ আখ্যা দি সামবেদৰ এটি অংশ হিচাপে মান্যতা দিয়াৰ পৰা এই কথা ভালদৰে প্ৰমাণিত হয় যে অতীত ভাৰতৰ সাধকসকলে সংগীত কলাক লোকৰঞ্জনৰ চাৰিসীমাৰ ভিতৰতেই আৱদ্ধ নাৰাখি আত্মানুভূতি আৰু মোক্ষ সাধনৰ মাৰ্গ হিচাপেই ব্যৱহাৰ কৰিছিল। কোৱা বাহুল্য মানৱ মনৰ অযথা উদ্বেগ শাম কটাই জীৱনলৈ এটা নিৰৱচ্ছিন্ন আনন্দৰ সোঁত বোৱাই আনি, এখন সুস্থ সমাজ গঢ়ি তোলাত সংগীত কলাৰ আৱশ্যকতাৰ কথা প্ৰাচীন হিন্দু সমাজে ভালদৰে হৃদয়ঙ্গম কৰিব পাৰিছিল। সংগীতে কেৱল যে শ্ৰৱণেন্দ্ৰিয়ক তৃপ্তি দান কৰে এনে নহয়, সকলো চিন্তা ভাৱনা দূৰ কৰি মানৱ মনক সতেজ আৰু প্ৰফুল্লিত কৰি তোলাৰ ক্ষেত্ৰতো ভালেখিনি সহায় কৰে। সেয়ে মানৱ চৰিত্ৰৰ কঠোৰতা দূৰ কৰি ভদ্ৰ, সদাচাৰী আৰু বিনম্ৰ হোৱাত সংগীতে আমাক ভালেখিনি সহায় কৰিব পাৰে, সেই কথাত সন্দেহৰ অৱকাশ নাই। এই গুণৰ কথা উপলব্ধি কৰিয়েই আমাৰ প্ৰাচীন শাস্ত্ৰকাৰসকলে 'ন হি বিদ্যা সংগীতাৎ পৰা' বুলি সংগীতক সকলো কলা তথা বিদ্যাৰ আগশাৰীত স্থান দিছিল।

চিন্তা শক্তি আৰু সূক্ষ্ম অনুভূতিসমূহৰ বিকাশ সাধনৰ ক্ষেত্ৰত সংগীতৰ গুৰুত্বপূৰ্ণ অৱদানৰ কথা বৰ্তমান যুগৰ চিন্তাবিদ সকলেও একে বাক্যে স্বীকাৰ কৰিছে। সভ্যতাৰ পোহৰ নোপোৱা অনুন্নত অৰণ্যবাসীৰ মাজতেই হওঁক বা আধুনিকতম সভ্যতাৰ পোহৰেৰে উদ্ভাসিত দেশসমূহতেই হওঁক, পৃথিৱীৰ সকলো উৎসৱ অনুষ্ঠানৰ এটি অপৰিহাৰ্য অঙ্গ হিচাপে গীত-বাদ্য-নৃত্যৰ ব্যৱহাৰ হৈ আহিছে। সংগীত অবিহনে মানৱ সমাজ অসম্পূৰ্ণ আৰু সেইবাবে মানৱ সমাজে কোনোদিনেই তাক অৱহেলাৰ চকুৰে চাব নোৱাৰে। এটা জাতিৰ সাংস্কৃতিক বিকাশ আৰু ৰুচিবোধৰ চৰম নিদৰ্শন হিচাপে সংগীত কলাকে গ্ৰহণ কৰা হয় আৰু সেয়েহে সংগীতক এটা জাতিৰ দাপোন বুলি কলেও অত্যুক্তি কৰা নহয়।

মানৱ হৃদয়ৰ সূক্ষ্ম অনুভূতি বিলাকৰ আনন্দ আৰু পৰিতৃপ্তিয়ে

মানুহৰ চিন্তাধাৰা, স্বভাৱ আৰু কৰ্মশক্তিৰ মাজত এটা সমন্বয়ৰ সৃষ্টি কৰি মানৱ জীৱন সুখময় কৰি তোলাৰ লগতে এখন সুস্থ সবল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰতো যথেষ্ট বৰঙণি আগবঢ়াব পাৰে। এই সংগীতৰ উৎপত্তি সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন সময়ত নিজ নিজ মতামত ব্যক্ত কৰা দেখিবলৈ পোৱা যায়। বহুতৰ মতে সংগীতৰ স্ৰষ্টা হ'ল ব্ৰহ্মা। ব্ৰহ্মাৰ পৰা নাৰদে সেই শিক্ষা গ্ৰহণ কৰে আৰু নাৰদৰ দুগৰাকী শিষ্য হাহা আৰু হুহুৱে পৃথিৱীত সংগীতৰ প্ৰচলন কৰে। আন কাৰোবাৰ মতে মহাদেৱহে সংগীতৰ স্ৰষ্টা। সংগীত সম্পৰ্কে এনে ধৰণৰ কিম্বদন্তীৰ প্ৰচলন কেৱল ভাৰততে নহয়, অন্যান্য ভালেমান দেশতো আছে।

সংগীতৰ উৎপত্তি সম্পৰ্কে বিভিন্ন সিদ্ধান্ত সমূহ বহলভাৱে তিনিটা ভাগত বিভক্ত কৰিব পৰা যায়। যেনে দাৰ্শনিক বা আধ্যত্মিক সিদ্ধান্ত, বৈজ্ঞানিক সিদ্ধান্ত আৰু ব্যৱহাৰিক সিদ্ধান্ত।

আধ্যাত্মিক বা দাৰ্শনিক সিদ্ধান্তৰ এটি সুন্দৰ উদাহৰণ হিচাপে প্ৰাচীন ভাৰতীয় সংগীত বিদ্বান সকলৰ সিদ্ধান্তৰ কথা উল্লেখ কৰিব পাৰি। ভাৰতীয় আধ্যাত্মবাদীসকলৰ মতে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড নাদৰ অধীন। এই আদি নাদ হ'ল ওংকাৰ ধ্বনি আৰু ওংকাৰ ধ্বনিয়েই সেই সকলো ধ্বনিৰে মূল। নাদৰ সাধনাৰ মাজেদিয়েই পৰমব্ৰহ্মৰ সন্ধান পাব পাৰি। নাদৰ পৰাই সংগীতৰ সৃষ্টি আৰু সেয়ে সংগীতৰ লগত পৰমব্ৰহ্মৰো ঘনিষ্ঠ সম্পৰ্ক আছে। ভাৰতীয় চিন্তাধাৰা অনুসৰি য'তে সংগীত তাতেই ভগৱান বিদ্যামান।

গ্ৰীক দাৰ্শনিক এৰিষ্টটৌলৰ মতে সংগীত মানৱৰ আধ্যাত্মিক উন্নতিৰ প্ৰধান মাধ্যম। আন এগৰাকী গ্ৰীক দাৰ্শনিক পিথাগোৰাচে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডৰ ঐক্য আৰু সংহতিৰ প্ৰতীক হিচাপে সংগীতক স্থান দি গৈছে। বিথিউচ্ নামৰ পাশ্চাত্যৰ আন এগৰাকী দাৰ্শনিকৰ মত ভাৰতীয় মনিষী সকলৰ মতৰ লগত প্ৰায় একেই বুলি ক'ব পাৰি। বিথিউচৰ মতে সংগীতে দেহ আৰু মনৰ সংগতি আনি আত্মাৰ সতে পৰমাত্মাৰ মিলনৰ পথ সুগম কৰি তোলে।

সংগীতৰ শেষ নাই। কেৱল ভাষাৰ দ্বাৰা মনৰ সকলো ভাৱ প্ৰকাশ কৰা নাযায়। সেই ভাষাই যেতিয়া সুৰক আশ্ৰয় কৰি প্ৰকাশিত হয় তেতিয়া অনুভূতিৰ সৃষ্টি হয়। চিত্ৰশিল্পীয়ে এটা দৃশ্য আঁকে বা প্ৰকাশ কৰে তেওঁৰ তুলিকাৰ দ্বাৰা, সাহিত্যিক বা কবিয়ে তেওঁৰ মনৰ ভাৱ বা কল্পনা প্ৰকাশ কৰে ভাষা বা ছন্দৰ দ্বাৰা। নৃত্য শিল্পীয়ে তেওঁৰ মনৰ ভাৱ প্ৰকাশ কৰে অঙ্গ-প্ৰত্যঙ্গৰ ভঙ্গীৰ মাধ্যমেৰে, কণ্ঠশিল্পীয়ে তেওঁৰ মনৰ সুখ, দুখ, আনন্দ, বিৰহ আৰু প্ৰেমভাৱক প্ৰকাশ কৰে তেওঁৰ কণ্ঠস্বৰৰ মাধ্যমেৰে।

মনৰ গভীৰতা আৰু অব্যক্ত ভাষা বুজিব পাৰি তেওঁৰ কণ্ঠস্বৰ শুনি - এইবাবে সকলো কলাৰ মাজত 'কণ্ঠসংগীত' বিদ্যাক সৰ্বশ্ৰেষ্ঠ বোলা হয়। অনুভূতি নহ'লে গান গাব নোৱাৰি, উপলব্ধি নহ'লে গানৰ গভীৰতা বুজি পোৱা নাযায়। গান হৈছে মনৰ অব্যক্ত ভাষাৰ বিকাশ - যি সুৰ ছন্দৰ মাজেৰে প্ৰকাশিত হয়।

আধুনিক পণ্ডিত সকলে গীত বা সংগীতক সাহিত্য বুলি আখ্যা দিছে। সৰল মানুহৰ সৰল প্ৰাণৰ পৰা সৃষ্টি হোৱা গীতবোৰৰ সৰলতাত সৰসতা উপলব্ধি কৰি ড° মহেশ্বৰ নেওগ, ড° লীলা গগৈ আদি পণ্ডিত প্ৰবৰে গীতবিলাকক 'গীতি-সাহিত্য' ৰূপে বিচাৰ কৰি গৈছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে অসমীয়া ভাষাৰ আৰম্ভণিৰে পৰা খ্ৰীষ্টীয় ৮০০ অব্দলৈকে অসমীয়া সাহিত্যৰ অন্ধকাৰ যুগটোক 'গীত-যুগ' আখ্যা দিছে। তাৰো পিছৰ কিছু কাললৈকে আঙুলিয়াই তেখেতে কৈছে — অসমীয়া বিয়ানাম আৰু কিছুমান বনগীত এই যুগৰ একমাত্ৰ সাহিত্যসম্পদ।

'শুন শুনৰে সুৰ বৈৰী প্ৰমাণা/নিশাচৰ নাশ নিদানা/ৰাম-নাম যম সমৰক সাজিয়ে/সমদলে কয়লি পয়ানা....।" এনেধৰণৰ এফালে বিশিষ্ট ডাইনেমিক ধৰ্মিতা আনফালে গভীৰ আধ্যাত্মিক ভাৱেৰে ৰসোত্তীৰ্ণ বৈষ্ণৱ যুগৰ শংকৰ মাধৱ বিৰচিত গীতসমূহকতো কেতিয়াবাই পণ্ডিত সমাজে উচ্চ সাহিত্য ৰূপে স্বীকৃতি দি থৈছে।

বিভিন্ন সাহিত্যিক, শিল্পীৰ মতবাদৰ লগতে বিশিষ্ট সুৰকাৰ তথা প্ৰখ্যাত বাঁহীবাদক, সংগীতজ্ঞ প্ৰভাত শৰ্মাইয়ো কৈছে যে গীতো সাহিত্যয়েই। প্ৰকৃততে সাহিত্যৰ আদি অৱস্থাটো গীত বা কবিতা। 'ৰামায়ণ', 'মহাভাৰত' কাব্য সহিত্য, ইয়াক গীত কৰিও গোৱা হৈছে। এক প্ৰবাদমতে, 'ৰামায়ণ'ক প্ৰথমে গীত হিচাপেই গোৱা হৈছিল। আমাৰ বৰগীতসমূহ প্ৰাচীন অসমীয়া সাহিত্যৰ গৌৰৱময় নিদৰ্শন।

মানুহৰ মানসিক, দৈহিক, সামাজিক, ধাৰ্মিক আদি বিভিন্ন বিষয়ৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত সংগীতৰ প্ৰয়োজনীয়তা সকলোৱে একেবাক্যে স্বীকাৰ কৰিছে। সেয়ে কোনো কোনো লোকে কবলৈ বিচাৰে যে সংগীত হ'ল মানৱৰ কৰ্মবহুল দৈনন্দিন জীৱনৰ বিভিন্ন দিশ আৰু ভাৱধাৰাৰ সামঞ্জস্য সাধন কৰি প্ৰকাশ লাভ কৰা এটি সুকুমাৰ কলা।

আজিও বহুতে ভাৱে যে সংগীত চৰ্চা আৰু শিক্ষা অধ্যয়ন একেলগে হোৱা সম্ভৱ নহয়। এয়া সম্পূৰ্ণ যুক্তিহীন কথা। সংগীত শিক্ষাৰ এটি অংগ। সংগীত শিল্পীয়ে সদায় নিজৰ দুখ, কষ্টক লুকাই ৰাখি সমাজক তথা শ্ৰোতাক আনন্দ দিব বিচাৰে।

"এতদিন যে বেঁধেছি সুর
দিন রাতে আপন মনে
ভাগ্যে যদি সেই সাধনা
সমাপ্ত হয় এই জীবনে —"

ৰবীন্দ্ৰনাথ। ■

*(সহায় লৈ)*

# ইচ্ছা আৰু একাগ্ৰতাৰ প্ৰতিচ্ছবি ষ্টিফেন হকিং

✦ নাজনিন হুছেইন
স্নাতক ২ য় বৰ্ষ

অসুস্থ, দুৰ্বল শৰীৰ লৈ গধুৰ চিন্তা কৰিব পৰা গণিত শাস্ত্ৰৰ এজন অন্যতম শ্ৰেষ্ঠ বিজ্ঞানী হ'ল ষ্টিফেন হকিং। দুৰ্বল শৰীৰ লৈয়েই তেওঁ তাৰকা ৰাজ্যৰ সপোন দেখে, সত্যৰ অন্বেষণত ব্যস্ত থাকে। চকা লগা চকীত বহি বহিয়েই তেওঁ ঘূৰাপকা কৰে, নিজৰ কাম কৰে। একেৰাহে বহু সময় মঞ্চত বিজ্ঞানৰ বিষয়ে বক্তৃতা দিয়ে আৰু মঞ্চৰ পৰাই কঠিন প্ৰশ্নৰ প্ৰত্যুত্তৰ দিয়ে। নিজৰ অসমৰ্থ অচল শৰীৰটোৰ বিষয়ে চিন্তা নকৰি, কেৱল মানৱ জাতিৰ জ্ঞানৰ প্ৰসাৰ কৰিবলৈ চেষ্টা কৰাৰ বাবেই তেওঁ সাধাৰণ মানুহৰ পৰা মহামানৱলৈ ৰূপান্তৰিত হ'বলৈ সক্ষম হৈছে।

ষ্টিফেন উইলিয়াম হকিঙৰ জন্ম হৈছিল ১৯৪২ চনৰ ৪ জানুৱাৰীৰ দিনা। জন্মৰ পৰা কুড়িৰ দেওনা লৈকে তেওঁ ভাল সুস্থই আছিল। আকাৰত অলপ সৰু, দেখাত ক্ষীণ আৰু জধলা হ'লেও হকিং পৰিশ্ৰমী আৰু কষ্ট সহিষ্ণু আছিল।

হকিঙৰ শিক্ষা আৰম্ভ হয় লণ্ডনৰ হাইগেট নামৰ ঠাইৰ এখন ভাল স্কুল 'বাইৰন হাউচ'ত। ষ্টিফেন হকিঙে তেওঁৰ হাইস্কুলীয়া শিক্ষা সমাপন কৰে চেইণ্ট এলবাণ্ডন নামৰ এখন বেচৰকাৰী স্কুলৰ পৰা। হকিং পঢ়াশুনাত অত্যন্ত ভাল আছিল। তেওঁৰ মেধাশক্তি আছিল অতুলনীয়। শ্ৰেণীত শিক্ষকে কৰা কঠিন প্ৰশ্নৰ তেওঁ সহজেই উত্তৰ দিব পাৰিছিল।

স্কুলৰ পৰা সুখ্যাতিৰে বৃত্তিসহ উত্তীৰ্ণ হোৱাৰ পিছত হকিঙে অক্সফোৰ্ড বিশ্ববিদ্যালয়ত নাম ভৰ্তি কৰে। ইউনিভাৰ্চিটি কলেজত গণিতশাস্ত্ৰ আৰু পদাৰ্থবিদ্যা বিভাগত অধ্যয়ন কৰে। ষ্টিফেন হকিঙে অক্সফোৰ্ডৰ চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী পাইছিল। সেইকাৰণে তেওঁ ডেনিছ স্কিয়ামাৰ তত্বাৱধানত কেম্ব্ৰিজত গৱেষণা কৰাৰ সুবিধা পাইছিল।

তেনে সময়তে ষ্টিফেন হকিঙৰ জীৱনলৈ এটা সাংঘাতিক বিপৰ্য্যয় নামি আহিল। ১৯৬২ চনৰ ডিচেম্বৰ মাহত কেম্ব্ৰিজৰ পৰা লণ্ডনৰ নিজা ঘৰলৈ আহোতেই তেওঁৰ গাত এটা ব্যধিয়ে দেখা দিলে। বহু পৰীক্ষা কৰাৰ পিছত ধৰা পৰিলে যে তেওঁৰ শৰীৰত 'মটৰ নিউৰন' ৰোগে দেখা দিছে, যাক সংক্ষেপতে A. L. S (Amyotrophie Lateral Sclerosis) বুলি কোৱা হয়। ইয়াৰ আন এটা নাম Lou Gehrig's Diseases) এই ৰোগ বৰ কম মানুহৰে হয় আৰু হ'লেও সাধাৰণতে ৫০ ৰ পৰা ৭০ বছৰ বয়সৰ ভিতৰতহে হোৱা দেখা যায়। ইয়াৰ চিকিৎসা নাই বুলিয়েই ক'ব পাৰি। এই বেমাৰে মেৰুদণ্ডৰ মজ্জা আৰু মগজুৰ চলন-ফুৰন কৰা অংশ আক্ৰমণ কৰে। এই ৰোগটোৰ বিষয়ে হকিঙে শুনি কিছুদিন অত্যন্ত মানসিক অশান্তিত ভুগিছিল। কিন্তু লাহে লাহে অশান্তি কমিবলৈ ধৰে। কাৰণ তেওঁ 'জেন ৱাইল্ড' নামৰ এজনী ৰাংচালী ছোৱালীৰ লগত ১৯৬৫ চনৰ জুলাই মাহত বিবাহপাশত আবদ্ধ হৈ পুনৰ 'আপেক্ষিকতাবাদ' বিষয়ত চিন্তা-চৰ্চা কৰাত ব্যস্ত হৈ পৰে। হকিং প্ৰথমতে এজন সাধাৰণ গৱেষক আছিল। তেওঁৰ শৰীৰৰ অৱস্থা লাহে লাহে বেয়াৰ ফালে ঢাল খাই আছিল। সূত্ৰাত্মক পদাৰ্থ বিদ্যাৰ গৱেষণাৰ কামত লিপ্ত হৈ থকাৰ কাৰণে শাৰীৰিক অসুস্থতাই তেওঁক অসুবিধাত পেলাব পৰা নাছিল। তেওঁৰ শাৰীৰিক অক্ষমতা আৰু বৈজ্ঞানিক খ্যাতি দুয়োটা সমানে আগবাঢ়িছিল।

১৯৬৭ চনত হকিঙৰ প্ৰথম পুত্ৰ ৰবাৰ্টৰ জন্ম হয়। সেই সময়ত বৈজ্ঞানিক গৱেষণাৰ ক্ষেত্ৰত তেওঁ এটা উচ্চ স্থান ল'বলৈ সক্ষম হৈছিল। ১৯৬৭ চনত হকিঙে 'Singularities and the Geometry of Spacetime' নামৰ প্ৰবন্ধ এটা লিখাৰ কাৰণে সন্মানজনক আডামছ্ বঁটা (Adam's Prize) লাভ কৰিছিল।

ষ্টিফেন হকিঙে সূত্ৰাত্মক জ্যোতিৰ্বিদ্যা ভাল পাইছিল। কাৰণ সেইটো টান আছিল আৰু মগজু খটাব লগীয়া হৈছিল। সূত্ৰাত্মক জ্যোতিৰ্বিদ্যা বা তাত্বিক জ্যোতিৰ্বিদ্যাৰ (Theoretical Astronomy) ভেটি আছিল গাণিতিক পদ্ধতিৰে উলিওৱা প্ৰতিষ্ঠিত সত্য। তেওঁ অঙ্ক কৰি, গাণিতিক পদ্ধতিৰে সূত্ৰাত্মক ব্ৰহ্মাণ্ডতত্বৰ বিষয়ে গৱেষণা চলাবলৈ ধৰিলে। যিহেতু হকিঙৰ শৰীৰৰ বাকীবোৰ অংগ অচল, কেৱল মাত্ৰ

দুটা আঙুলি লৰচৰ কৰাব পাৰে আৰু মগজটো সম্পূৰ্ণ সক্ৰিয় আৰু শক্তিমান, গতিকে তেওঁ আঙুলি দুটাৰে কম্পিউটাৰ চলায় আৰু বেছিভাগ জটিল অংক মনতে কৰে।

বাৰবেক কলেজৰ গণিত শাস্ত্ৰৰ অধ্যাপক ৰ'জাৰ পেনৰ'জৰ কৃষ্ণ গহ্বৰৰ (Black Hole)ৰ বিষয়ে জানি হকিঙে তেওঁৰ Ph. D. টো কৃষ্ণ গহ্বৰৰ ওপৰত কৰিছিল। আৰু Ph. D. ডিগ্ৰীৰ কাৰণে লিখা শেষ অধ্যায়টোৱে হকিঙক এজন বিখ্যাত বিজ্ঞানী বুলি স্বীকৃতি প্ৰদান কৰোৱালে।

হকিঙে ব্ৰহ্মাণ্ডতত্ত্বৰ বিষয়ে বিভিন্ন গৱেষণা কৰিছিল। ১৬৬৯ চনত হকিং আৰু পেনৰ'জ দুয়ো একেলগে গাণিতিকভাৱে প্ৰমাণিত কিছুমান সূত্ৰ উদ্ভাৱন কৰি ৰাজহুৱাভাৱে প্ৰকাশ কৰিলে যে, প্ৰকৃততেই বিশ্বব্ৰহ্মাণ্ডৰ জীৱন ইতিহাসত এটা মহা বিস্ফোৰণ ঘটিছিল। সেয়েই মহানাদ (Big Bang) প্ৰকৃতাৰ্থত আমি সাধাৰণতে বুজাৰ দৰে মহানাদৰ বিস্ফোৰণ একে ধৰণৰ নহয়। নক্ষত্ৰপুঞ্জবোৰ মহাকাশত উফৰি গৈ আছে বুলি বুজিলে আমাৰ ভুল হ'ব, আচলতে মহাকাশখনৰ প্ৰসাৰণ হৈছে আৰু প্ৰসাৰিত হোৱাৰ লগে লগে নক্ষত্ৰপুঞ্জবোৰ গৈ আছে। ১৯৭৮ চনত তেওঁ আৰু এটা আচৰিত আৱিস্কাৰ কৰিলে যে, কৃষ্ণ গহ্বৰবোৰ সম্পূৰ্ণৰূপে ক'লা নহয়। ১৯৭৩ চনত হকিঙে কৃষ্ণ গহ্বৰৰ গৱেষণাত আটাইতকৈ আগৰণুৱা বুলি পৰিগণিত হ'ল। তেওঁ কৃষ্ণ গহ্বৰৰ বিষয়ে কৈছিল যে— "ইয়াৰ মহাকৰ্ষীয় শক্তিৰ প্ৰাবল্য ইমান বেছি যে তাৰ পৰা একোৱে ওলাই আহিব নোৱাৰে, আনকি প্ৰতি চেকেণ্ডত তিনিলাখ কিলোমিটাৰ গতিবেগত ভ্ৰমণ কৰা পোহৰৰ ৰশ্মিও ওলাই আহিব নোৱাৰে, পোহৰৰ ৰশ্মিও কৃষ্ণ গহ্বৰৰ গাত পৰিলে ই গিলি থয়।" ১৯৮৩ চনত তেওঁ কৈছিল যে, পৃথিৱী গ্ৰহটোৰ উপৰিভাগ যেনেকৈ সীমাবদ্ধ, কিন্তু তাৰ কোনো সীমা বা দাঁতি নাই ঠিক তেনেকৈ স্থান কালৰো বিস্তৃতি সীমাবদ্ধ, কিন্তু তাৰ কোনো দাঁতি বা সীমা নাই। হকিঙে ৩২ বছৰ বয়সত বৃটেইনৰ ৰয়েল চ'চাইটিৰ ফেল' নিৰ্বাচিত হয়।

হকিঙে কেৱল গৱেষণা কৰাই নহয় বিজ্ঞান ভিত্তিক বিভিন্ন কিতাপো লিখিছে। তেওঁৰ কিতাপসমূহ হ'ল— "সময়ৰ চমু ইতিহাস" (A Brief History of Time From the Big Bang to Black Holes) "Black Holes and Baby Universes" (1993), "The Nature of Space and Time"(1996), "300 Years of Gravitation" (1987). তেওঁৰ জৰ্জ ইলিছৰ সৈতে যুটীয়াকৈ লিখা কিতাপখন হ'ল— "বৃহৎ স্কেলত স্থান কালৰ গঠন" (The Large Scale Structure of Space Time)। এই গ্ৰন্থসমূহৰ ভিতৰত হকিঙৰ আটাইতকৈ জনপ্ৰিয় কিতাপখন হ'ল— "সময়ৰ চমু ইতিহাস"। এই কিতাপখনে বিশ্বৰ ভিতৰতে বিজ্ঞান বিষয়ক গ্ৰন্থৰ ভিতৰত সৰ্বাধিক বিক্ৰীৰ তালিকাত থকা সকলো অভিলেখ ভংগ কৰি "গিনিজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডচ'ত ঠাই পাইছে। জ্যোতিৰ্বিদ্যা অথবা ব্ৰহ্মাণ্ডতত্ত্বৰ বিষয়ত লিখা জনপ্ৰিয় গ্ৰন্থ হিচাবেও ই শ্ৰেষ্ঠত্ব লাভ কৰিছে।

মহান ষ্টিফেন হকিঙে তেওঁৰ ব্যস্ততাপূৰ্ণ কৰ্ম জীৱনত বহুতো বঁটা পাইছে। ১৯৮৯ চনত তেওঁ ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ পৰা 'সন্মানীয় সংগী' (Companion of Honour) সন্মান পাইছিল। যিটো ইংৰাজ সকলৰ কাৰণে অতি গৌৰৱৰ কথা। আকৌ ১৯৮৯ চনতে তেওঁ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা অ'ন'ৰেৰী 'ডক্টৰ অৱ চায়েন্স' বঁটা লাভ কৰে। সেই একেটা বছৰতে তেওঁ স্পেইনৰ 'হাৰমনি এণ্ড ক'নকৰ্ড' (Harmony and Concord) বঁটা লাভ কৰে। তেওঁ আমেৰিকান একাডেমী অৱ আৰ্টচ এণ্ড চায়েন্স'ৰ বিদেশী সদস্য নিৰ্বাচিত হৈছিল। ১৯৭৬ চনত 'উইলিয়াম হপকিন্স বঁটা' পাইছিল। সেই একেটা বছৰতে তেওঁ 'মেক্সৱেল মেডেল' আৰু 'হিউজ মেডেল' পাইছিল। ১৯৭৮ চনত তেওঁ এলবাৰ্ট আইনষ্টাইন বঁটা পাইছিল। ১৯৮৫ চনতে হকিঙে 'ৰয়েল এষ্ট্ৰনমিকেল ছ'চাইটি'ৰ গল্ড মেডেল পাইছিল। ১৯৮৯ চনত ছানডে টাইমছৰ সাহিত্যৰ বিশেষ বঁটা লাভ কৰিছিল। ১৯৮৯ চনত ষ্টিফেন হকিঙে ব্ৰিটনিকা এৱাৰ্ড পাইছিল।

ষ্টিফেন উইলিয়াম হকিঙৰ কাৰ্য্যাৱলীয়ে আমাক মানুহৰ মনৰ শক্তি যে অসীম তাকে সোঁৱৰাই দিয়ে। তেওঁ মনৰ শক্তিৰ দ্বাৰা শাৰীৰিক অক্ষমতাৰ প্ৰৱল বাধা আঁতৰাই নিজ লক্ষ্যত উপনীত হৈছে। মনৰ শক্তি অসীম ই আৰু কৰিব নোৱাৰা কাম একো নাই, লাগে মাত্ৰ ধৈৰ্য্য আৰু ইচ্ছা। হকিঙে তেওঁৰ নিজ অনুভূতিৰে কৈছিল— "যেতিয়া তুমি আসন্ন মৃত্যুৰ সম্ভাৱনাত মুখামুখি হোৱা, তেতিয়াহে বুজিব পাৰিবা জীয়াই থকাৰ কিমান প্ৰয়োজন আৰু কিমান কাম তোমাৰ কৰিবলগীয়া আছে।" ("When you are faced with the possibility of an early death, its makes you realize that life is worth living and that there are lots of things you want to do." ■

# কাজী নজৰুল ইস্‌লামৰ জীৱন আৰু সাহিত্য

✦ আনন্দ ঘোষ
প্ৰৱক্তা, বাংলা বিভাগ

এক অসাধাৰণ আৰু অবিস্মৰণীয় ব্যক্তিত্বৰে সমুজ্বল কাজী নজৰুল ইস্‌লামৰ জন্ম হৈছিল ১৮৯৯ খ্ৰীষ্টাব্দৰ মে মাহৰ ২৪ তাৰিখে পশ্চিমবঙ্গৰ বৰ্ধমান জিলাৰ চুৰুলিয়া গাওঁত। তেওঁৰ বাল্যজীৱন অতিবাহিত হৈছে দৰিদ্ৰতাৰ মাজত। অৰ্থৰ অভাবত এই বিখ্যাত কবিজনে পঢ়াশুনাত বেছিদুৰ আগুৱাব নোৱাৰিলে। কিন্তু তথাপি তেওঁ বঙালী, আৰবী, আৰু ফাৰ্চি পাঠশালা আৰু মক্তাবত ভালদৰেই শিকিছিল। মাথোন তেৰ-চৈধ্য বছৰ বয়সত তেওঁ 'লেটো' সঙ্গীত দলত যোগদান কৰি এজন সুদক্ষ কবিৰূপত চিনাকি হ'ল। শৈশৱৰ পৰাই নজৰুল আছিল সঙ্গীতৰ অনুৰাগী আৰু ভাবুক প্ৰকৃতিৰ। তেওঁৰ কণ্ঠস্বৰও আছিল মধুৰ আৰু সংখ্যাত তেওঁ ৰবীন্দ্ৰনাথ ঠাকুৰতকৈ বেছি গান ৰচনা কৰিছিল। কেৱল সেয়ে নহয়, তেওঁৰ গানত সুৰ সংযোজনাও কৰিছিল তেওঁ নিজে। পাঁচ মিনিটৰ মাজতেই তেওঁ যিকোনো বিষয়ত গান ৰচনা কৰিব পাৰিছিল আৰু একে সময়তে সুৰও দিব পাৰিছিল। তেওঁ কবিতাও লিখিব পাৰিছিল যিকোনো বিষয়লৈ আৰু আবৃত্তিও কৰিছিল উদাত্তভাৱে।

জীৱিকা নিৰ্বাহৰ বাবে নজৰুল মাথোন সোতৰ-ওঠৰ বছৰ বয়সত (১৯১৬ খ্ৰীষ্টাব্দত) সেনাবাহিনীত যোগ দিব লগা হয়। সেই সময়ছোৱা আছিল প্ৰথম বিশ্বযুদ্ধৰ সময়। সৈনিকৰূপত তেওঁ কৰাচী, নওশেৰা, মেসোপটেমিয়া আদি ঠাই ভ্ৰমণ কৰিবলগা হৈছিল। যুদ্ধক্ষেত্ৰত থকা সময়তেই তেওঁ সাহিত্য সাধনা আৰম্ভ কৰিছিল। সেনা নিবাসত নজৰুলৰ লগত এজন পাঞ্জাৱী মৌলবীৰ চিনাকি হয় আৰু তেওঁৰ ওচৰতেই নজৰুলে ফাৰ্চি ভাষা শিকি বিখ্যাত ফাৰ্চি কাব্যগ্ৰন্থ 'দেওৱান-ই-হাফিজ' পঢ়ি শেষ কৰে। আৰু এই গ্ৰন্থখনেই নজৰুলক সাহিত্য-সাধনাত বিশেষভাৱে অনুপ্ৰাণিত কৰে। তেওঁ 'দেওৱান-ই-হাফিজ' -ৰ বহু কবিতা বঙালী ভাষাত অনুবাদ কৰি পাঠক সমাজত সমাদৰ লাভ কৰিছিল।

১৯১৯ চনত নজৰুল যুদ্ধক্ষেত্ৰৰ পৰা বঙলাদেশলৈ ওভতি আহি সাহিত্য সাধনাত একান্তভাৱে মনোনিবেশ কৰে। তেওঁ কেইখনমান পত্ৰিকাও সম্পাদনা কৰিছিল। এই পত্ৰিকাবিলাক হ'ল— 'নবযুগ' (১৯২০), 'ধূমকেতু' (১৯২২) আৰু 'নাঙল' (১৯২৫)। কিন্তু এই গোটেই কেইখন পত্ৰিকা বৃটিছ চৰকাৰে বন্ধ কৰি দিয়ে। 'ধূমকেতু' পত্ৰিকাত বৃটিছ বিদ্ৰোহজনক ৰচনা প্ৰকাশৰ বাবে নজৰুলক এক বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰা হয়। কমিউনিষ্ট নেতা স্বনামধন্য মুজফফৰ আহমেদৰ সহযোগত তেওঁ কৃষক আৰু শ্ৰমিকদল গঠন কৰিছিল। ইয়াৰ পাছত তেওঁ ৰাজনৈতিক কাৰ্য্যকলাপ ত্যাগ কৰি সম্পূৰ্ণৰূপে সাহিত্যসেৱাত আত্মনিয়োগ কৰে। 'মোসলেম ভাৰত' পত্ৰিকাত নজৰুলৰ বিখ্যাত কবিতা 'বিদ্ৰোহী' আৰু 'কামাল পাশা' কবিতা দুটা প্ৰকাশ পোৱাৰ পাছত তেওঁ চাৰিওফালে খ্যাতি লাভ কৰে। ১৯১৭ চনৰ পৰা ১৯৪২ চনলৈকে নজৰুলৰ সাহিত্য জীৱন। এই পঁচিশ বছৰ সময়ছোৱাত তেওঁ বহু সংখ্যক কবিতা আৰু গান ৰচনা কৰিছিল। ইয়াৰ বাহিৰেও তেওঁ কিছুমান গল্প, উপন্যাস, নাটক আৰু প্ৰবন্ধও ৰচনা কৰিছিল। তেওঁৰ কাব্য-গ্ৰন্থাৱলীৰ মাজত উল্লেখযোগ্য হ'ল— 'অগ্নিবীণা, বিষেৰবাশী, শিকল ভাঙাৰ গান, প্ৰলয়শিখা আদি। কিন্তু এইবিলাক কাব্য গ্ৰন্থ ৰচনা কৰাৰ বাবে নজৰুলক ছমাহ কাৰদণ্ড ভোগ কৰিবলগা হৈছিল।

কাজী নজৰুল ইস্‌লামৰ বাবে পৰাধীনতা আছিল এক অসহ্য যন্ত্ৰণা। কিন্তু পৰাধীনতা কেৱল বিদেশী শাসনত নাছিল। ধৰ্মৰ নামত ভণ্ডামিত, জাতিৰ নাম বজ্জাতিত— সবত্ৰ বিস্তাৰিত কবিৰ বিদ্ৰোহ এইবিলাকৰ বিৰুদ্ধে। নজৰুল যুগৰ প্ৰয়োজনত বিদ্ৰোহী কবি ৰূপে পৰিগণিত হৈছিল। বৃটিছ শাসকৰ ওপৰত আছিল তেওঁৰ অসম্ভৱ আক্ৰোশ। কাৰণ সাম্ৰাজ্যবাদী কৌশল আৰু অধিকাৰ ৰক্ষাৰ হীন চেষ্টাক তেওঁ ঘৃণা কৰিছিল; তেওঁ ঘৃণা কৰিছিল হিন্দু-মসলিম বিভেদ সৃষ্টিক। সেয়েহে কবি হিন্দু-মুছলিম সংঘাতৰ পৰিপ্ৰেক্ষিতত কৈছিল।

"যে লাঠিতে আজ টুটে গম্বুজ, পড়ে মন্দির চূড়া,

সেই লাঠি কালি প্ৰভাতে করিবে শত্রু দুর্গ গুড়া।
প্ৰভাতে হবেনা ভায়ে ভায়ে রণ,
চিনিবে শত্রু চিনিবে স্বজন।
করুক কলহ-জেগেছে তো তবু- বিজয় কেতন উড়া!
ল্যাজ তোর যদি লেগেছে আগুণ, স্বর্ণ লঙ্কা পুড়া!"

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিবলৈ হ'লে প্ৰথমতে বিভিন্ন জাতিৰ মাজত ঐক্য স্থাপন কৰিব লাগিব। সেয়েহে যেতিয়া ইংৰাজসকল ভাৰতবাসীৰ মাজত হিন্দু-মুসলিম বিভেদ সৃষ্টি কৰাৰ প্ৰয়াস কৰিছিল তেতিয়া নজৰুলে ভাৰতবাসীক মৰমী কণ্ঠত স্মৰণ কৰাইছিল—

'মোরা একই বৃন্তে দুটি কুসুম
হিন্দু মুসলমান।'

নাইবা

'অসহায় জাতি মরিছে ডুবিয়া জানেনা সন্তরণ!
কাণ্ডারী! আজ দেখিব তোমার মাতৃ মক্তিপণ!
হিন্দু -না ওরা মুসলিম? ওই জিজ্ঞাসে কোন জন?"

নজৰুল বিখ্যাত হৈছিল তেওঁৰ 'বিদ্ৰোহী' কবিতাৰ জৰিয়তে। এই কবিতাটোৰেই গোটেই বাংলাদেশত জাগৰণ আনিছিল। এই কবিতাত আমি শুনিবলৈ পাইছিলো সৰ্বহাৰা মানুহৰ মহিমা আৰু নিজৰ অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে সৰ্বশক্তিমান বিশ্ববিধাতাৰ বিৰুদ্ধে সংগ্ৰাম—

'আমি চির বিদ্রোহী বীর
আমি বিশ্ব ছড়ায়ে উঠিয়াছি একা চির উন্নত শির।'

বহাগ মাহৰ প্ৰৱল ধুমুহাৰ নিচিনাই এই 'বিদ্ৰোহী' কবিৰ অৰিৰ্ভাব। আৰু প্ৰথম আৰিৰ্ভাৱতেই জনসাধাৰণৰ মনত প্ৰৱল আন্দোলন জগাই তুলিবলৈ সক্ষম হৈছিল—

'তোরা সব জয়ধ্বনি কর
ঐ নূতনের কেতন ওড়ে কালবোশেয়ীর ঝড়।'

১৯৪২ খ্ৰীষ্টাব্দত এই মহান কবিৰ সাহিত্য জীৱনৰ সমাপ্তি ঘটে। ইয়াৰ পিছত তেওঁ বহুদিন বেমাৰত ভুগিছিল আৰু ১৯৭৬ চনত তেওঁৰ মহাপ্ৰয়াণ ঘটে। ■

## মহৎলোকৰ বাণী

| | | |
|---|---|---|
| "মই মোৰ নিজৰ বাহিৰে আন কোনো ভয়াবহ দৈত্য দেখা নাই।" | - | মৰ্ন্টেইন। |
| "যেতিয়া সকলো হেৰাই যায়, তেতিয়াও ভৱিষ্যত থাকে।" | - | বফুট ছট্। |
| "নিজকে অভদ্ৰ বুলি পৰিচয় নিদিয়ালৈকে তুমি সকলোকে ভদ্ৰ বুলি ভাবিবা | - | মহাত্মা গান্ধী। |
| "মানৱতকৈ স্বৰ্গীয় বস্তু এই সংহাৰত আন একো হ'ব নোৱাৰে।" | - | ডব্লিউ, এছ, লণ্ডৰ। |
| "স্বাৰ্থ ৰক্ষাৰ বাবে কাৰো পৰা দান নিবিচাৰিবা।" | - | শংকৰদেৱ। |
| "পাৰিম বুলি বিশ্বাস কৰে তেঁৱেই জয়লাভ কৰিব পাৰে।" | - | ভাৰ্জিল। |
| "মৃত্যু জীৱনকৈ জীৱিত মৃত্যু বেছি শ্ৰেয়" | - | ৰুছো। |
| "কোনোৱে তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় লোৱা।" | - | বুদ্ধদেৱ |

*সংগ্ৰাহকঃ* খাইৰুল ইছলাম
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ

# প্ৰেমৰ অনুভৱ

✦ ৰকিব উল হাছান
উঃ মাঃ ২য় বৰ্ষ

প্ৰেম শব্দটো শুনা মাত্ৰেই প্ৰায় সচৰাচৰ আমাৰ চকুলৈ ভাহি আহে এহাল যুৱক- যুৱতী। মনত এক অজান শিহৰণ জাগে। তেতিয়া প্ৰশ্ন আহে, প্ৰেম কি?

প্ৰেম, যাক ইংৰাজীত "Love" বুলি কয়। এই ইংৰাজী শব্দটোৰ নামকৰণ মন কৰিবলগীয়া। এজন বিখ্যাত ইংৰাজ লেখকে ইয়াৰ অৰ্থ সুন্দৰভাৱে ব্যাখ্যা কৰিছে। ইয়াৰ প্ৰত্যেকটো আখৰতে গভীৰ অৰ্থ সোমাই আছে।

লিখকজনৰ ভাষাৰে L হ'ল Life of youth (যৌৱনৰ প্ৰকাশ), O হ'ল Ocean of tears (অশ্ৰুৰ সাগৰ অৰ্থাৎ দুখৰ প্ৰতীক), V হ'ল Valley of death (মৃত্যুৰ উপত্যকা), E হ'ল Indicates the end of life (জীৱনৰ সমাপ্তি)। এতিয়া বুজিলে নহয়, প্ৰেম ওৰফে লাভৰ অৰ্থ। এই বস্তুটোৱে বিভিন্ন জনৰ লগত বিভিন্ন ধৰণে প্ৰতিক্ৰিয়া কৰে। ইয়েই মানুহক স্বৰ্গীয় সুখ দিয়ে, মৃত্যুৰ মুখলৈ ঠেলি দিয়ে আৰু ইয়েই জগতত বহুতো মূল্যবান বস্তু সৃষ্টিত সহায় কৰে।

ইটালীৰ বিখ্যাত কবি ডান্টেৰ প্ৰতি এবাৰ লক্ষ্য কৰকচোন। তেওঁ বিয়েট্ৰিচ্ছক জীৱনত মাত্ৰ দুবাৰহে দেখিছিল। কিন্তু তেওঁ বিয়েট্ৰিচ্ছৰ লগত এবাৰ কথাও ক'ব পৰা নাছিল, তথাপিও তেওঁ বিয়েট্ৰিচ্ছৰ গভীৰ প্ৰেমত পৰিছিল। তেওঁ প্ৰেমৰ নিদৰ্শন ৰূপে জগতক দি গ'ল পৃথিবীৰ মহান কাব্য "ডিভাইন কমেদি" (Devine Comedi) প্ৰেমে মানুহৰ হিতাহিত জ্ঞান নাইকিয়া কৰে।

আশ্ৰম কন্যা শকুন্তলাৰ কথাকে কওঁ। চিকাৰী ৰজা দুষ্মন্তই শকুন্তলাৰ প্ৰেমত পৰে। ৰজা দুষ্মন্তই প্ৰেমৰ চিন স্বৰূপে আঙুঠিটো উপহাৰ দি যায়। শকুন্তলা দুষ্মন্তৰ চিন্তাত ব্যাকুল। তাই ভাবি ভাবি এজোপা গছৰ তলত বহি পৰিল। থাকিবৰ কথাও; যিহেতু প্ৰেম স্বৰ্গীয় বস্তু (Love is divine)। এনেতে, সেই সময়ত ঋষি দুৰ্বাশা আহি আশ্ৰমত উপস্থিত। তেওঁ কেইবাবাৰো মাতি শকুন্তলাৰ মাত নাপালে। কাৰণ শকুন্তলা তেতিয়া দুষ্মন্তৰ ধ্যানত মগ্ন। পাৰ্থিৱ বস্তুৰ প্ৰতি তাইৰ অলপো কানযাৰ নাই, ফলত তাই পালে ভীষণ অভিশাপ- যি অভিশাপৰ কাৰণে প্ৰেমৰ দেৱতা দুষ্মন্তই পাহৰি পেলালে শকুন্তলাৰ প্ৰেম। ভাগ্য ভাল যে আজি সেই "ৰামো নাই অযোধ্যাও নাই"। তাৰ মানে আজি কালি অভিশাপ শব্দটো উঠি গৈছে।

আজিৰ প্ৰেম ৰকেটৰ দৰে গতিশীল। নিভাজ নহয়, ভেজাল। আজিৰ যুগত এনে বহুত ছোৱালী আছে, তেওঁলোকে মাত্ৰ প্ৰেমৰ অভিনয়হে কৰে। তেওঁলোকে একোখন চিঠিকে কেইবাখনো ক'পি কৰি কেইবাজন প্ৰেমাতুৰক শান্ত কৰে। আনহাতে ল'ৰাবোৰতো কম নহয়। কিছুমান ল'ৰায়ো ধুৰন্ধৰ অভিনয় নকৰা নহয়। তেওঁলোকে একোটা কথাকে, যেনে- তোমাক মই ভাল পাওঁ, তুমিয়ে মোৰ প্ৰথম ফুল, তোমাক নাপালে মই লুইতত জাঁপ দিম; সূৰ্য্য-চন্দ্ৰ মাটিত পৰিলেও তোমাক পাহৰিব নোৱাৰো— এইটো যেন সোঁচৰা ৰীতি।

অ' এটা কথা পাহৰিয়ে আছো নহয়। কথাতে কয় নহয় Love is blind (প্ৰেম অন্ধ), ই কোনো জাতি-কুল, ধনী-দুখীয়াৰ ভেদ নামানে। নিজৰ মনৰ আবেগ, ভালপোৱা আনজনত নিবিষ্ট হোৱাকে ভালপোৱা বোলে। আমাৰ প্ৰেম যেনেকৈ অন্ধ ঠিক তেনেদৰে সমাজৰ ৰীতি-নীতিও অন্ধ। গতিকে দুয়ো দুই ফালে গতি কৰে। ফলত সমাজে ইয়াত বিধি পথালি দিয়ে। উদাহৰণ স্বৰূপে জংকি আৰু পানেইৰ প্ৰেমৰ কথা উল্লেখ কৰিব পাৰো।

আহকচোন আৰু এটা প্ৰেমৰ সৰু ডাল এইফালে আহিছে। ধৰি লওঁক আপুনি এজনী ছোৱালীক কেইবাদিনো দেখিছে, বেছ ধুনীয়া চেহেৰা, খোজত মুকুতা, লাহে লাহে তাইক ভাল পাব ধৰিলে আৰু শেষত আপোনাৰ টোপনিত, চিন্তাত, কিতাপৰ মাজত, চকু মেলিলেই সেই একেজনী ছোৱালীয়ে আমনি কৰিছে। আনফালে কিন্তু তাইক আপুনি এবাৰ কথাও কোৱা নাই। তেতিয়া আপুনি কি কৰিব? কবিতাৰ পিছত কবিতা লানি নিছিগা, বুজিব নোৱাৰা ভাষাৰ কবিতা, কিন্তু তাৰ আগতে ভাবি চোৱা নাই যে, সেইজনী কাৰোবাৰ লগত আৱদ্ধ তেনেহ'লে দোষ কাৰ? আপুনিতো নহয়! দোষ প্ৰেমৰহে।

আনহাতে আপুনিও সেইজনীকে ভাল পায়, তাইও আপোনাক ভাল পায়। আপোনাৰ মতে সেইজনীৰ বাহিৰে আন কাৰো অস্তিত্ব নিবিচাৰে আৰু ছোৱালীৰ মতেও সেই একেই কথা। কিন্তু ছোৱালীৰ

মাক-দেউতাকে আন ঠাইত সুন্দৰ সুঠাম ভাল চাকৰিয়াল, বেছি দৰমহাতকৈ বাহিৰা Income থকা ব্যক্তিক বিয়া দিলে। ছোৱালীজনীও মাৰুতি কাৰত উঠিব পাই বা দামী লিপ্‌ষ্টিক, চেণ্ট আদি লগোৱাৰ হেঁপাহত আপোনাৰ স্বৰ্গীয় প্ৰেমক সিমানতে বিদায় দিলে। আপুনিও ভদ্ৰতাৰ খাতিৰত Protest নকৰিলে। তেতিয়া আপুনি শুকাই খীনাই চিন্তাশীল হৈ পৰিব।

বিশ্ব ইতিহাসত বিচাৰিলেও প্ৰেমৰ বহুত কথাই ওলাব। ৰূপহী হেলনৰ প্ৰেমৰ কাৰণে ট্ৰয় নগৰ ধ্বংস হৈছিল। তিলোত্তমাৰ অপৰূপ সৌন্দৰ্য্যত মুগ্ধ হৈ সন্দ আৰু উপসুন্দৰ মৃত্যু হৈছিল। ফৰহাদে প্ৰেমৰ কাৰণে পাহাৰ কাটি নদী বনাইছিল। আমাৰ অসমৰে অম্বিকাগিৰি ৰায় চৌধুৰীদেৱে প্ৰেমৰ কাৰণে নিজৰ হাতৰ সৰু আঙুলিটো কাটি ইন্দুমতিক উপহাৰ দিছিল।

প্ৰেমৰ বিষয়ে আৰু দুটামান কথা কৈ সামৰণি মাৰিম। প্ৰেম এটা বিশাল বস্তু, ইয়াৰ আন এটা শাখা অলপ বেলেগ ফালে গৈছে। যেনে- দেশ প্ৰেম, ভাতৃ প্ৰেম, পতি প্ৰেম, ঈশ্বৰ প্ৰেম, সঙ্গীত প্ৰেম ইত্যাদি। এইবিলাক প্ৰেমৰ ভক্তৰ অভাৱ নাই। দেশপ্ৰেমী লাচিত বৰফুকন, মহাত্মা গান্ধী, কনকলতা, মাণিৰাম দেৱান আদি বহুতো দেশপ্ৰেমীৰ কথা উল্লেখ কৰিব পাৰি।

ঈশ্বৰ প্ৰেমৰ কথা ক'বলৈ গ'লে আমি শংকৰদেৱ, মাধৱদেৱ, হজৰত মহম্মদ, ৰামকৃষ্ণ আদি মহাপুৰুষসকলৰ কথা ক'ব লাগিব। তেওঁলোকে নিজকে ঈশ্বৰ প্ৰেমত বুৰাই ৰাখিছিল। ভাতৃ প্ৰেমৰ নিদৰ্শনৰূপে শ্ৰীৰাম, ভৰত আৰু লক্ষ্মণৰ মাজত বিচাৰি পাওঁ।

ইয়াৰ বাহিৰেও বিচাৰিলে বহুত কথাই ওলাব। আজিলৈ ইমানতে এৰিলো। ■



## কৌতুক

পৰিয়াল পৰিকল্পনা বিভাগৰ কৰ্মচাৰী এজন গাওঁলৈ গৈ গাওঁৰ মানুহক পৰিয়াল পৰিকল্পনাৰ বিষয়ে বুজাই আছিল। হঠাৎ এজন মানুহে সুধিলে – 'আপোনাৰ ল'ৰা ছোৱালী কেইটা?

কৰ্মচাৰীজনে ক'লে : ল'ৰা চাৰিটা, ছোৱালী ছয়জনী।

মানুহজনে ক'লে : আপোনাৰ নিজৰেই ল'ৰা-ছোৱালী যেতিয়া দহজন আপুনি আকৌ পৰিয়াল পৰিকল্পনাৰ বিষয়ে কি প্ৰচাৰ কৰিব?

কৰ্মচাৰীজনে শান্তভাৱে ক'লে : মই পৰিয়াল পৰিকল্পনাৰ বিভাগলৈ অহাৰ আগতে ডেভলেপমেণ্ট বিভাগত কাম কৰিছিলো।

*সংগ্ৰাহকঃ খাইৰুল ইছলাম*
উচ্চতৰ মাধ্যমিক ১ ম বৰ্ষ



# এভাৰেষ্ট অভিযান

✦ পূৰবী দাস
স্নাতক ২ য় বৰ্ষ

মানুহৰ মনৰ ভিতৰত নিজক অমৰ কৰাৰ বাসনা আছে। কোনোও নিবিচাৰে মৃত্যুৰ লগে লগে তেওঁৰ কথা সমাজে পাহৰি যাওঁক, বৰং তেওঁ বিচাৰে যে তেওঁৰ নাম যেন ভৱিষ্যত যুগৰ মানুহৰ মুখে মুখে হওঁক। ইয়াৰ বাহিৰেও মানুহৰ আছে দুৰ্জয়ক জয় কৰিবৰ অদম্য স্পৃহা, নজনাক জানিবৰ হেপাঁহ, সৃষ্টিৰ ৰহস্য ভেদ কৰাৰ কৌতুহল। মানৱ অন্তৰৰ এই ভাৱবিলাকেই মানুহক আফ্ৰিকা মহাদেশৰ হিংস্ৰ জন্তু পৰিপূৰ্ণ ঘোৰ অৰণ্যলৈ টানি নিয়ে, চিৰ তুষাৰৰ দেশ উত্তৰ মেৰু আৰু দক্ষিণ মেৰুত বিজয়ধ্বজা পুতিবলৈ উদগায়। গগন স্পৰ্শী পৰ্বতমালাৰ উচ্চ শিখৰত ভৰি দিবলৈ শক্তি যোগায়। আনকি "ৰকেট"ত সোমাই মহাশূন্যত যাত্ৰা কৰিবলৈকো উত্‍ৰাৱল কৰে। এই অদম্য কৌতুহলৰ বাবেই যোৱা আধা শতিকাৰো অধিক কাল জুৰি পৃথিৱীৰ নানা দেশৰ দলে দলে পুৰুষ নাৰী আহি পৃথিৱীৰ সৰ্ব্বোচ্চ শৃংগ এভাৰেষ্টৰ মূৰত পদক্ষেপ কৰিবলৈ চেষ্টা কৰি আহিছে।

ভাৰতৰ উত্তৰফালে জুৰি আছে গিৰিৰাজ হিমালয়। চীন আৰু ভাৰত জুৰি আঢ়েশ মাইল বহল হিমালয়। চিৰ তুষাৰাবৃত ধ্যানমৌনী হিমালয়ে গাম্ভীৰ্য্যৰ মহিমাময় মূৰ্তিৰে যুগে যুগে ভাৰতীয় কল্পনাত উচ্চ আসন পাই আহিছে। নানা বৰ্ণনাই হিমালয়ৰ তুষাৰধৱল সৌন্দৰ্য্যৰ কীৰ্ত্তন কৰিছে তাৰ সীমা নাই। হিমালয়ে ভাৰতৰ প্ৰহৰীৰূপে উত্তৰফালে চিৰ জাগ্ৰত।

এভাৰেষ্ট হৈছে পৃথিৱীৰ ভিতৰত আটাইতকৈ ওখ শৃংগ। ১৮৪১ খ্ৰীষ্টাব্দতে এভাৰেষ্ট শৃংগ অৱিস্কাৰ হয়। কিন্তু এই শৃংগৰ উচ্চতা ১৮৫২ খ্ৰীষ্টাব্দতহে নিৰ্ণয় হয়। সেই সময়ৰ ভাৰত চৰকাৰৰ 'চাৰ্ভয়ৰ জেনেৰেল' চাৰ জৰ্জ এভাৰেষ্টৰ নাম অনুসাৰে শৃংগটোৰ নাম দিয়া হয় এভাৰেষ্ট। এভাৰেষ্টৰ উচ্চতা ২৯ হাজাৰ দুফুট।

মানুহৰ এভাৰেষ্টৰ উচ্চ শিখৰত পদাঘাত কৰিবলৈ অদম্য হেঁপাহ। এভাৰেষ্টৰ উচ্চ চূড়াই বিভিন্ন মহাদেশৰ আৰোহীক হাত বাউল দি মাতে। এভাৰেষ্টত উঠি যোৱাটো কেনে দুঃসাধ্য আৰু কষ্টকৰ ওপৰে ওপৰে চালে বুজা টান। শামুকৰ দৰে পৰ্বত বগাব লাগে। তাত কোনো প্ৰাণীৰ চিন নাই, নাই গছ-গছনি, নাই মানুহ থকা সেউজীয়া পৃথিৱীৰ চিন। চাৰিওফালে বৰফেৰে আবৃতা এখন শুকুলা ৰাজ্য।

যিমানেই ওপৰলৈ উঠা যায় সিমানেই উঠা দুঃসাধ্য হৈ পৰে। বৰফৰ মাজত কৰবাত আছে দ গাত, কৰবাত আছে ফাঁক। গতিকে কৰবাত কেনেবাকৈ ইফাল সিফাল হ'লেই হেজাৰ ফুট তলৰ গহ্বৰত নিচিহ্ন হৈ যাব লাগে। বৰফৰ কণিকাই বেজীৰ দৰে বিন্ধে। এইবিলাক নানা বাধা বিঘিনি অতিক্ৰম কৰি যাবলৈ চেষ্টা কৰোতে ক'তই প্ৰাণ হেৰুৱাইছে তথাপি মানুহৰ আশা জয় পৰা নাই। ১৯২০ খ্ৰীষ্টাব্দলৈকে এভাৰেষ্ট শৃংগ আৰোহণৰ যিবিলাক চেষ্টা চলিছিল, সেই সকলোবোৰ নগণ্য। ১৯২১ খ্ৰীষ্টাব্দত এদল বৃটিশ অভিযাত্ৰীয়ে হাৱাৰ্ড বেৰিৰ নেতৃত্বত অভিযান চলায়। দলটোৱে ২৩,০০০ ফুট ওপৰলৈ উঠি নামি আহে। ১৯২২ চনত ব্ৰিগেডিয়াৰ জেনেৰেল ব্ৰুচৰ নেতৃত্বত দ্বিতীয় অভিযান চলে। এই দলটো ২৭,৩০০ ফুট ওপৰলৈ উঠিবলৈ সমৰ্থ হয়। তাৰ পিছৰ বছৰত সুদক্ষ পৰ্বত আৰোহী আৰভিন, মেলোৰি আদিয়ে অভিযান চলায়। তেওঁলোকে ২৮,১০০ ফুট পাইছিলগৈ। ১৯২৪ খ্ৰীষ্টাব্দৰ ৮ জুন তাৰিখে উদ্যম আৰু সাহসৰ প্ৰতিমূৰ্তি এই দুৰ্জয় বীৰ এভাৰেষ্টৰ দুৰ্গম পথত আগবাঢ়িল। তেওঁলোকে ওপৰলৈ উঠা সংগী ওডেলে দূৰবীক্ষণেৰে চাই আছিল। কেইশ ফুটমান উঠিলেই তেওঁলোকে এভাৰেষ্টৰ উচ্চ চূড়াত ভৰি দিব পাৰিলেহেতেন। কিন্তু হঠাতে বৰফৰ ধুমুহাত তেওঁলোক লুকাই পৰিল। তেওঁলোক আৰু ঘূৰি নাহিল।

১৯৩৩ চনত এদল বৃটিশ অভিযাত্ৰীয়ে ২৮,১০০ ফুট উঠি ঘূৰি আহিব লগা হ'ল। তেওঁলোকে বাটত মেলোৰিহঁতৰ তম্বুৰ চিন আৰু বৰফ কটা কুঠাৰ আদি দেখিছিল।

এইদৰে ১৯২১ চনৰ পৰা ১৯৩৩ চনলৈকে ন বাৰ বৃটিশ অভিযাত্ৰী দলে এভাৰেষ্ট আৰোহণত ব্যৰ্থ হৈছিল।

১৯৫২ চনত চুইজাৰলেণ্ডৰ এদল অভিযাত্ৰীয়ে এভাৰেষ্ট অভিযান কৰি ২৮,২১৫ ফুট উঠে। এই দলৰ লেম্বাৰ্ট নামে অভিযানকাৰীয়ে টেনজিং চেৰপাৰ সৈতে ২৮,২১৫ ফুট ওপৰলৈ উঠে। এই অভিযান ব্যৰ্থ হোৱাত সকলোৱে এভাৰেষ্ট অজেয় বুলি ধৰি ললে। এভাৰেষ্ট জয়ৰ একাংশ অভিযান পৰিচালনা কৰে কৰ্ণেল হাণ্টে। বৃটিশ ৰয়েল জিওগ্ৰাফিকেল চছাইটি আৰু চুইচ আল্পাইন ক্লাবৰ উদ্যোগত গঠিত দলটোৱে ২৭,০০০ ফুট ওপৰলৈ উঠি নামি আহে। ইয়াৰ কেইদিনমান পিছত টেনজিং চেৰপা আৰু এডমণ্ড হিলাৰীয়ে ২৯মে তাৰিখে এভাৰেষ্টৰ উচ্চ শিখৰত পোন প্ৰথমে মানৱৰ চৰণ চিহ্ন অংকিত কৰি দিয়ে। মানুহৰ মৃত্যুঞ্জয়ী আশা, দুঃসাহস, সহিষ্ণুতা আৰু অদম্য ইচ্ছা শক্তিৰ আগত চিৰ ৰহস্যাবৃত এভাৰেষ্টে মূৰ দোৱালে।

এভাৰেষ্ট বিজয়ী এই দুই সাহসী পুৰুষে সমগ্ৰ পৃথিৱীৰ সন্মান লাভ কৰিছে। গৌৰৱ আৰু আনন্দৰ কথা যে, এভাৰেষ্ট বিজয়ী টেনজিঙৰ জন্মভূমি নেপাল হ'লেও তেওঁ ভাৰতৰ অধিবাসী আৰু ভাৰতীয়ৰূপে এই সন্মান লাভ কৰিছে। এভাৰেষ্ট বিজয়ী মানুহৰ দুঃসাহসৰ জলন্ত নিদৰ্শন। ■

# ন'বেল বঁটা

✦ মহন্ত দাস
স্নাতক ২য় বৰ্ষ

ইউৰোপ মহাদেশৰ এখন দেশৰ নাম চুইডেন। স্কাণ্ডিনেভিয়া উপদ্বীপৰ ই এখন অতি গুৰুত্বপূৰ্ণ দেশ। দেশখনৰ মাটিকালি প্ৰায় ৪,৪৯,৯৬৪ বৰ্গ কিলোমিটাৰ। ইং ১৯৯৫ চনৰ পিয়ল অনুসৰি চুইডেনৰ জনসংখ্যা হ'ল ৮৮,২০,০০০ জন। বাৰ্ষিক জনসংখ্যা বৃদ্ধিৰ হাৰ ০.৩ শতাংশ। দেশখনৰ ৯৯ শতাংশ লোকেই শিক্ষিত। চুইডেনৰ ৰাজধানী ষ্টকহ'ম এখন অতি বিতোপন নগৰ। দেশখনৰ নাগৰিকসকলৰ মাতৃভাষা চুইডিচ আৰু ধৰ্ম খ্ৰীষ্টান।

ইং ১৮৩৩ চনত চুইডেনত আলফ্ৰেড বাৰ্ণহাৰ্ড ন'বেল নামৰ এজন লোকৰ জন্ম হৈছিল। ৰাসায়নবিদ আৰু অভিযন্তা হিচাপে কৰ্মজীৱনৰ পাতনি মেলা আলফ্ৰেড বাৰ্ণহাৰ্ড ন'বেল ডিনামাইট আৰু আন বহুতো বিস্ফোৰক পদাৰ্থ আবিস্কাৰ কৰি জগৎ বিখ্যাত হৈছিল।

ডিনামাইট আবিস্কাৰৰ জৰিয়তে আলফ্ৰেড বাৰ্ণহাৰ্ড ন'বেল বিশ্ব-বিশ্ৰুত হোৱাৰ লগতে প্ৰচুৰ সম্পত্তিও অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ইং ১৮৯৬ চনত ৬৩ বছৰ বয়সত পৰলোক গমন কৰা বিজ্ঞানী ন'বেলে জীৱনৰ বিয়লিবেলাত অষ্ট্ৰেলিয়াৰ মানৱতাবাদী মহীয়সী নাৰী এগৰাকীৰ সান্নিধ্য লাভ কৰিছিল। তেওঁৰ বিপুল সম্পত্তি ভোগ কৰিবলৈ কোনো উত্তৰাধিকাৰী নথকা হেতুকে ন'বেলে সেই মহীয়সী নাৰীগৰাকীৰ পৰামৰ্শ অনুসৰি নিজৰ সকলো ধন সম্পত্তি বিশ্ব-মানৱতাৰ কল্যাণৰ হ'কৈ ব্যয় কৰিবলৈ মৃত্যুৰ আগেয়ে উইল কৰি থৈ গৈছে।

ন'বেলে প্ৰস্তুত কৰি থৈ যোৱা উইল বা ইচ্ছাপত্ৰ অনুসৰি চুইডিচ অকাডেমি অফ চাইঞ্চে ন'বেলৰ ধন-সম্পত্তিৰ সুতৰ টকাৰে বিশ্ব-মানৱৰ কল্যাণৰ বাবে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, চিকিৎসা বিজ্ঞান, সাহিত্য আৰু বিশ্বশান্তিৰ বাবে বিশিষ্ট সেৱা আগবঢ়োৱা ব্যক্তিক (দেশ, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে) আলফ্ৰেড ন'বেলৰ নাম অনুসৰি ন'বেল বঁটা প্ৰদানৰ ব্যৱস্থা কৰিছে। ইং ১৯০১ চনৰ পৰাই চুইডিচ অকাডেমি অফ্ চাইঞ্চে প্ৰতিবছৰে বিশ্বৰ বিভিন্ন দেশৰ বিভিন্ন ব্যক্তিক উল্লেখিত ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে ন'বেল বঁটা প্ৰদানেৰে সন্মানিত কৰি আহিছে। ইং ১৯৬৭ চনৰ পৰা অৰ্থবিজ্ঞানতো ন'বেল বঁটা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

প্ৰতি বছৰে ডিচেম্বৰ মাহৰ ১০ তাৰিখে চুইডেনৰ ৰাজধানী ষ্টকহ'মত আলফ্ৰেড বাৰ্ণহাৰ্ড ন'বেলৰ মৃত্যু দিৱস উপলক্ষে এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰি চুইডিচ অকাডেমী অফ চাইঞ্চে বিজয়ী ব্যক্তিক ন'বেল বঁটা প্ৰদান কৰে। বৰ্তমান বিশ্বত ন'বেল বঁটাকে সৰ্বশ্ৰেষ্ঠ বঁটা হিচাপে গণ্য কৰা হয়। এই বঁটা মাথো জীৱিত ব্যক্তিকহে প্ৰদান কৰা হয়। ন'বেল বঁটা বিজয়ী সকলক গাইপতি ১.২ নিযুত ডলাৰকৈ নগদ ধন এখন প্ৰশস্তি পত্ৰ আৰু এটা সোণৰ পদক প্ৰদান কৰা হয়। অকাডেমীয়ে যোগ্য বিবেচনা কৰা একাধিক ব্যক্তিকো একেটা বিষয়ত বঁটা প্ৰদান কৰে যদিও একেটা বিষয়ত তিনিজনতকৈ অধিক ব্যক্তিক বঁটা প্ৰদান কৰাৰ নিয়ম নাই।

আমাৰ ভাৰতৰো কেইজনমান সুসন্তানে ন'বেল বঁটা লাভ কৰি দেশলৈ সুনাম কঢ়িয়াই আনিছে। অৱশ্যে ভাৰতীয় ন'বেল বঁটা বিজয়ীসকলক একেশাৰীত নাৰাখি তিনিভাগত ভাগ কৰিব পাৰি। ১) ভাৰতত জন্ম গ্ৰহণ কৰি মনে প্ৰাণে (বিদেশত থাকিও) ভাৰতীয় হৈ থকা ব্যক্তি। এই শ্ৰেণীৰ ন'বেল বঁটা বিজয়ী সকল হ'ল বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰ (সাহিত্য), অধ্যাপক চন্দ্ৰশেখৰ ভেঙ্কটৰমণ (পদাৰ্থ বিজ্ঞান), ড° অমৰ্ত্য সেন (অৰ্থ বিজ্ঞান)

২) জন্মসূত্ৰে ভাৰতীয় কিন্তু বিদেশৰ নাগৰিকত্ব গ্ৰহণ কৰা ব্যক্তি। এই শ্ৰেণীৰ ন'বেল বিজয়ী ভাৰতীয় দুগৰাকী অধ্যাপক এছ. চন্দ্ৰশেখৰ (পদাৰ্থ বিজ্ঞান) আৰু ড° হৰগোবিন্দ খুৰাণা (চিকিৎসা বিজ্ঞান)।

৩) জন্মসূত্ৰে বিদেশী হৈও ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰা ব্যক্তি। এই শ্ৰেণীৰ ন'বেল বঁটা বিজয়ী ভাৰতীয় গৰাকী হ'ল মাদাৰ টেৰেচা। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ যুগোশ্লোভিয়াত জন্ম গ্ৰহণ কৰা মাদাৰ টেৰেচাৰ আচল নাম আগ্নেচ গোনাক্সা বাজাক্সিও।

চুইডিচ অকাডেমী অফ চাইঞ্চে বিজ্ঞানী আলফ্ৰেড ন'বেলৰ স্মৃতিত আগবঢ়োৱা ন'বেল বঁটাৰ নগদ ধনৰ পৰিমাণ ভাৰতীয় মুদ্ৰাত ৩.৫ কোটি টকা।

# অপসংস্কৃতি

✦ সাৰিফুল হাচান
উঃ মাঃ ২য় বৰ্ষ

আমাৰ দেশখনক অপসংস্কৃতিৰ বিষবাষ্পই ক্ৰমান্বয়ে গ্ৰাস কৰি আহিব ধৰিছে। এই অগ্ৰাসনমুখী অপসংস্কৃতিৰ চৰম বলি হৈছে বিশেষভাৱে ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীসকল। আজি দেশৰ এচাম অভিভাৱকেও প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে এই অপসংস্কৃতিৰ আগ্ৰাসন বৃদ্ধি হোৱাত ইন্ধন যোগাইছে। আজিৰ এচাম অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালীক অসমীয়া মাধ্যমৰ স্কুলত পঢ়ুৱাবলৈ লজ্জাবোধ কৰে। তেওঁলোকে নিশ্চয় ভাৱে যে এতিয়া আৰু অসমীয়া ভাষা শিক্ষাৰ কোনো প্ৰয়োজন নাই। এই বিয়োগাত্মক ধাৰণাৰ পৰা আনকি দেশৰ আগশাৰীৰ নাগৰিক বুলি বিবেচিত হোৱা বুদ্ধিজীৱীও সাৰি যাব পৰা নাই।

আজিৰ এচাম তৰুণ প্ৰজন্মই মাইকেল জেক্‌চনৰ নাম জানে কিন্তু যদি তেওঁলোকক সোধা হয় জ্যোতি প্ৰসাদ কোন? বিষ্ণুৰাভা কোন আছিল? ৰাভা সংগীত কি? জ্যোতি সংগীত কি? তেওঁলোকে কব নোৱাৰে। এনে প্ৰমাণ বহুতো সময়ত পোৱা গৈছে। ইয়াৰ কাৰণ হ'ল নিজৰ সংস্কৃতিক তুচ্ছ বুলি ভৱা কু-মনোভাৱ। বৰ্তমানৰ কিছুমান অভিভাৱকেও তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবে অসমীয়া সংস্কৃতি শিক্ষাৰ কোনো প্ৰয়োজনেই নাই বুলি ভাৱে।

অপসংস্কৃতিৰ অক্টোপাচে বৰ্তমান সামাজিক পৰিবেশটোক এনেদৰে অগ্ৰাসন কৰিছে যে আজিৰ সমাজখনক পশ্চিমীয়া সংস্কৃতিয়ে এনেদৰে আকৃষ্ট কৰিছে যে মানুহে পশ্চিমীয়া সংস্কৃতিক আদৰাৰ উথপ-থপও নিজৰ সংস্কৃতিকে পিঠি দিছে।

আজিৰ এচাম আধুনিক-আধুনিকাই যি ধৰণৰ সাজপাৰ পৰিধান কৰে যে এই কাৰ্য্যই কোনো সচেতন মানুহকে ক্ষুব্ধ নকৰাকৈ নাথাকে। আজিৰ এচামৰ মাজত প্ৰকাশ্যে-অপ্ৰকাশ্যে দেহ প্ৰদৰ্শনৰ প্ৰতিযোগিতাহে চলিছে আৰু এই মানসিকতাত ইন্ধন যোগাইছে সুন্দৰী প্ৰতিযোগিতা, দেশশ্ৰী প্ৰতিযোগিতাৰ ধৰণৰ প্ৰতিযোগিতাৰ লগতে দূৰদৰ্শনত প্ৰচাৰিত চিনেমা কেন্দ্ৰীক প্ৰোগ্ৰাম (বৰ্তমানৰ চিনেমাত দেহ প্ৰদৰ্শনত অধিক গুৰুত্ব দিয়া হয়), প্ৰচাৰ মাধ্যমত প্ৰচাৰিত বিভিন্ন ধৰণৰ বিজ্ঞাপন আদিয়ে।

সময়ৰ পৰিবৰ্তনৰ লগে লগে সমাজ পৰিবৰ্তন হোৱাতো নিতান্তই স্বাভাৱিক। পৰিবৰ্তিত সমাজ এখনৰ লগত খাপ খাব পৰাকৈ মানুহৰ জীৱনৰ মানদণ্ডও কিছু সালসলনি কৰিব লগা হয়। সেই দিশৰ পৰা মানুহৰ সাজ-পাৰৰ পৰিবৰ্তন হোৱাতো একো ডাঙৰ কথা নহয়। কিন্তু অশালীন বস্ত্ৰ সভ্য সমাজত কেতিয়াও গ্ৰহণ যোগ্য হ'ব নোৱাৰে। আজিৰ এচাম অভিভাৱকে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ হাতত এনে এযোৰ পোছাক তুলি দিবলৈ কুণ্ঠাবোধ কৰা নাই যিবোৰ পোছাক পিন্ধাৰ ফলত তেওঁৰ ছোৱালীৰ দেহৰ ৮০% অংগই মুক্ত অৱস্থাত থাকে। এই কাৰ্য্যই যুৱ মানসিকতাত কু-প্ৰভাৱ পেলাইছে।

বৰ্তমান সমাজৰ একাংশই তেওঁলোকৰ ল'ৰা-ছোৱালীক অসমীয়া লোক নৃত্যৰ সলনি পশ্চিমীয়া নৃত্যৰ শিক্ষা দিয়াতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। ফলত এই কু-প্ৰভাৱে লোক সংস্কৃতিত আঘাত হানিব ধৰিছে। বৰ্তমান সমাজৰ এচাম যুৱক-যুৱতীয়ে ষ্টেজত হাৰমনিয়াম-তবলা লৈ গান গোৱা গায়কক গায়ক বুলি নাভাৱে আৰু যদি ষ্টেজত কোন অখ্যাত গায়কেও ইলেক্ট্ৰনিক সঁজুলিত বেসুৰা গীত এটিও চিঞৰে তথাপি চাৰ্ট খুলি নাচে। বৰ্তমান সময়ৰ বিহুৰ দৰে সাংস্কৃতিক প্ৰোগ্ৰাম থলুৱা লোক নৃত্যৰ সলনি যদি কোনোৱে পশ্চিমীয়া সংগীতৰ সুৰৰ তালে তালে উগ্ৰ নাচ পৰিবেশন কৰে তেওঁক দৰ্শকে বা-বা দিয়ে। কিন্তু তেওঁলোকে থলুৱা লোক-সংস্কৃতিৰ সাধক এজনক বা-বা দিব নাজানে। এইয়ে হৈছে অপসংস্কৃতিৰ আগ্ৰাসন। আজি কালি বহাগ মাহ পাৰ হৈ যোৱাৰ পাচতো বিভিন্ন নামকৰণেৰে বিহুৰ প্ৰোগ্ৰাম অনুষ্ঠিত কৰে আৰু এই বিলাকত থলুৱা লোক-সংস্কৃতিক বৰ বেছি প্ৰাধান্য দিয়া নহয়। ইয়ো একপ্ৰকাৰ অপসংস্কৃতিৰ আগ্ৰাসন।

মুঠৰ ওপৰত সকলো বিলাক অপসংস্কৃতিৰ মূল কাৰণ হ'ল সংস্কৃতি সম্পৰ্কত চেতনাহীনতা। এই অপসংস্কৃতিৰ বীজাণু ধ্বংস কৰিবলৈ হ'লে প্ৰতিজন নাগৰিকে সংস্কৃতিৰ প্ৰতি সচেতন আৰু দায়বদ্ধ হ'ব লাগিব।

পৰকীয়া সংস্কৃতি নিজস্ব সংস্কৃতিতকৈ কেতিয়াও উচ্চ হ'ব নোৱাৰে। এই কথা সকলোৱে মনত ৰাখিব লাগিব। ■

# ৰেগিং

✦ আঃ ৰসিদ
উঃ মাঃ ২য় বৰ্ষ

"ৰেগিং কি?" কেনেকুৱা? এই সম্পৰ্কে মই কোনো ধাৰণা কৰিব পৰা নাছিলো। যেতিয়া মই এজন স্কুলীয়া ছাত্ৰ আছিলো। মাত্ৰ মাজে মাজে কাকত বা আলোচনীত কেতিয়াবা কেতিয়াবা পঢ়িছিলো "ৰেগিঙৰ নামত অমুক ..........., ৰেগিঙৰ নামত তমুক ইত্যাদি ইত্যাদি। মুঠতে মোৰ ধাৰণা আছিল যে ই কোনো সন্তোষজনক বিষয় নহয়। কথাটো মোৰ এতিয়াও মনত আছে সেইদিনা কলেজত মোৰ প্ৰথম দিন। বোধহয় ল'ৰাজন মোৰ নিচিনা আজিয়েই প্ৰথম আহিছে। মই লক্ষ্য কৰিলো ল'ৰাজনে 'পাঁচ' পইচা এটালৈ ৰেলিঙত পকাই পকাই লাহে লাহে গৈ আছে; অৰ্থাৎ ইমান দীঘল ৰেলিং ডাল জুখি আছে, ঘটনাটো চাই বাকী কিছুমান ল'ৰা ছোৱালীয়ে বেছ আমোদ কৰা যেন লাগিল। মোৰ ওচৰেদি যোৱা কোনো এজনে কোৱা শুনিলোঁ। "ৰেগিং কৰি আছে।" মোৰ বকুখন চিৰাংকৈ গ'ল। লগে লগে মই তাৰ পৰা আতৰি আহিলো।

যি কি নহওক ৰেগিং সম্পৰ্কে মোৰ প্ৰথম ধাৰণা হ'ল ৰেগিংনো প্ৰকৃততে কি? ইয়াৰ প্ৰকৃতাৰ্থত উপযোগিতা কিবা আছেনে? নে ই সমাজৰ এক প্ৰকাৰ বিকাৰ? দৰাচলতে আমি যদি ৰেগিং কি তাক জুকিয়াই চাও তেন্তে ই এক আমোদজনক কথা। কিন্তু ইয়াৰ অৰ্থ যদি বিৰূপ কৰা হয় তেন্তে নিঃসন্দেহে ই ছাত্ৰ-সমাজৰ বাবে এক প্ৰকাৰ ব্যাধি বুলিয়েই কব পাৰি। 'ৰেগিং' শব্দটো ইংৰাজী "To Reg" Verb ৰ পৰা আহিছে। যাৰ অৰ্থ "Oxford dictionary" মতে "Play Practical Jokes on Somebody or Teach Somebody. গতিকে দেখা গ'ল ৰেগিং শব্দটোৰে কোনো অপ্ৰীতিকৰ কথাৰ বাবে কোৱা নাই। এই ক্ষেত্ৰত আমি কব পাৰো মহাবিদ্যালয়, বিশ্ববিদ্যালয় বা তেনে কোনো অনুষ্ঠান সমূহত নবাগত কোনো কোনোবাৰ লগত হাঁহি ধেমালীৰ মাজেৰে হোৱা যি চিনাকী পৰ্ব সেয়াই হ'ল 'ৰেগিং'। কিন্তু ৰেগিঙৰ প্ৰকৃত অৰ্থ বৰ্তমান ছাত্ৰসমাজত যে বিকৃত হৈ গৈছে। ৰেগিঙৰ নামত কিছুমান দুষ্ট ছাত্ৰদলে নৱাগত সকলৰ ওপৰত অমানবীয় অত্যাচাৰ কৰাৰ লগতে ভুল পথে পৰিচালিত কৰা কথাটোও যেন নতুন নহয়। যিটো আমাৰ সমাজৰ কাৰণে এক প্ৰতিবন্ধক হৈ পৰিছে। কথা হ'ল ৰেগিঙৰ প্ৰকৃতি বিৰূপ কৰা এই দুষ্ট ছাত্ৰ-ছাত্ৰীক কোনে বুজাব বা কোনে কি ধৰণে ইয়াক নিৰাময় কৰিব।

বিষয়টো দৰাচলতে মূৰ ঘমাবলগীয়াও নহয়। মাত্ৰ সমাজৰ কিছুমান বক্তি এই ক্ষেত্ৰত সজাগ হ'ব লাগিব। এতিয়া বাৰু সজাগ হ'বলগীয়া ব্যক্তিসকল কোন? নিঃসন্দেহে শিক্ষানুষ্ঠানৰ মূৰব্বীসকল, ছাত্ৰ সংগঠন সমূহ আৰু অভিভাৱকৰ লগতে ছাত্ৰসমাজ। এই ক্ষেত্ৰত যদি শিক্ষানুষ্ঠানৰ মূৰব্বীসকলে দুষ্ট চক্ৰ বিলাকক চিনাক্ত কৰি শাস্তি বিহাৰ ব্যৱস্থা কৰে নাইবা যদি ইয়াক সমূলি নিষিদ্ধ কৰে তেতিয়া সমস্যাটো থুলমূলভাৱে পৰিসমাপ্তি ঘটিব।



কিন্তু ৰেগিং যদি সমূলি নিষিদ্ধ কৰা হয় তেন্তে ইয়াক আকৌ আমোদজনক দিশটোক উলাই কৰা হ'ব। অৱশ্যে আজি কালি এনেকুৱা বিষয়ক সামৰি নৱাগত সকলৰ লগত হাঁহি-ধেমালীৰ মাজেৰে চিনাকী হোৱাৰ হেতু বিভিন্ন অনুষ্ঠান আয়োজন কৰা কিছুমান শিক্ষানুষ্ঠান দেখিবলৈ পোৱা যায়। য'ত ৰেগিং এক আচল অৰ্থত ব্যৱহাৰ কৰা হয়। এনেকুৱা অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনৰ লগতে নৈতিক দিশটো নিশ্চয় উন্নতি সাধন হ'ব। ■

# ছন্দ শিল্প

ছন্দ শিল্প

ছন্দ শিল্প

অতিথি কবি

# দেশ

✦ বনজিৎ বৰ্মন



ব্যস্ত তিনিআলি চ'কটোত
সন্ধ্যা নমাৰ লগে লগে
তাই বিচ্ছুৰিত হৈ পৰে
চিনাকি অন্ধকাৰৰ দৰে

ৰং-বিৰং আৰু পীতবৰ্ণ কোলাহলে ঢাকি থয়
তাইৰ দূষিত ভূগোল
নাম তাইৰ ভাৰতী
আপোন আপোন পতিতা এজনী

তিনিভাগ দুখ এভাগ ৰাংঢালী সুখ
তলসৰা হাঁহিৰ এখনি মুখ
ঠিক পৃথিৱীৰ দৰে তিনিভাগ পানী এভাগ মাটি
সেয়ে নেকি মাটিৰ ভাষা তাই বুজি নাপায়

পানীৰ ভাষা বুজি পোৱা বাবেই
সহজ পণ্যৰ দৰে তাই দুলি থাকিল
বণিক আৰু বিজ্ঞাপনৰ দুই বিষাক্ত মেৰুৰ মাজত

দোভাগ নিশা ফুটপাথৰ নগ্নতাত ফুলি উঠে তাই
নদীৰ দৰে বোৱতী বাসনাৰ মেঘ
পানীৰ ভাষাৰে তাই কথা পাতে
ক্ৰন্দসী ৰাতিৰ দৰে

দুকুৰি পোন্ধৰটা শীতৰ আঁচোৰতো
শিয়ঁৰি নুঠিল তাই দুখৰ কঠিন ডালৰ দৰে
শিল বৰষুণৰ ৰাতি
দুচকুৰে লাভা নিগৰি নাহিল তাইৰ
মুক্তকেশী পাঞ্চালীৰ দৰে

সন্ত্ৰস্ত সেওঁতাত সূৰ্যাস্তৰ সেন্দুৰ সানি
সপোনতো কাষ চাপি আহে মোৰ
আপোন আপোন পতিতাজনী।

# হেঁপাহৰ দিনটো

✦ দীপিকাদেৱী চৌধুৰী
প্ৰবক্তা, তৰ্ক আৰু দৰ্শন বিভাগ



জীৱন অন্বেষণৰ যাত্ৰী আমি
আত্মীয় ভাৱত বিভোৰ
মুক্ত মনৰ পথিক
বিমূৰ্ত্ত ধাৰণাৰ
আৱৰ্তত।

কঠিন বাস্তৱৰ
বিভীষিকাবোৰে
আৰ্তনাদৰ ৰোল তোলে।
এই আৰ্তনাদ নিৰ্জনতাৰ
কোলাহল।
কোলাহলবোৰ সমলহৈ
প্ৰকাশ হয়
বিভিন্ন জনৰ কাপত।
দুখ যন্ত্ৰণাৰ বৃত্তত
আমি জীৱন ভোগ কৰোঁ
প্ৰাণ ভৰি।
জন্ম-মৃত্যুৰ বন্ধনত
আমি বিচাৰি পাওঁ
সহস্ৰ জনৰ হিয়াৰ উম।
এই উমৰ প্ৰেৰণাৰে
অনুপ্ৰাণিত আমি
প্ৰতিটো ক্ষণত। ■

## স্বীকাৰোক্তি

✦ মেঘ্না কাশ্যপ

ধাননিত আঘোণ উপচাৰে পৰা
ভাল পাই পেলালো
আকাশ
ত'ৰাৰ মিচিকিয়া হাঁহিত ভোল গৈ
উদ্‌যাপন কৰি আহিছোঁ
দুখৰ উৎসৱ

একেদৰেই ৰ'ল
মৌনতাৰ গৱেষণা
মেঘৰ সাঁথৰ !
সুখৰ আবেলিত দুখৰ ৰ'দ
হৃদয়ৰ ভাষা নিগৰি ওলায়
শ শ শব্দ
কোনে কৈছিল মনত নাই
তপত চকুলো
সেউজ বসন্তৰ একোপাহ ফুল
মোৰ ভালপোৱা
উকাপাতৰ গদ্য
নিৰৱ পদ্য ....... ।



## অনুভৱৰ খোজে খোজে

✦ প্ৰিয়ম দাস
স্নাতক ২য় বৰ্ষ



স্বৰ্ণৰ
ফাগুণৰ ডেউকা কোবাই
দুখৰ আবেলিবোৰ ভটিয়াই আছে
ঠুনুকা আশাই জুৰে
ভাটিয়লী ৰাগ
তোমাৰ মেৰুণ আশ্বাস নিথৰ হৈ ৰয়
অতীতৰ পুখুৰীত ভগ্ন হৃদয়ে স্নান কৰে .....

ভালপাওঁ ঝাওঁবনী বৰষুণজাক........(!)

খাগৰি তিতা অসুখৰ কথা
তুমিতো তাহানিতে জানা
তোমাৰ নিৰৱতাৰ ক্ষণ গণি গণি
কাঁচিয়লী ৰ'দত এদিন দিম বুলি
থুপাই ৰাখিছোঁ তোমালে'
সতেজ অনুভৱ
হৃদয়ৰ চহকী ভড়ালত সাঁচি ৰাখিছোঁ
দুখৰ এমুঠি মেঘ
তোমালে' মাথো স্বৰ্ণৰ !

# মই তোমাৰ আজন্ম প্ৰেমিক

✦ দিপাংকৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ



মই তোমাৰ আজন্ম প্ৰেমিক
হেৰুৱাৰ পিছতো যেন সকলো সপোন মোৰ
বঢ়াবলৈ মন যায়,
বুৰাই পেলাবলৈ মন যায়,
তোমাৰ ভালপোৱাৰ সোণালী পথাৰ।।

ভাবিলে তোমাৰ কথা, পৰিলে মনত তোমাক
হাহাকাৰ কৰি উঠে মোৰ হৃদয়ে,
সৃষ্টি হয় আৰু এক অদ্ভুত জগতৰ,
কিন্তু..........,
স্তব্ধ হৈ ৰয়, মোৰ হৃদয়ৰ সকলো ঝংকাৰ
নাজানো কিয় ?
হয়তো মোৰ দুটি নয়নত ভাহি উঠা তোমাৰ কোমল
ওঠৰ মৰমিয়াল হাঁহিৰ পৰশৰ বাবে।।

কেতিয়াবা তোমাৰ কথা গোটেই নিশা ভাবি গুনি
কটাবলৈ মন যায়;
তোমাৰ ভাবনাৰ আঁচল তিয়াই,
শুই পৰিবলৈ মন যায়,
তোমাৰ স্পৰ্শৰ অপাপ কোলাত।।
কিন্তু ........;
এতিয়া যে তুমি মোৰ পৰা বহু আতৰত,
মোৰ মনে বাৰে বাৰে আমনি কৰে
তোমাৰ সেউজী প্ৰেমৰ বাবে.....
কিন্তু......
এয়া জানো সম্ভৱ হ'ব পাৰে ?

প্ৰেমৰ বৰণ পূৰ্ব জন্মৰ ফল হলেও
মোৰ আশা আছিল যে
আমাৰ প্ৰেমে পূৰ্ণতা পাব,
সময়ত উথলি উঠিব আৰু
সৃষ্টি হ'ব এখন নতুন জগত।

জীৱনত বহু আশা কৰি আহিছিলো তোমাৰ কাষলৈ'
এধানি মৰম বিচাৰি,
কিন্তু .......;
তেনেকৈয়ে উভতিলো নাপাই সহাৰি।।
হৃদয়ত প্ৰথম ভালপোৱা উদ্ভাসী উঠিছিল তোমাৰ বাবে
যদিও আতৰি গ'লা একো নোকোৱাকৈ
তথাপিও ভাল পাই যাম তোমাকেই,
মোৰ জীৱনৰ অন্তিম সময়লৈ.....
কাৰণ...........
মই তোমাৰ আজন্ম প্ৰেমিক।। ■

# তোমাৰ বাবে

✦ ৰুমী নাথ
স্নাতক প্ৰথম বৰ্ষ

মন মোৰ বলীয়া
তোমাক দেখা দিনৰে পৰা
হ'লো মতলীয়া
কি যে মাধুৰী সনা
মোৰ দুচকু স্তব্ধ হৈ ৰয়
নাজানো অবুজ ভাষাৰে
তোমাৰ নয়নযুৰিয়ে কি কয়
তোমাক এবাৰ দেখাৰ বাবে
মন মোৰ ব্যাকুল হৈ পৰে
এবাৰ মাথো দেখিলে তোমাক
হিয়া মোৰ নভৰে
চাবলৈ মন যায় তোমাক বাৰে বাৰে
পখিলাই যেন উলাহতে
নাচি-বাগি উৰি ফুৰি
তোমাৰ সুবাস যাচে
কৈ যায় কাণে কাণে
হৃদয়ত ফুলিছে কি ফুল.....



# নিৰৱ ৰাতি

✦ মফিদুৰ ৰহমান
স্নাতক ৩য় বৰ্ষ

সন্ধ্যাৰ সূৰুযে মেঘৰ ওপৰত সোণালী ৰশ্মি ছটিয়াইছে
যেন কোনোবা ৰূপহীয়ে মূৰত ওৰণি পাৰি দিছে
লাহে লাহে এন্ধাৰো নামি আহিছে।

মন্দিৰত ঘণ্টা বাজিছে, মছজিদত আজান দিছে
সকলোকে মাতিছে, সকলোৱে একেলগে
ঈশ্বৰৰ ওচৰত পাপৰ ক্ষমা মাগিছে।

সন্ধিয়া শালিকাই সভা পাতিছে
নাচি নাচি ভাৱৰ আদান প্ৰদান কৰিছে।
পোৱালীৰ কথা মনত পৰাত
বগলীয়ে শাৰী পাতি নিজ বাহলৈ উৰা মাৰিছে।

জোনাকী পৰুৱাই কোনোবা অজান ঠাইৰ পৰা আহিছে।
এবাৰ জ্বলিছে, এবাৰ নুমুৱাইছে
গীত বিহীন ভাৱে শাস্ত্ৰীয় সঙ্গীতৰ নাচ নাচিছে,
কোনো দৰ্শক নথকাত পানীত নিজৰ নাচোন চাইছে।

অনন্ত আকাশত তৰাবোৰে পৃথক হৈ তিৰবিৰাইছে
কিযে সিহঁতৰ ভাষা, কিযে সিহঁতৰ আশা
সিহঁত এই পৃথিৱীলৈ কিয়যে নাহে
কেৱল মিচিক-মাচাক কৈ হাঁহে

এই এন্ধাৰ ৰাতি হাছনাহানাই বিলাইছে সুগন্ধি
যেন স্বৰ্গৰ পৰীয়ে নানা সাজেৰে সাজি
আছেহি ওচৰতে ক'ৰবাত বহি।

কেতেকী চৰাইয়ে গছত বহি
বিশ্ববাসীলৈ বিলাইছে মধুৰ বাণী
এই নিৰ্জন পৰিবেশ দেখি পিঞ্জৰাত বহি
ডাউকে মাতিছে লগৰীক
যেন দেখা কৰে এখন্তেক আহি।

তেন্তে কোনে কৈছে ৰাতি ভূত-প্ৰেত বিচৰণ কৰে বুলি,
কিযে সুন্দৰ, কিযে নিৰৱ, কিযে মধুৰ
এই এন্ধাৰ ৰাতি।

# গণেশ লাল চৌধুৰী

✦ জিয়াউল হক চৌধুৰী

হে মহান গণেশ লাল চৌধুৰী
তোমালৈ হেজাৰ প্ৰণাম
তুমিয়েই আমাৰ নৰশক্তি।
জ্ঞানচকু আমাক কৰিছা দান
আমি তোমাক কৰিছো সন্মান
সেয়ে তোমাৰ মহান নাম
চিৰদিন ৰাখিম উজ্বলাই
হে মহান গণেশ লাল চৌধুৰী
নেযাবা আতৰি
আমাৰ মাজৰে পৰা
প্ৰতি বছৰে আদৰিম তোমাক
আমাৰ লিখনিৰ দ্বাৰা
হে মহান গণেশ লাল চৌধুৰী
তোমালৈ যাচিছোঁ প্ৰণাম।

# জ্যোতিৰ স্মৃতিত

✦ মিচ্ লীনা মণি নাথ
স্নাতক প্ৰথম বৰ্ষ



তুমিয়েটো সপোন দেখিছিলা
এদিন সোণৰ অসম হ'ব
য'ত হিংসাৰ শিকলিডাল ছিঙি যাব
যি মুকলি আকাশত বাৰুদৰ ধোঁৱা নোলাব,
কেঁচা মাটিৰ গোন্ধত অসমী আইয়ে
বুকু ওফন্দাই হাঁহিব
কিন্তু হায়!
আজিও অসমী আইয়ে চকুলোৰে
দুগাল টিয়াইছে।
জানোচা লুইতপৰীয়া ডেকাৰ বুকুৰ
তেজেৰেই
অসমৰ লুইত ৰাঙলী হ'ব।

# সৈনিক তুমি নিসংগতাৰ

✦ মহন্ত দাস
স্নাতক চূড়ান্ত বৰ্ষ



সংঘাত আৰু সমস্যাৰে জৰ্জৰিত
সৈনিক তুমি মানৱতাৰ
প্ৰেয়সীৰ স্মৃতিয়ে মাতাল কৰা ৰাতি
শব্দৰ মালা গাঁঠি
প্ৰতিটো প্ৰতুষ্যক স্বাগতম জনাব বিচৰা
সৈনিক তুমি প্ৰেমিক হৃদয়ৰ।
ভাষাহীন সৰলতা আৰু হৃদয়ৰ এযাৰি মাতেৰে
হৃদয় জিনিব বিচৰা.......
সৈনিক তুমি মানৱতাৰ।
জোনাক সৰা স্নিগ্ধ আকাশৰ নিসংগতাই
কঁপাই তোলে
দুহাতৰ মাজত তুলি দিয়া অস্ত্ৰপাত
আকাশখন ডাৱৰীয়া হ'লেই
আঙুলিৰ হেচাত চিৰা চিৰ কৰে
বজৰুৱা কাগজ- য'ত বৈ যায়..
উজাগৰী নিশাৰ ৰঙীন সপোন
সেয়ে তুমি সৈনিক নিসংগতাৰ।

# সুখৰ ঠিকনা বিচাৰি

✦ ইন্তেকাব আলম আহমেদ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

এটুপি দুটুপিকৈ
কলিজাৰ তেজেৰে
লিখিছিলো যি কবিতা
এটুপি দুটুপিকৈ
দুচকুৰ পানীৰে
বান্ধিছিলো শুভ্ৰ শুৱলা
যিখনি ঘৰ ...........

সকলোতে আজি বাস্তৱৰ ৰুঢ় আঘাত
সময়ৰ অট্টহাঁহি
হে নিষ্ঠুৰ সময়,
ময়ো পিছে নামানো হাৰ !
ক্লান্ত দেহৰ ঘামৰ টোপালেৰে
জীপাল কৰিব পাৰি উখৰ মৰুভূমি প্ৰান্তৰ!
সেউজ ফচল ঠন ধৰি
উঠিব পুনৰ
বৈ যাব স্ৰোতস্বিনী
নামানিব কাৰো বাধা
অথচ -- এদিন
নাচিল একোৰে য'ত!!



# গল্পৰ শৰাই

অনুবাদ গল্প

# ভোলাৰামৰ জীউ

মূল হিন্দী ঃ হৰিশংকৰ পৰচাই
অনুবাদ - শ্ৰীপূৰ্ণ ছেত্ৰী
প্ৰবক্তা, হিন্দী বিভাগ

এনেকুৱা কেতিয়াও হোৱা নাছিল....................

ধৰ্মৰাজে লাখ লাখ বছৰ ধৰি মানুহক কৰ্ম আৰু তোষামোদৰ আধাৰত স্বৰ্গ অথবা নৰকত আৱাস স্থান 'এলট' কৰি আহিছিল— কিন্তু এনেকুৱা কেতিয়াও হোৱা নাছিল।

সন্মুখত বহি থকা চিত্ৰগুপ্তই বাৰে-বাৰে চশমাযোৰ চাফা কৰি, বাৰে-বাৰে থুৰে পাত লুটিয়াই ৰেজিষ্টাৰ চাই আছিল। ভুল ধৰা পৰা নাছিল। অৱশেষত তেওঁ ইমান জোৰেৰে ৰেজিষ্টাৰ বন্ধ কৰিলে যে মাখি এটা চেপা খাই গ'ল। তাক উলিয়াই ক'লে— "মহাৰাজ, সকলো ৰেকৰ্ড ঠিকেই আছে। ভোলাৰামৰ জীউৱে পাঁচ দিন আগতে দেহ ত্যাগ কৰিছে আৰু যমদূতৰ লগত ইয়ালৈ ৰাওনা হৈছে, কিন্তু ইয়ালৈ এতিয়াও আহি পোৱা নাই।"

ধৰ্মৰাজে সুধিলে, "আৰু সেই দূতজন ক'ত আছে?"

"মহাৰাজ, সিও নিৰুদ্দেশ হৈছে।"

এই সময়তে দুৱাৰ খুলিল আৰু এজন যমদূত উধাতু খাই তাত উপস্থিত হ'ল। তাৰ স্বাভাবিক কুৎসিৎ চেহেৰা পৰিশ্ৰম, চিন্তা আৰু ভয়তে আৰু বেছি বিকৃত হৈ গৈছিল। তাক দেখা পোৱাৰ লগে লগে চিত্ৰগুপ্তই চিঞৰি উঠিল, "হেৰা, তুমি ক'ত আছিলা ইমান দিন? ভোলাৰামৰ জীউটো ক'ত?"

যমদূতে হাত যোৰ কৰি ক'লে, "দয়ানিধান, মই কেনেকৈ কওঁ কি হ'ল। আজিলৈকে মই ঠগ খোৱা নাছিলো, কিন্তু এইবাৰ ভোলাৰামৰ জীউটোৱে মোৰ চকুত ধূলি দিলে। পাঁচ দিন আগতে যেতিয়া জীউটোৱে ভোলাৰামৰ দেহত্যাগ কৰিলে, তেতিয়া মই তাক ধৰিলো আৰু ইয়ালৈ যাত্ৰা আৰম্ভ কৰিলো। যেতিয়াই তাক লৈ চহৰৰ বাহিৰত এটা তীব্ৰ বায়ু তৰংগত উঠিলো তেতিয়াই সি মোৰ হাতৰ মুঠিৰ পৰা ওলাই ক'ৰবাত হেৰাই গ'ল। এই পাঁচদিন মই গোটেই বিশ্ব-ব্ৰহ্মাণ্ড চলাথ কৰিলো, কিন্তু তাৰ কোনো সন্ধান উলিয়াব নোৱাৰিলো।"

ধৰ্মৰাজে খঙেৰে ক'লে— "মূৰ্খ, জীউ আনি আনি বুঢ়া হৈ গ'লি, তথাপি এজন সাধাৰণ বুঢ়া মানুহৰ জীউটোৱে তোৰ চকুত ধূলি দিলে।"

দূতজনে মূৰ দোৱাই ক'লে— "মহাৰাজ, মোৰ সাৱধানতাত কোনো ত্ৰুটি নাছিল। মোৰ এই পাকৈত হাতৰ পৰা ডাঙৰ-ডাঙৰ উকিলো সাৰি যাব পৰা নাছিল, কিন্তু এইবাৰতো কিবা যাদুৱেই হ'ল।"

চিত্ৰগুপ্তই ক'লে— "মহাৰাজ, আজিকালি পৃথিৱীত এনেধৰণৰ ঘটনা বহুত হয়। মানুহে নিজৰ বন্ধু-বান্ধৱক ফল-মূল পঠিয়ায় কিন্তু সেইবোৰ ৰাস্তাতেই ৰেলৰেৰ মানুহে খাই দিয়ে। কাপোৰৰ পাৰ্চেলৰ মোজা ৰেলৰ অফিচাৰবোৰে পিন্ধে। মালগাড়ীৰ ডবাবোৰ ৰাস্তাতেই কটা যায়। ৰাজনৈতিক দলৰ নেতাই বিৰোধী নেতাক অপহৰণ কৰি ক'ৰবাত লুকাই থয়। তেনেকৈ ভোলাৰামৰ জীউটোক কোনো বিৰোধীয়ে মৰাৰ পিছতো তাক নষ্ট কৰাৰ বাবে লৈ যোৱা নাইতো?"

ধৰ্মৰাজে ব্যংগ কৰি চিত্ৰগুপ্তৰ পিনে চাই ক'লে— "তোমাৰো ৰিটায়াৰ হোৱাৰ বয়স হ'ল। বাৰু ভোলাৰামৰ দৰে নগণ্য, দুখীয়া মানুহৰ কাৰ সৈতে কি লেন-দেন থাকিব পাৰে?"

সেই সময়তে ক'ৰবাত ঘূৰিপকি নাৰদমুনি তাত আহি পালে। ধৰ্মৰাজক মন মাৰি বহি থকা দেখি ক'লে— "কি ধৰ্মৰাজ, কিয় চিন্তিত হৈ বহি আছে? কি, নৰকত বাসস্থানৰ সমস্যা এতিয়াও সমাধান হোৱা নাই নেকি?"

ধৰ্মৰাজে ক'লে— "সেই সমস্যাটো কেতিয়াবাই সমাধান হৈ গ'ল মুনিবৰ! নৰকত যোৱা কিছুবছৰত বহুতো গুণী কাৰিকৰ আহিল। কিছুমান ভৱন নিৰ্মাণৰ ঠিকাদাৰ আছে, যিসকলে সম্পূৰ্ণ টকা লৈ একেবাৰে বেয়া ঘৰ নিৰ্মাণ কৰিছে। ডাঙৰ-ডাঙৰ ইঞ্জিনিয়াৰও আহিছে, যিসকলে ঠিকাদাৰৰ লগ লাগি ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ টকা খাইছে। অভাৰচিয়াৰসকলো আছে যিসকলে সেই শ্ৰমিক সকলৰো উপস্থিতি দেখুৱাই টকা নিলে, যিসকলে কোনো দিনেই কামত অহা নাছিল। এইসকলে অকি কম দিনতেই নৰকত বহুতো ঘৰ বনাই দিলে। সেই সমস্যা সমাধান হৈ গ'ল। ভোলাৰাম নামৰ এজন মানুহৰ পাঁচদিন আগতেই মৃত্যু হৈছিল। তাৰ জীউটোক এই দূতজনে লৈ আহি থাকোতে জীউটোৱে ইয়াৰ চকুত ধূলি দি পলাই গ'ল।

দূতজনে গোটেই বিশ্ব-ব্ৰহ্মাণ্ড চলাথ কৰিলে কিন্তু তাক ক'তো নাপালে। যদি এনেকুৱা হ'ব ধৰে তেন্তে পাপ-পুণ্যৰ পাৰ্থক্য নোহোৱা হ'ব।"

নাৰদে সুধিলে— "তাৰ ইন্‌কাম টেক্স বাকী নাছিলতো? হ'ব পাৰে সিহঁতে তাক ৰাখি থৈছে।"

চিত্ৰগুপ্তই ক'লে— "ইন্‌কাম থাকিলেহে টেক্স থাকিব! ভোকাতুৰ আছিল।"

নাৰদে ক'লে— "বিষয়টো বৰ আমোদজনক। বাৰু, মোক তাৰ নাম-ঠিকনা কোৱা। মই পৃথিৱীলৈ যাওঁ।"

চিত্ৰগুপ্ত ৰেজিষ্টাৰ চাই ক'লে— "তাৰ নাম আছিল ভোলাৰাম, জব্বলপুৰ চহৰৰ ঘমাপুৰ এলেকাৰ নলা এটাৰ পাৰত ডেৰ কোঠাৰ এটা ভঙা-চিঙা ঘৰত সপৰিয়ালে সি বাস কৰিছিল। তাৰ এজনী ঘৈণীয়েক, দুজন ল'ৰা আৰু এজনী ছোৱালী আছিল। চৰকাৰী চাকৰিয়াল আছিল, পাঁচ বছৰ আগতে ৰিটায়াৰ হৈছিল। সি এবছৰ ধৰি ঘৰৰ ভাড়া নিদিয়াৰ বাবে ঘৰৰ মালিকে তাক উলিয়াই দিব বিচাৰিছিল। এনেতে ভোলাৰামে সংসাৰেই এৰিলে। আজি পঞ্চম দিন। সম্ভৱত যদি ঘৰৰ মালিক, সঁচায়ে ঘৰৰ মালিক হয়, তেন্তে সি ভোলাৰাম মৰাৰ লগে লগে তাৰ পৰিয়ালক উলিয়াই দিব পাৰে। সেইবাবে আপুনি পৰিয়ালটোক বহু বিচাৰিব লাগিব।"

* * * *

মাক-জীয়েক দুয়োৰে সন্মিলিত কান্দোন শুনিয়েই নাৰদে ভোলাৰামৰ ঘৰ চিনি পালে।

দুৱাৰৰ ওচৰলৈ গৈ ক'লে— "নাৰায়ণ......... নাৰায়ণ!"

ছোৱালীজনীয়ে দেখি ক'লে— "আগলৈ যাওঁক মহাৰাজ।"

নাৰদে ক'লে— "মোক ভিক্ষা নেলাগে। ভোলাৰামৰ বিষয়ে মোৰ কিছু কথা সুধিবলগীয়া আছে। তোমাৰ আইক অলপ বাহিৰলৈ পঠিয়াই দিয়া, মা।"

ভোলাৰামৰ ঘৈণীয়েক বাহিৰলৈ ওলাই আহিল। নাৰদে ক'লে— "আই, ভোলাৰামৰ কি অসুখ হৈছিল?"

"কি কওঁ? দৰিদ্ৰতাৰ বেমাৰ আছিল। পাঁচ বছৰ হৈ গ'ল পেঞ্চনৰ আশা কৰা, কিন্তু পেঞ্চন আজিলৈকে পোৱা নাই। প্ৰত্যেক দহ-পোন্ধৰ দিনৰ মূৰে মূৰে একোখন দৰ্খাস্ত দিছিল। কিন্তু হয় তাৰ কোনো উত্তৰেই অহা নাছিল নাইবা কৈছিল যে তোমাৰ পেঞ্চনৰ বিষয়টো চিন্তা কৰি থকা হৈছে। এই পাঁচ বছৰত মোৰ গোটেই আ-অলংকাৰ বিক্ৰী কৰি সিহঁতে খালে। পিছত বাচন-বৰ্তন বিক্ৰী হ'ল। এতিয়া একো বাকী নাই। নোখোৱাকৈ থাকিবলগীয়া হৈছিল। চিন্তাত ডুবি-ডুবি ভোকতে তেখেতে শেষ নিশ্বাস পেলালে।"

নাৰদে ক'লে— "কি কৰিবা আই? ...........তেওঁৰ আয়ুস ইমানেই আছিল।"

"তেনেকৈ নক'ব মহাৰাজ, আয়ুস বহুত আছিল। পঞ্চাশ-ষাঠি টকা মাহিলি পেঞ্চন পোৱা হ'লে, আন একো নকৰাকৈ চলিব পৰা গ'লহেঁতেন। কিন্তু কি কৰিম? চাকৰিৰ পৰা অৱসৰ লোৱা পাঁচ বছৰ হৈ গ'ল আৰু আজিলৈ এটা ফুটা কড়িও পোৱা নাই।"

দুখৰ কাহিনী শুনাৰ অৱকাশ নাৰদৰ নাছিল। তেওঁ আকৌ নিজৰ কথালৈ আহিল— "আই, এইটো কোৱা যে ইয়াত কাৰোবাৰ লগত তেখেতৰ বিশেষ প্ৰেম, যাৰ প্ৰতি তেখেতৰ মনৰ মিল আছিল?" ঘৈণীয়েকে ক'লে— "সম্পৰ্কতো মহাৰাজ, নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতিহে থাকে।"

"নহয়, পৰিয়ালৰ বাহিৰতো থাকিব পাৰে। মই ক'ব বিচাৰিছো, কোনো তিৰোতা................"

তাই খঙেৰে নাৰদৰ পিনে চালে। ক'লে— "যা-তা নক'ব মহাৰাজ। আপুনি সাধু, কোনো ঠগ-প্ৰবঞ্চক নহয়, গোটেই জীৱন তেখেতে আন কোনো তিৰোতা পিনে চকু দিয়া নাই।"

নাৰদে হাঁহি হাঁহি ক'লে— "হয়, তুমি ভবাটো ঠিকেই! এই ভুল ধাৰণাই ভাল গৃহস্থৰ আধাৰ। বাৰু আই, মই আহিলো।"

ব্যংগ বুজাৰ অসমৰ্থতাই নাৰদক এজনী সতীৰ খঙৰ কোপৰ পৰা বচালে।

তিৰোতাজনীয়ে ক'লে— "মহাৰাজ আপুনি সাধু! এজন সিদ্ধ পুৰুষ। তেওঁৰ বন্ধ হৈ থকা পেঞ্চন পোৱাৰ কিবা এটা ব্যৱস্থা কৰি দিব নোৱাৰেনে? এই ল'ৰা-ছোৱালীৰ পেট কিছুদিন ভৰি থাকিলহেঁতেন।"

নাৰদৰ দয়া উপজিল। তেওঁ ক'ব ধৰিলে "সাধুৰ কথা কোনে মানি চলে? ইয়াত মোৰ কোনো মঠ নাই। তথাপিও মই চৰকাৰী অফিচলৈ যাম আৰু চেষ্টা কৰিম।"

তাৰ পৰা গৈ নাৰদে চৰকাৰী অফিচ পালে। তাত প্ৰথম কোঠাত বহি থকা বাবুৰ লগত তেখেতে ভোলাৰামৰ কেচৰ বিষয়ে কথা পাতিলে। সেই বাবুজনে তেখেতক ভালদৰে চাই ক'লে— "ভোলাৰামে দৰ্খাস্ততো পঠিয়াইছিল, কিন্তু সেইবোৰত ওজন ৰখা নাছিল, সেইবাবে ক'ৰবাত উৰি গ'ল হ'বলা।"

নাৰদে ক'লে— "ভাই ইয়াততো বহুতো পেপাৰৱেট ৰখা আছে, সেইবোৰ কিয় ৰাখি দিয়া নাই?"

বাবুৱে হাঁহিলে, "আপুনি সাধু, সংসাৰৰ বিষয় আপুনি বুজি নেপাব। দৰ্খাস্ত পেপাৰৱেটেৰে হেচি ৰাখিব নোৱাৰি............ বাৰু, আপুনি সেই কোঠাত বহি থকা বাবুক লগ ধৰক।"

নাৰদ সেই বাবুজনৰ ওচৰলৈ ওচৰলৈ গ'ল। সি তৃতীয়জনৰ ওচৰলৈ পঠিয়ালে। তৃতীয়জনে চতুৰ্থ, চতুৰ্থজনে পঞ্চমজনৰ ওচৰলৈ। তেতিয়া নাৰদে পঁচিশ-ত্ৰিশজন বাবু আৰু অফিচাৰৰ ওচৰলৈ গৈ ঘূৰি আহিল, তেতিয়া এজন চকীদাৰে ক'লে— "মহাৰাজ আপুনি কিয় এই জঞ্জালত সোমাইছে। আপুনি যদি বছৰদিনো ইয়াত ঘূৰি থাকে, তথাপিও কাম নহ'ব। আপুনি পোনেই ডাঙৰ চাহাবক লগ ধৰক। তেখেতক সন্তুষ্ট কৰিব পাৰিলে এতিয়াই কাম হৈ যাব।"

*চাহাবে ক'লে— "আপুনি এজন বৈৰাগী; অফিচৰ নীতি-নিয়ম নাজানে। আচলতে ভোলাৰামে ভুল কৰিলে। ভাই, এইটোও এটা মন্দিৰ। ইয়াতো দান-পূণ্য কৰিব লাগে, উপহাৰ প্ৰদান কৰিব লাগে। আপোনাক ভোলাৰামৰ আত্মীয় যেন লাগে, ভোলাৰামৰ দৰ্খাস্তবোৰ উৰি আছে, সেইবোৰত ওজন ৰাখক।"*

নাৰদ ডাঙৰ চাহাবৰ কোঠালিলৈ গ'ল। বাহিৰত চকীদাৰে টোপনিয়াই আছিল, সেইবাবে তেখেতক কোনেও বাধা নিদিলে। তেওঁ ভিজিটিং কাৰ্ড নোহোৱাকৈ একেবাৰে অহা দেখি চাহাব বৰ অসন্তুষ্ট হ'ল। ক'লে— "এইটো কিবা মন্দিৰ-চন্দিৰ বুলি ভাবিছা নেকি? চিধাই সোমাইছা! কাৰ্ড কিয় পঠোৱা নাই?"

নাৰদে ক'লে— "কেনেকৈ পঠিয়াম? চকীদাৰজন শুই আছে।" "কি কাম আছে?" চাহাবে সুধিলে।

নাৰদে ভোলাৰামৰ পেঞ্চন কেচৰ কথাটো ক'লে।

চাহাবে ক'লে— "আপুনি এজন বৈৰাগী; অফিচৰ নীতি-নিয়ম নাজানে। আচলতে ভোলাৰামে ভুল কৰিলে। ভাই, এইটোও এটা মন্দিৰ। ইয়াতো দান-পূণ্য কৰিব লাগে, উপহাৰ প্ৰদান কৰিব লাগে। আপোনাক ভোলাৰামৰ আত্মীয় যেন লাগে, ভোলাৰামৰ দৰ্খাস্তবোৰ উৰি আছে, সেইবোৰত ওজন ৰাখক।"

নাৰদে ভাবিলে যে, ইয়াত আকৌ ওজনৰ সমস্যাই গা কৰি উঠিল। চাহাবে ক'লে— "চৰকাৰী টকাৰ কথা। পেঞ্চনৰ কেচ বিশটামান অফিচলৈ যায়, পলম হয়। হাজাৰ বাৰ একে কথাকে হাজাৰ ঠাইত লিখিব লাগে, তেতিয়াহে ঠিক হয়। যিমান পেঞ্চন পায়, সিমান মূল্যৰ ষ্টেচনাৰী বস্তু লাগে। অ! সোনকালেও হ'ব পাৰে, কিন্তু............" চাহাবে মনে মনে থাকিল।

নাৰদে ক'লে— "কিন্তু কি?"

চাহাবে কুটিল হাঁহি মাৰি ক'লে— "কিন্তু ওজন লাগিব। আপুনি বুজি পোৱা নাই। যেনে আপোনাৰ হাতত এই সুন্দৰ বীণা আছে, ইয়াৰো ওজন ভোলাৰামৰ দৰ্খাস্তত ৰাখিব পাৰে। মোৰ ছোৱালীয়ে গান-বাজনা শিকি আছে। এইটো মই তাইক দিম। সাধুৰ বীণা বৰ পৱিত্ৰ, ছোৱালীজনীয়ে যদি সোনকালে সংগীত শিকে তেন্তে তাইৰ বিয়া হৈ যাব।"

নাৰদে নিজৰ বীণা হেৰুৱাৰ সম্ভাৱনা দেখি থত্‌মত্ খালে। কিন্তু তথাপিও নিজকে সংযত কৰি বীণা টেবুলৰ ওপৰত থৈ ক'লে— "এইটো লওঁক। এতিয়া অলপ সোনকালে তাৰ-পেঞ্চনৰ অৰ্ডাৰ উলিয়াই দিয়ক।"

চাহাবে আনন্দমনেৰে তেখেতক বহিবলৈ চকী এখন আগবঢ়ালে, বীণাটো এটা কোণত থ'লে আৰু ঘণ্টা বজালে। চকীদাৰ হাজিৰ হ'ল।

চাহাবে আদেশ দিলে— "বৰ বাবুৰ পৰা ভোলাৰামৰ কেচৰ ফাইলটো আনা।"

কিছুসময় পিছত চকীদাৰে ভোলাৰামৰ শ'-ডেৰশ' দৰ্খাস্তৰে ভৰা ফাইলটো লৈ আহিল। তাত পেঞ্চনৰ কাগজো আছিল। চাহাবে ফাইলৰ ওপৰৰ নামটো চালে আৰু নিশ্চিত হোৱাৰ বাবে সুধিলে— "কি নাম ক'লে সাধুবাবা আপুনি?"

নাৰদে বুজিলে যে চাহাবে অলপ কম শুনে। সেইবাবে উচ্চস্বৰে ক'লে— "ভোলাৰাম।"

হঠাতে ফাইলৰ মাজৰ পৰা কণ্ঠস্বৰ আহিল— "কোনে মোক মাতি আছে? পিয়ন নেকি? পেঞ্চনৰ অৰ্ডাৰ আহিল নেকি?"

চাহাব ভয়তে চকীখনত ঢলি পৰিল। নাৰদেও চক্ খাই উঠিল। কিন্তু লগে লগে কথাটো বুজি পালে। ক'লে— "ভোলাৰাম! তুমি কি ভোলাৰামৰ জীউ নেকি?"

"হয়" কণ্ঠস্বৰ আহিল।

নাৰদে ক'লে "মই নাৰদ! মই তোমাক নিবলৈ আহিছো। ব'লা, স্বৰ্গত তোমাৰ বাবে অপেক্ষা হৈ আছে।"

কণ্ঠস্বৰ আহিল, "মই নেযাওঁ। মই পেঞ্চনৰ দৰ্খাস্তত লাগি আছো। ইয়াতেই মোৰ ভাল লাগিছে। মই মোৰ দৰ্খাস্ত এৰি যাব নোৱাৰো।" ■

# এবুকু প্ৰেমৰ আৰ্তনাদ

✦ ছাবিনা ইয়াছমিন আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

হঠাৎ ক'লিং বেলটো বাজি উঠিল। পঢ়ি থকা উপন্যাসখন জপাই থৈ ডাঃ মনিময় চলিহা লৰালৰিকৈ ওলাই আহিল।

'আৰে ৰুবুল তই! মোক খুব আচৰিত কৰিলি ভাই? আজি অতদিন পিছত আমালৈ তোৰ মনত পৰিলনে?" 'বাৰু কেনে আছ? ইমান খীনাইছ যে, ....... ??" ডাঃ মনিময়ে একে উশাহতে প্ৰশ্ন কৰি ৰুবুলক ব্যতিব্যস্ত কৰি তুলিলে।

"মনিময়, জেৰা কৰিয়ে থাকিবি নে ভিতৰলৈ মাতিবি?" 'ছৰি ৰুবুল, আহ ভিতৰলৈ ব'ল তোক বহিবলৈ দিবলৈ পাহৰিয়েই গৈছিলো।"

"এতিয়া ক' ৰুবুল, তোৰ খবৰ কি?"

"জীয়াই আছো কোনোমতে ... তোৰ পিছে..... ?"

"মোৰ খবৰটো জানই দেখোন দিনে নিশাই কেৱল ৰোগী চোৱা, আজি পিছে অলপ সকাহ পাইছো। জান ৰুবুল, আজি বহুত দিন পিছত তোক লগ পাই মোৰ যে কিমান আনন্দ লাগিছে!!" "বাৰু মনিময় তোৰ মিছেছ ঘৰত নাই নেকি?" "অলপ আগতেই ওলাই গৈছে। ক'ৰবাত হেনো সাংস্কৃতিক সন্ধিয়া আছে দ্বাৰ মুকলি কৰিবলৈ মাতিছে হেনো।"

উৎপল ভট্টাচাৰ্য্য মানে ৰুবুল আৰু ডাঃ মনিময়ৰ মাজত গভীৰ বন্ধুত্ব। উৎপল ভট্টাচাৰ্য্যক ঘৰত মৰমতে ৰুবুল বুলিয়ে মাতে। ৰুবুলৰ বয়স ২৫/২৬ মান হ'ব। সাগৰৰ দৰে গভীৰ এযুৰি চকু, এখনি মৰম লগা মুখ, কেঁচা সোণৰ দৰে শৰীৰৰ ৰং, খোজত গভীৰতা। এইজনেই প্ৰফেছৰ উৎপল ভট্টাচাৰ্য্য।

"ৰূপহী" কলেজখনত ৰুবুলৰ নাম সকলো ছাত্ৰৰ মুখে মুখে। মিঃ অৰুণ ভট্টাচাৰ্য্যৰ একমাত্ৰ সন্তান ৰুবুল। অৰুণ ভট্টাচাৰ্য্য এটা বিশাল কাৰখানাৰ মালিক। সমাজত তেওঁৰ বিশেষ মৰ্য্যদা আছে। অৰুণ ভট্টাচাৰ্য্য এজন দাম্ভিক মদগৰ্ৱী আৰু উশৃঙ্খল প্ৰবৃত্তিৰ লোক। সৰুৰে পৰাই দেউতাকে মাক অঞ্জলি ভট্টাচাৰ্য্যক কৰা অমানৱীয় উৎপীড়নৰ কথা এতিয়াও ৰুবুলৰ মনত আছে। অৰুণ ভট্টাচাৰ্য্যৰ অমানুষিক অত্যাচাৰ সহিব নোৱাৰি এদিন হঠাৎ ৰুবুলক আচৰিত কৰি মাক অঞ্জলিয়ে ডিঙিত চিপজৰী লৈ এইখন পৃথিৱীৰ বুকুৰ পৰা হেৰাই গ'ল চিৰদিনৰ বাবে। মাকৰ কৰুণ মৃত্যুৰ পিছত সি নিজৰ ঘৰখনৰ প্ৰতি সম্পূৰ্ণ আস্থা হেৰুৱাই পেলায়। এইদৰেই এদিন ৰুবুলে বুকুৰ মাজত জলন্ত উল্কাপিণ্ড কঢ়িয়াই নিজৰ ঘৰখনৰ পৰা ওলাই আহে।

"ৰুবুল, তই আৰু সঁচাকৈয়ে ঘৰলৈ উভতি নাযাৱ নেকি? তোৰ কলেজ?" "নাই, মনিময় জীয়াই থকা দিন কেইটা অকলেই পাৰ কৰিম বুলি ভাবিছো। কলেজৰ পৰা তিনিমাহৰ ছুটি লৈছো। মণিময় আৰু এটা সুসংবাদ তই হয়তো নাজান, মই হয়তো খুব বেছি তিনিটা মাহ জীয়াই থাকিম তাৰ পিছত ......। তাৰপিছত হয়তো এইখন পৃথিৱী এৰি গুছি যাম কোনোবা দূৰ-দিগন্তলৈ ....।"

"ৰুবুল সকলো সময়তে ৰহস্য ভাল নালাগে। তোৰ মুখত এনেবোৰ অমঙ্গলীয় কথা আৰু যেন নুশুনো।"

"মই সঁচাকৈয়ে কৈছো মনি। মইযে ব্লাড কেন্সাৰত আক্ৰান্ত। অৱশ্যে মোৰ বাবে ইয়াত আচৰিত হ'ব লগা একোৱে নাই। মৃত্যুৰ শীতল কোলাত আশ্ৰয় বিচাৰি মই আজি ব্যাকুল। হৃদয়ৰ যন্ত্ৰণাবোৰ আৰু যে সহ্য নহয় বন্ধু!" 'চা ৰুবুল, তোক কোনো প্ৰকাৰৰ সহায় কৰিব নোৱাৰিলেও তোৰ এনেকুৱা পৰিস্থিতিত বন্ধু হিচাপে এইদৰে অকলশৰীয়াকৈ কেতিয়াও এৰি দিব নোৱাৰো।"

"নাই মনিময়, তই মোক ভুল নুবুজিবি। তই যেনে তেনে ভাড়া ঘৰ এটা মোক বিচাৰি দিবই লাগিব। তই মোক ভুল নুবুজিবি মনি জীয়াই থকা দিন কেইটা মই অলপ নিৰলে শান্তিত থাকিব বিচাৰো।"

"বাৰু মই চেষ্টা কৰি চাম। কিন্তু ৰুবুল মই তোক এইদৰে অকলে এৰি মুঠেই শান্তি নাপাম।"

মিছেছ মঞ্জুলা শইকীয়াৰ ঘৰখনৰ লগত ডাঃ মনিময়ৰ ভাল চিনা-জনা আছে। মঞ্জুলাৰ স্বামী বিয়োগ হোৱা আজি প্ৰায় বহু বছৰেই হ'ল। তেওঁ এজন উকীল আছিল। মৃত্যুৰ সময়ত দুটি সন্তান এৰি থৈ যায় যদিও ইতিমধ্যে ডাঙৰজন ল'ৰা মটৰ দুৰ্ঘটনাত নিহত হয়। মঞ্জুলাই মাইনৰ স্কুল এখনত শিক্ষকতা কৰে। ঘৰখনত মাত্ৰ দুটা প্ৰাণী। মঞ্জুলা আৰু তাইৰ একমাত্ৰ সন্তান নূপুৰ।

ডাঃ মনিময়ৰ সহযোগত ৰুবুলে মঞ্জুলা শইকীয়াৰ ঘৰত ভাড়াতীয়া হিচাপে থাকিবলৈ ল'লে।

"এয়া মোৰ ছোৱালী নূপুৰ। গোটেইদিন ঘৰখনত তাই অকলেই থাকে। তুমি যদি সময় পোৱা তাইৰ লগত কথা-বতৰা পাতিবাচোন। তাই বৰ দুৰ্ভগীয়া ৰুবুল!! দৃষ্টিহীন নূপুৰক লৈয়ে মোৰ সমস্ত চিন্তা।" মিছেছ শইকীয়াৰ মাতত ৰুবুলে সম্বিত ঘূৰাই পালে।

"অ, মাহীদেউ নিশ্চয় কথা পাতিম। আপোনালোকৰ সান্নিধ্যত থাকিয়ে হৃদয়ৰ মাজত থুপ খাই থকা বেদনাখিনি কিছু পৰিমাণে হ'লেও পাহৰিব পাৰিছো।

মিছেছ শইকীয়াই ৰুবুলৰ সকলো কথা জানে। তাই ৰুবুলক নিজ সন্তানৰ দৰেই মৰম কৰে।

"বাৰু ৰুবুল তোমালোকে কথা পাতা। আজি স্কুলত মোৰ জৰুৰী মিটিং এখন আছে।"

"ঠিক আছে মাহীদেউ।"

বৈ পৰা চুলিৰে শুভ্ৰ চুৰিদাৰ পৰিহিতা গহীন অথচ সৰলতাৰ নিস্পাপ হাঁহি বিৰিঙি থকা নূপুৰক দেখিলে তাইৰ দৃষ্টিহীনতাৰ কথা কল্পনাই কৰিব নোৱাৰি। সন্মুখত বহি থকা নূপুৰক চাই চাই ৰুবুল ভাৱ সাগৰত বুৰ গ'ল। তাৰ যেন নূপুৰক চাই চাই হেঁপাহ নপলায়। এইদৰে আজীৱন তাইক চায়েই থাকিব।

এৰা, হৃদয়ৰ দাবী যেতিয়া একান্ত হয়, মৌনতায়ো তেতিয়া প্ৰেমৰ দাবী কৰিব পাৰে। ডান্টেয়েওতো বিয়েট্ৰিছক ভাল পাওঁ বুলি ক'ব পৰা নাছিল।

হঠাৎ নিৰৱতা ভংগ কৰি ৰুবুলে নূপুৰক সুধি পেলালে -- "নূপুৰ, তোমাক কথা এটা সুধিব খোজো বেয়া পাবা নেকি?"

"নাই ৰুবুল দাদা, বেয়া নাপাওঁ কওক।" "মোক দাদা নহয় ৰুবুল বুলিয়ে মাতিবা নূপুৰ। বাৰু তোমাৰ ঘৰখনৰ কথা কোৱাচোন .....? তোমাৰ দেউতা ....?"

"সেয়া এক মৰ্মান্তিক, কৰুণ ঘটনা। এদিন দুপৰীয়া হঠাৎ দেউতাই মূৰ ঘূৰাই পৰি যায়। ডাক্তৰ আহি পোৱাৰ আগতে দেউতাৰ আত্মাই কোনোবা অজান মুলুকলৈ উৰা মাৰে।"

"নূপুৰ, তোমাৰ দাদাৰ পিছে কি হ'ল?"

"দাদা পঢ়া-শুনাত বৰ চোকা আছিল। দেউতাৰ মৃত্যুৰ পিছত H.S.L.C. পৰীক্ষাত দাদাই জিলাখনৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰিছিল।" নূপুৰৰ দুচকু সেমেকি উঠিল।

"কৈ যোৱা নূপুৰ।"

"দাদাই সৰুৰে পৰাই সপোন দেখিছিল ডাক্তৰ হোৱাৰ। জানা ৰুবুল যিদিনা তেওঁ প্ৰথম কলেজলৈ নাম ভৰ্ত্তি কৰিবলৈ যাব তাৰ যে কি আনন্দ!! মই সিদিনা কি কৰিছিলো জানানে ৰুবুল? নিজৰ হাতৰ আঙুলি কাটি ৰক্তিম তেজৰ তিলক আঁকি দিছিলো দাদাৰ কপালত।"

ৰ'দেৰে জিলমিলাই থকা আকাশখনত ইতিমধ্যে বিষাদৰ কলীয়া ডাৱৰে ছানি ধৰিছিল। কলেজ পোৱাৰ বহু আগতেই মটৰ দুৰ্ঘটনাত পতিত হৈ ককায়েকৰ নিথৰ দেহটো পৰি ৰৈছিল ৰাজপথৰ দাঁতিত। এইদৰেই ককায়েকৰ সপোনবোৰ ব্যস্ত চহৰৰ কোলাহলৰ মাজত হেৰাই গ'ল।

"নূপুৰ তুমি বাৰু জন্মৰে পৰা দৃষ্টিহীনা নেকি? মোক ক্ষমা কৰিবা নূপুৰ!! মই তোমাক ব্যক্তিগত কথা সুধি দুখ দিছো।"

"নাই ৰুবুল, হৃদয়ত চেপি ৰখা অস্ফুট আৰ্তনাদবোৰ তোমাৰ আগত প্ৰকাশ কৰি বুকুখন অলপ পাতল লাগিছে।"

--খোলা খিৰিকীখনেৰে এজাক মলয়া বতাহে কোঠাটোলৈ বকুলৰ মিঠা সুবাস কঢ়িয়াই আনিছিল। বতাহত তাইৰ বাদামী ৰঙৰ কেকুৰা চুলিবোৰ উৰিছিল।

নূপুৰ সৰুতে গছৰ পৰা পৰি দুচকুত আঘাত পাইছিল। তাৰ পিছৰ পৰাই লাহে লাহে দুচকুৰে নেদেখা হ'ল। আৰু তাই এতিয়া চিৰ অন্ধ।

"জানা ৰুবুল কেতিয়াবা ইচ্ছা হয় এইখন পৃথিৱীৰ পৰা চিৰদিনৰ বাবে গুচি যাম কোনোবা নতুন পৃথিৱীলৈ। কিন্তু মাৰ অসহায়ৰ কথা ভাবি ...।" নূপুৰৰ দুগালেদি বেদনাৰ নিয়ৰবোৰ টপ টপকৈ সৰিব ধৰিলে। ৰুবুলৰ দুচকু সেমেকি উঠিল। তেওঁ নূপুৰৰ শুভ্ৰ কোমল হাত এখনিত আলফুলে ধৰি ক'লে --

"কোৱা নূপুৰ আজিৰ পৰা আৰু এনেকুৱা কথা কেতিয়াও নকওঁ বুলি? কোৱা .... নহ'লে ময়ো গুচি যাম তোমালোকক এৰি কোনোবা...........। নূপুৰ মোৰ প্ৰতি তোমাৰ অকণো মৰম নাইনে??"

"ৰুবুল! মোৰ ভুল হৈছে মোক ক্ষমা কৰা। ৰুবুল মই তোমাক খুব ভাল পাওঁ!! মোক এৰি তুমি ক'লৈকো যাব নোৱাৰা ৰুবুল!!"

নূপুৰৰ দুগালেদি বাগৰি অহা চকুলোখিনি ৰুবুলে আলফুলে মচি দি ক'লে — "তুমি চিন্তা নকৰিবা নূপুৰ। তোমাৰ দৃষ্টি শক্তি এদিন নহয় এদিন ঘূৰি আহিবই। মই ইতিমধ্যে মনিক সকলোখিনি কৈছোৱেই। তেওঁ আমাক যেনে তেনে লগ কৰিব কৈছে। চিন্তাৰ কোনো কাৰণ নাই নূপুৰ। মোৰ দৃঢ় বিশ্বাস তুমি দৃষ্টি শক্তি ঘূৰাই পাবাই।"

"ৰুবুল মই দৃষ্টি শক্তি ঘূৰাই পোৱাৰ পিছত চকুমেলি যদি তোমাকেই প্ৰথম দেখিলোহেঁতেন।"

"আৰু যদি দৃষ্টি পোৱাৰ পিছত মোক প্ৰথমে নেদেখা .......?

"তেনেকৈ নকবা ৰুবুল, দুচকুৰ জেউতী ঘূৰাই পোৱাৰ পিছতো যদি মোৰ বুকুৰ স্পন্দন ৰুবুলকেই দেখা নাপাওঁ তাতকৈ মোৰ অন্ধতাই শ্ৰেয়।"

"নূপুৰ তেনেকৈ কিয় কৈছা ...... মইতো তোমাৰ দুচকুৰ মণি হৈয়ে থাকিম। আৰু তুমি জানো মোক অন্তৰেৰে দেখা নাই?"

"এৰা ৰুবুল!!"

সঁচাকৈয়ে দূৰৰ পাহাৰখন দেখিবলৈ খুবেই ধুনীয়া, কিন্তু ওচৰ পোৱাৰ লগে লগেই অনুভৱ কৰিব পাৰি পাহাৰৰ ভয়াবহ নগ্নতা। নূপুৰহঁতৰ ঘৰখনত বাৰু কি নাই? সুন্দৰ এখনি ফুলনি, স্বচ্ছ-পৰিপাটি ৰুম, মাৰ্জিত শান্ত আচৰণ। যেন কতো একো হোৱা নাই তথাপিও........ এৰা ৰুবুলৰ ওপৰতেই কমখন ধুমুহা পাৰ হৈ যোৱা নাইনে? বিষাদৰ গধুৰ হিমালয় পৰ্ব্বতখন বুকুত বান্ধি ৰুবুলে জীয়াই আছে এজন নিৰ্ভীক সৈনিকৰ দৰে। আজি ৰুবুলৰ মনত অতীতৰ বহুতো স্মৃতিয়েই দোলা দিব ধৰিলে। এখনি সৰু ফুলনিৰ মাজত মাকৰ হাতত ধৰি জোনবাইৰ দেশলৈ যোৱাৰ কথা ; মাকৰ কণ্ঠৰ অমিয়া গীতৰ সুৰে ৰুবুলক অস্থিৰ কৰি তোলাৰ কথা ....। ৰুবুলৰ দুচকুত বাৰে বাৰে ভাহি উঠিল মাকৰ সেই মৰম লগা শান্ত সমাহিত, গম্ভীৰ শুভ্ৰ মুখনি। হঠাতে ৰুবুলে চিৎকাৰ কৰি উঠিল — 'মা তুমি ক'ত!!' ৰুবুলৰ নিজকে বৰ অসহায় যেন লাগিল। এটি নিষ্পাপ শিশুৰ দৰে নিশাৰ নিৰ্জনতাত গাৰুত মুখ গুজি ৰুবুল ফেকুৰি উঠিল।

ইতিমধ্যে পূব আকাশত পুৱাৰ অৰুণে হেঙুলি বৰণ চৰাইছে। দুই এডাল পোহৰৰ সোণালী ৰেখা ৰুবুলৰ নিমজ গাল দুখনিত আলফুলে চুমা যাচিলে। নূপুৰে বজোৱা ভায়োলিনৰ কৰুণ সুৰবোৰ ৰুবুলৰ কাণত পৰিল। নূপুৰে গীত গাই আছে, ৰুবুলে মন্ত্ৰ মুগ্ধৰ দৰে শুনি আছে তাইৰ কণ্ঠৰ ৰাগিনীবোৰ। এয়া গীত নহয়, এয়া যেন বিষাদ সাগৰৰ কৰুণ কল্লোল, এয়া নূপুৰৰ বুকুত চেপি ৰখা বেদনাৰ তপত হুমনিয়াহ!!

ৰুবুলে বিছনাখনৰ পৰা একে জাপে উঠিল। আজি দেখোন নূপুৰকলৈ ডাঃ মনিময়ৰ ওচৰলৈ যাব লাগিব। ৰুবুলে সোনকালে হাতমুখ ধুই চাহ জলপান খাই নূপুৰক লৈ ডাক্তৰৰ ওচৰ পালেগৈ। ডাঃ মনিময় এজন ভাল নাম কৰা নেত্ৰ বিশেষজ্ঞ।

"ৰুবুল, সঁচাকৈয়ে তোৰ নূপুৰ খুব ভাগ্যৱতী ছোৱালী।" ভাল হোৱাৰ সম্ভাবনা ৮০% আছে। নূপুৰৰ বাবে এতিয়া কৰ্ণিয়াৰ বিশেষ প্ৰয়োজন।

"সকলো হৈ যাব।" তই মাথো তোৰ কাম কৰি যা। মনি, এতিয়া মোৰ শেষ আশা নূপুৰে যেন দৃষ্টি শক্তি ঘূৰাই পায়। প্লিজ মনি, তই যিমান পাৰ সোনকালে কৰ। তই হয়তো নাজান মনি, নূপুৰক মই কিমান ভাল পাওঁ। এই জনমত তাইক আপোন কৰি লোৱাৰ খুব ইচ্ছা আছিল। কিন্তু .......???"

প্লিজ, ৰুবুল আৰু নকবি। মই তোৰ কথা আখৰে আখৰে পালন কৰিম। কিন্তু ৰুবুল, তোৰ দৰে এজন বন্ধু এই জনমত মই কাহানিও বিচাৰি নাপাম। ৰুবুল তই যে আজীৱন ত্যাগেই কৰিলি, কিন্তু তই যে একোৱে নাপালি বন্ধু!"

নূপুৰৰ অপাৰেশ্বন সোনকালে হৈ গ'ল। চেতনা ঘূৰি অহাৰ লগে লগে তাই চকুমেলি চালে। চকুমেলি প্ৰথমেই মাকক দেখা পাই তাই চিঞৰি উঠিল — "মা মা মই তোমাক দেখা পাইছো মা, মই সকলোবোৰ দেখিবলৈ পাইছো। কিন্তু মা ৰুবুল ক'ত? ক'ত আছে তেওঁ? মোৰ ৰুবুল ........" "আছে মাজনী,

সি হেনো কিবা এটা সকামত বাহিৰলৈ ওলাই গৈছে। আহোতে অলপ পলম হ'ব পাৰে। তোমাক চিন্তা কৰিবলৈ মানা কৰিছে।"

আজি ডাঃ মনিময়ে নূপুৰক 'ৰিলিজ' দিছে। তেওঁলোকে আজি ঘৰলৈ যাব। ডাঃ চলিহাই লাগতিয়াল ঔষধ পাতি দি তেওঁলোকক বিদায় জনাবলৈ আহিছে। যোৱাৰ সময়ত মিছেছ শইকীয়া আৰু নূপুৰৰ দুচকু চল্‌চলীয়া হ'ল। মিছেছ শইকীয়াই থোকা থুকি মাতেৰে ক'লে -- "আপোনাক ধন্যবাদ জনাই সৰু কৰিব খোজা নাই। আপোনাৰ অনুগ্ৰহৰ কথা জীয়াই থকা দিন কেইটাত পাহৰিব নোৱাৰো।"

"নাই মাহীদেউ, এই সকলোবোৰ সম্ভৱ হৈছে একমাত্ৰ ৰুবুলৰ বাবেহে। মই মাথো মোৰ কৰ্তব্য কৰি গৈছো মাহীদেউ!!" ডঃ মনিময়ে মিছেছ শইকীয়াক ভিতৰলৈ মাতি নি কিবা ক'লে। মিছেছ শইকীয়াই বুকুত এবোজা দুখ কঢ়িয়াই উভতি আহিল। নূপুৰে মাকৰ মেঘাচ্ছন্ন মুখৰ অৰ্থ বুজি নাপালে। তাই নিথৰ মূৰ্ত্তিৰ দৰে প্ৰশান্তভাৱে প্ৰশ্নবোধক দৃষ্টিৰে অসহায়ভাৱে মাকৰ মুখলৈ নিষ্পলক নেত্ৰেৰে চাই ৰ'ল।

নূপুৰ তোমালোকৰ বাবে বাহিৰত বহুতো শুভাকাঙ্খী ৰৈ আছে। "অ' নূপুৰ এয়া লোৱা। তোমাৰ চিঠি। ৰুবুলে তোমাক দি গৈছে।" ডাঃ চলিহাই ক'লে। নূপুৰে বৰ আগ্ৰহেৰে চিঠিখন দুহাতত তুলি ল'লে।

ডাঃ চলিহাই বাহিৰত ৰৈ থকা মাৰুতীখনত নূপুৰহঁতক উঠাই দিলে। নূপুৰে খোলা খিৰিকীখনেৰে পশ্চিমাকাশত অস্তযোৱা সুৰুযৰ ৰঙা নীলা আভাবোৰত ৰুবুলক বিচাৰিব ধৰিলে।

ঘৰলৈ আহি ৰুবুলে থকা কোঠাটোত সোমাই ৰুবুলৰ পেণ্ট-চাৰ্টবোৰ, টেবুলত পৰি থকা কিতাপবোৰ চাই নূপুৰৰ মনটোৱে হাহাকাৰ কৰি উঠিল। তাই লৰালৰিকৈ দৰ্জাৰ হুকডাল লগাই আৰামী চকীখনত মূৰটো ভেজা দি অধীৰ আগ্ৰহেৰে চিঠিখনৰ লেফাফাৰ মুখৰ আঠাখিনি এৰুৱাব খোজোতেই -- এখন ধুনীয়া ফটোগ্ৰাফ তাইৰ হাতত পৰিল! "আহ! ৰুবুল তুমি, তুমি ইমান ধুনীয়া!! কি সুন্দৰ তোমাৰ চকুযুৰি!! সঁচাকৈয়ে ৰুবুল তুমি খুবেই ধুনীয়া!"

নূপুৰে অতি কষ্টেৰে নিজক সংযত কৰি লাহে লাহে পঢ়ি গ'ল --

মোৰ হৃদয় স্পন্দন "নূপুৰ",

হৃদয় মণিকূটত মাথো তোমাৰ বাবে সাঁচি থোৱা অসীম মৰমবোৰ ল'বা। এই চিঠিখন তোমাৰ হাতত পৰাৰ বহু আগতেই মোৰ আত্মাই এইখন পৃথিৱী এৰি কোনোবা অচিন পৃথিৱীত মিলি গৈছে। নূপুৰ, কি কৰিম কোৱা ; মই যে দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হৈছিলো। মোৰ মৃত্যুৰ সময়ত তোমাক দি যাবলৈ মোৰ যে একোৱে নাছিল। সেয়ে মোৰ চকুযুৰি তোমাক .....।

নূপুৰ, তুমি হয়তো কল্পনা কৰিব নোৱাৰিছিলা ..... মই তোমাক কিমান..... কিমান ভাল পাইছিলো। তোমাক মই কিমান ভাল পাওঁ জীয়াই থাকোতে সেইখিনি কোৱাৰ প্ৰয়োজনবোধ কৰা নাছিলো। তোমাক ভাল পাওঁ বুলি কৈ হৃদয়ৰ দুঃসহ বেদনা সহ্য কৰাৰ ক্ষমতা মোৰ নাছিল।

নূপুৰ তোমাৰ দ্বিতীয় আশাটো পূৰণ কৰিব নোৱাৰিলো। চিঠিৰ মাজত তোমাৰ বাবে মোৰ ফটো এক'পি পঠাইছো, তাৰেই সান্ত্বনা ল'বলৈ চেষ্টা কৰিবা, "সোণজনী!!"

জানা নূপুৰ, মানুহে নিজ কল্পনা অনুসৰি জীৱনৰ বাগিছাখন সজাব খুজিলেও কেতিয়াবা সেয়া সম্ভৱ হৈ নুঠে। কাৰণ আমাৰ কল্পনাবোৰক নেদেখা কোনোবাজনে নিয়ন্ত্ৰণ কৰে। বাৰু সেইবোৰ বাদ দিয়া নূপুৰ!

নূপুৰ -- জোনাক নিশা তৰাভৰা আকাশখনলৈ চাবা মই এটি তৰাহৈ ৰ' লাগি চাই থাকিম তোমাৰ দুচকুলৈ।

তোমাৰ প্ৰিয় ৰং সেউজীয়াহৈ ময়তো পৃথিৱীৰ গছে পাতেই আছো নূপুৰ!! মইতো তোমাৰ মাজতেই বিলীন হৈ আছো নূপুৰ!!

"নূপুৰ আৰু যে শক্তি পোৱা নাই লিখিবলৈ, ভাষাবোৰ হেৰাই গৈছে, দুচকুৰে খুব আন্ধাৰ দেখিছো! আহ! নূপুৰ, কি যে দুঃসহ বেদনা। তোমাক দুখ দিয়াৰ বাবে ক্ষমা কৰিবা নূপুৰ!!"

তোমালৈ পুনৰ এবুকু মৰমেৰে—

তোমাৰ শুভাকাঙ্খী

"ৰুবুল"

নূপুৰৰ মূৰত যেন আকাশী সৰগ ভাগি পৰিল। আহত কপৌৰ দৰে নূপুৰে ছট্‌ফটাব ধৰিলে। বুকুফাটি এক তীব্ৰ আৰ্তনাদ ওলাই আহিল। চিঠিখন লাহে লাহে হাতৰ পৰা খহি পৰিল। নূপুৰৰ সমস্ত শৰীৰ অৱশহৈ আহিল। লাহে লাহে তাইৰ অসাৰ দেহাটো মাটিত ঢলি পৰিল।। ■

# পৰিৱৰ্তন

✦ ৰাজকুমাৰ নাথ
স্নাতক তৃতীয় বৰ্ষ

* * * * সেইদিনা বিশ ফেব্ৰুৱাৰী। কলেজত সৰস্বতী পূজাৰ দিন।

ঃ এই ৰাজ, ব'লা সৰস্বতী মাক সেৱা কৰি আশীৰ্বাদ লওঁ।

ঃ কিনো আশীৰ্বাদ ল'বা........?

ঃ ব'লাচোন আগতে। তুমি নাজানা দেৱীৰ ওচৰত আমি কি বিচৰা উচিত? সেইটোৱে বিচাৰিম জানা; যি তোমাৰ মোৰ বাবে শ্ৰেষ্ঠতম হ'ব পাৰে। বাদামী ওঠযুৰিত স্মিত হাঁহিৰ সৌন্দৰ্য্য বিয়পাই কৰিণাই মোৰ হাতত পইচা এটা গুজি দিছিল। এইটো লোৱা, সেৱা লওঁতে দেৱীলৈ দলিয়াই দিবা। সুদা হাতেৰে আশীৰ্বাদ লব নাপায় জানা।

ঃ "এই কৰিণা, আমি একেলগে সেৱা ল'লে তোমাৰ অসুবিধা নহ'ব জানো? মানে তোমাৰ ঘৰত কথাটো গ'ম পালে.........? গমটো পাবই......... মানুহবোৰে দেখিব যে..........।" ৰাজৰ কথাত কৰিণাৰ মুখাৱয়বত ক্ষন্তেকতে নিস্প্ৰভতাই ছানি ধৰিছিল। মুহূৰ্তৰ বাবে তাই মুক হৈ ৰৈছিল। তাৰ পিছত কিছু সপ্ৰতিভতাৰে কৈছিল।

ঃ মোৰ কথা তুমি চিন্তা নকৰিবা। মোৰ একো নহয় জানা। পাপাহঁতে এই কথা গমেই নাপাব চাবা! পাপাহঁতক ভয় কৰিয়েই আমি কি একো নকৰিম ৰাজ? মোক পাবৰ বাবে, আমি সুখী হ'বৰ বাবে তুমি জানো কিবা এটা পোৱাটো নিবিচৰা? সেই বাবে আমি দুয়ো একেলগে দেৱীৰ চৰণত প্ৰাৰ্থনা কৰিম ব'লা— তোমাৰ সোনকালে কিবা এটা হোৱাৰ বাবে। তোমাৰ চাকৰি এটা নহ'লে আমাৰ ভৱিষ্যত কি হ'ব, তুমি এবাৰ ভাবি চোৱাচোন! তুমিটো জানাই পাপা কিমান 'ষ্ট্ৰিক' মানুহ।

ঃ "দেৱীৰ চৰণত প্ৰাৰ্থনা কৰিলে চাকৰি পায় নেকি.........?" ৰাজৰ মুখেৰে শেঁতা হাঁহি এটা বাগৰি গ'ল। তেতিয়া কৰিণাই গহীন হৈ ক'লে—

ঃ ধেমালি নকৰিবাচোন ৰাজ, কথাবোৰ 'চিৰিয়াচলি' লোৱানা? তুমি হয়তো নাজানা মোক চাবলৈ আহিব বিচৰা কিমান ল'ৰাক পাপাই ওভতাই পঠিয়াইছে। কিয় জানা? কেৱল মোৰ গ্ৰেজুৱেচনটোৰ বাবে। এয়া........... আৰু দুমাহৰ পিছতে স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষা দিম। তাৰ পিছত পাপাই ভবাৰ দৰে সঁচাই যদি মোক চাবলৈ ল'ৰাক আহিবলৈ অনুমতি দিয়ে? নাই, মই আৰু ভাবিব নোৱাৰো ৰাজ.........।

ঃ গ্ৰেজুৱেচন নোহোৱাকৈ কোনে চাকৰি দিব মোক? তুমি দেখোন জানাই সৰুকৈ কিবা এটা কৰিবলৈ আজিকালি কিমান টকাৰ প্ৰয়োজন। ক'ত পাম মই ইমান টকা............? তথাপিও মইতো কিবা এটা নিবিচৰাকৈ বহি থকা নাই। যোৱা ডিচেম্বৰতে হ'বলগা ৰে'লৰেৰ চাকৰিটো কি কাৰণত হেৰুৱালো তুমিতো ভালদৰেই জানা। মোৰোতো মন যায় চাকৰিৰ 'ট্ৰেড মাৰ্ক' থকা ভাল ল'ৰা এটা হৈ তোমাৰ পাপাৰ সন্মুখত নিজকে উপস্থাপন কৰিবলৈ, আমাৰ প্ৰেমৰ কথা জাহিৰ কৰিবলৈ কিন্তু মই কি কৰিম কোৱা..........? মোৰ জানো কিবা উপায় আছে.........?

কৰিণাই থৰ হৈ সন্মুখৰ পিনে চাই আছিল। বোধকৰো তাইৰ মুখৰ মাত হেৰাইছিল। চকুদুটা জলমলাবলৈ আৰম্ভ কৰিছিল। দুখৰ প্ৰচ্ছায়াই আগুৰি ধৰিলে এনেদৰেই দুচকু তাইৰ জলমলীয়া হৈ উঠে। তাৰ পিছত তাই ক'লে—

ঃ তুমি দুখ নকৰিবা ৰাজ। সময় এতিয়াও শেষ হৈ যোৱা নাই নহয়। চাবা, ঈশ্বৰৰ আশীৰ্বাদ পালে হয়তো অহা কেইমাহতে সৰুকৈ কিবা এটা হ'ব। ঈশ্বৰ আমাৰ প্ৰতি সদয় নহ'বনে? ব'লা, এতিয়া সৰস্বতী মাৰ সন্মুখত সেৱা লওঁগৈ।

কৰিণাই ৰাজৰ চকুলৈ চাই আছিল। তাইৰ শান্ত সৌম্য লাৱণী মুখনিত ওলমি আছিল এখন দুখৰ আভৰণ। সেমেকা দুচকুৰ গভীৰতাই তাক যেন আকুলভাৱে কৈ আছিল সোনকালে কিবা এটা কৰিবলৈ। সি আহত হৈছিল, তাইৰ সকৰুণ চাৱনিত। ইয়াৰ পিছত কৰিণাৰ সৈতে একেলগে সেৱা লৈছিল— সৰস্বতী দেৱীৰ সন্মুখত।

কলেজৰ সৰস্বতী পূজাৰ পিছত কলেজলৈ অহাটো সমূলি বন্ধ হৈছিল কৰিণাৰ। ৰাজৰ সৈতে সৰস্বতী দেৱীৰ সন্মুখত সেৱা

লোৱা কথাটো তাইৰ পাপাক, খুড়াকহঁতে গম পাইছিল। তেতিয়াৰ পৰাই কৰিণাৰ ওপৰত চলিছিল তেওঁলোকৰ কঠোৰ শাসন। তাইক ওলোৱাটো তেওঁলোকে সমূলি বন্ধ কৰি দিছিল। আনকি নিজৰ পদূলিলৈকো। ৰাজৰ বুকুখন আশংকাত কঁপি উঠিছিল। কৰিণাক খন্তেক লগ ধৰি তাইৰ অৱস্থাৰ বুজ ল'বলৈ মনটো উদ্বাৱল হৈছিল। তাইক লগ পাবৰ বাবেই তাইৰ ঘৰৰ পদূলিৰে দিনটোত বহুবাৰ অহা-যোৱা কৰিছিল যদিও এবাৰো তাইক দেখা পোৱা নাছিল। কামৰ ব্যস্ততা দেখুৱাই পদূলিমুখত পহাৰদাৰীৰ দৰে থকা তাইৰ খুড়াক কিম্বা পাপাকে সেই সময়ত তালৈ কেৰাহিকৈ বিদ্ৰুপাত্মক চাৱনি নিক্ষেপ কৰিছিল।

টেলিফোনত বহুদিন বিচাৰিও পোৱা নাছিল তাইক। প্ৰত্যেকবাৰ ঘৰৰ মানুহে 'ৰিচিভাৰ' উঠাই তাৰ পৰা কোনো সঁহাৰি নাপাই থৈ দিছিল। অৱশেষত এদিন সি কৰিণাক পাইছিল টেলিফোনত। ফোনতেই তাই অতদিনে পৰিয়ালৰ লোকে দিয়া দুখ যন্ত্ৰণাৰ কতা হিয়া উজাৰি ব্যক্ত কৰিছিল। শোকাৰ্তকণ্ঠে বিনাই উচুপি দিছিল ফোনতেই। শেষত কৈছিল—

ঃ ৰাজ, তুমি আমাৰ পদূলিৰে বৰকৈ অহা-যোৱা নকৰিবাচোন। মোৰ বৰ ভয় লাগে তুমি আহিলে। মই জানো, মোক লগ পাবৰ বাবেই তুমি তেনে কৰা। কিন্তু তুমি জানো মোক লগ পাবা ৰাজ.........? মই যে সদায় ঘৰৰ কোঠাতে বন্দী হৈ থাকো। তোমাৰ কিবা এটা হ'ব বুলি মোৰ বৰ ভয় লাগে। পাপা-খুড়াহঁত আজিকালি পদূলিতে বৈ থাকে।

ঃ তুমি চিন্তা নকৰিবা কৰিণা। মোৰ একো নহয়..........।

ঃ নাই তুমি তেনে নকৰিবা ৰাজ। মোৰ কষ্টৰ কথা তুমি নাভাবিবা। তুমি আমাৰ পদূলিৰে পাৰ হৈ গ'লেই পাপাহঁতে মোক বৰ খং কৰে। কৰিণাৰ কথাত ৰাজৰ মুখৰ মাত হেৰাইছিল। দুচকু সেমেকি উঠিছিল তাৰ। ৰিচিভাৰটো কাণত লৈয়ে সি ডুব গৈছিল অইন এখন কল্পনা ৰাজ্যত; কৰিণা আৰু তাৰ সুখৰ সন্ধানত।

ঃ এই ৰাজ! থওঁনে? বৰকৈ কথা পাতিলে পাপাহঁতে গম পাব..............। মাজে মাজে ফোন কৰিবা হা...........। থওঁ.........?

মুখেৰে টু শব্দ এটাও উচ্চাৰণ নকৰাকৈ ৰিচিভাৰটো সি থৈ দিছিল। তাৰ প্ৰেমৰ বাবেই পৰিয়ালৰ পৰা তিক্ত কথা শুনিব লগা হোৱা কৰিণালৈ বেয়া লাগিছিল। এৰা, তাই সঁচাই বহু কষ্ট সহিব লগা হৈছে। তাৰ অকণমান প্ৰেম-ভালপোৱাৰ বাবেই যদি কাৰোবাৰ জীৱন সংঘাতময়, বিষাদময়, বিতৃষ্ণাময় অভিশপ্তময় হৈ পৰে, তেন্তে এই প্ৰেম ভালপোৱা তাৰ বাবে কিমান গ্ৰহণযোগ্য? এটা খবৰে, অলপ অনুকম্পাই যদি কৰিণাৰ জীৱন বিপন্ন কৰি তোলে, তাতকৈ সেইখিনি নকৰাটোৱে তাৰ বাবে শ্ৰেয়। তেনেকৈয়ে থাকক তাই। দুখৰ মাজতো কিজানি সুখৰ উৎস বিচাৰি পায়েই। অলপ সুখী হওঁকচোন তাই। ......... ৰাজে কথাবোৰ বিভিন্ন ধৰণে চিন্তা কৰিয়েই কৰিণাৰ বহুদিন খবৰ লোৱা নাছিল।



এদিনাখন সি কৰিণাৰ এখন হৃদয় বিদাৰক চিঠি পাইছিল। বান্ধৱী কুমাৰীৰ হতুৱাই চিঠিখন পঠিয়াইছিল তাই। চিঠিখনৰ প্ৰতিটো বাক্যই থকা-সৰকা কৰিছিল ৰাজৰ হিয়া। অসহায়তাই বেৰি ধৰাত দুচকুৰে দুখবোৰ নিগৰি ওলোৱাৰ উপক্ৰম হৈছিল। চিঠিখনত কৰিণাই লিখিছিল—

"ৰাজ মই কি কৰিম কোৱা...........? মইচোন কোনো সিদ্ধান্তই ল'ব পৰা নাই। চিন্তা শক্তিবোৰ জানো ক'ত হেৰাই গ'ল। পাপাহঁতৰ সন্তান হোৱাৰ বাবেই নিজৰ বিচাৰ বিবেচনাক বিসৰ্জন দি তেওঁলোকৰ প্ৰতিটো কথাকেই মানি ল'ব লাগিব বুলি মই কেতিয়াও ভবা নাছিলো।

কিন্তু ৰাজ, মোৰ মামী-পাপাই এই কথা নুবুজে। বুজিবলৈ চেষ্টা নকৰে। তেওঁলোকৰ এটাই মাথো অহংকাৰ - তেওঁলোক ধনী ঘৰৰ উচ্চ বংশৰ লোক। তুমি কি ভাবিছা ৰাজ..........? মই হয়তো আৰু বেছিদিন ঘৰত থাকিবলৈ নাপাম। পাপাহঁতৰ অপচন্দত তোমাক ভালপোৱাৰ বাবেই শুনিছো অহা কেইদিনমানতে মোক দেখুৱাবলৈ পাপাই ল'ৰা আনিব। তেজপুৰৰ। কিবা চাকৰি কৰে হেনো! — কথাটো জনাৰ পৰাই মই কেনেকৈ দিনবোৰ কটাইছো, সেয়া তুমি নুবুজিবা। পাপাহতঁক বিয়াৰ ক্ষেত্ৰত মই একোকে ক'ব পৰা নাই। তেওঁলোকে যে নিজৰ সিদ্ধান্তত অলৰ-অচৰ হৈ আছে।"

ৰাজে তাইক বৰ আলফুলে সুমুৱাই থৈছিল তাৰ প্ৰেমৰ পঁজাটিত............। তাইক সেইকথা জনাবলৈকে সেইদিনা সি সিহতঁৰ ঘৰলৈ গৈছিল। কৰিণাৰ দেউতাকক লগ পাবলৈ...........।

ৰাজৰ উপস্থিতিত দেউতাকে প্ৰথমে বিৰ্চুতি খাইছিল।

তথাপিতো তাৰ কাষত বহিছিল তেওঁ। সি ব্যক্ত কৰিছিল যে তাৰ কৰিণাৰ সৈতে কোনো ধৰণৰ প্ৰেমৰ সম্পৰ্ক নাই। সি এনেদৰে কোৱাৰ কাৰণ হ'ল— ইতিমধ্যে কৰিণাৰ নিজৰ কৰি লোৱাৰ আশাবোৰ হেৰাই গৈছিল। সেয়ে তাই তাৰ প্ৰেয়সী নহয়; বৰং এগৰাকী বান্ধৱী বুলি স্বীকাৰোক্তি দিছিল। ৰাজে কৰিণাৰ দেউতাকক এনেদৰে কৈছিল—

ঃ "এগৰাকী বান্ধৱী হিচাপে এজন ভাল পুৰুষৰ লগত বিয়া হৈ তাই সুখেৰে থকাটোৱেই মই বিচাৰো। মিছাতে আপোনালোকে মোক তাইৰ প্ৰেমিক বুলি সন্দেহ কৰি ভুল কৰিছে।" কথাখিনি কৈ যাওঁতে কৰিণাৰ দেউতাকে ৰুক্ষ দৃষ্টিৰে তাৰ দুচকুলৈ একেথৰে চাই আছিল। হয়তো তেওঁ জুখি চাব বিচাৰিছিল—সি সঁচাকৈয়ে কৈছেনে মিছাকৈয়ে কৈছে। তেতিয়া সি আহত হৈছিল, তেওঁৰ দৃষ্টিত। ইয়াৰ পিছত এখন চুক্তিপত্ৰত তেওঁ তাৰ পৰা স্বাক্ষৰ লৈছিল এনেদৰে— "কৰিণা কেৱল মোৰ এগৰাকী ভাল বান্ধৱী। তাইৰ বিয়াত মোৰ একো আপত্তি নাই।" স্বাক্ষৰটো পোৱাৰ পিছত কৰিণাৰ দেউতাকৰ ওঠৰ ফাকেৰে খহি পৰিছিল এক কুটিল হাঁহি। মুহূৰ্তৰ ভিতৰতে সি হৈ পৰিছিল তেওঁৰ লগতে ঘৰখনৰ বিশ্বাসী ব্যক্তি। লগে লগে তেওঁলোকে ৰাজক চাহ-পানীৰে আপ্যায়ন কৰিছিল আৰু কিছু সময়ৰ পিছত ভিতৰ কোঠাত আবদ্ধ কৰি থোৱা কৰিণাক তাইৰ বন্ধুৰ লগত কথা পাতিবলৈ কোঠাটোলৈ পঠিয়াই দিছিল। কৰিণাক দেখাৰ লগে লগে তাৰ বুকুখন কঁপিছিল।

এখুজি দুখুজিকৈ কোঠাটোত সোমাই কৰিণা তাৰ সন্মুখৰ চোফাখনত নিশ্চুপে বহি পৰিছিল। দুচকু ৰঙা পৰি সেমেকি আছিল। বিবৰ্ণতাৰ ওৰণি এখনে আৱৰি লৈছিল তাইৰ মুখাৱয়ব।

ঃ কেনে আছা কৰিণা? মোক বেয়া পাইছা নহয়? তুমি বেয়া নোপোৱাকৈ মই যে একোকে কৰিব নোৱাৰিলো। তোমাক অবাস্তৱ কথা এটা কওঁ শুনিবানে তুমি? তোমাক কিদৰে বুজাও। তোমাক নিজৰ কৰি লোৱাৰ খুবেই হেঁপাহ আছিল, কিন্তু এই জনমত তোমাক পোৱাৰ জোখেৰে উপযুক্ত হৈ নুঠিলো। অহা জনমত এজন ভাল ল'ৰা হৈ তোমাক ভাল পাম। তুমি তেতিয়া এনেদৰেই সুখী হ'ব নোৱাৰিবানে কৰিণা।

কৰিণাই একো উত্তৰ দিয়া নাছিল। নিস্পলক দৃষ্টিৰে তাই মাথো চাই আছিল খিৰিকীখনেৰে বাহিৰলৈ। উদ্দেশ্যহীন দৃষ্টি তাইৰ দুচকুৰ পতাত জমা হোৱা চকুপানীৰ টোপালবোৰ তাইৰ দুগালেৰে সৰসৰকৈ বৈ আহিছিল। ■





# মেঘে ঢকা বেলি

✦ বনদীপ কলিতা
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

আজিও ফুকন আৰু বৰা অফিচৰ পৰা ঘৰলৈ বুলি ৰেলষ্টেচনটোৰ পিনে খোজ ল'লে। প্লেটফৰ্মত সোমাই আজিও এক চেকিঙৰ সন্মুখীন হ'ল। ভালেমান বছৰৰ পৰা ষ্টেচনটোৰ নিৰাপত্তাৰ দায়িত্বত থকা কৰ্মচাৰী দুজনৰ সৈতে ফুকনহঁতৰ এক ধৰণৰ সম্পৰ্কই গঢ় লৈছিল। অফিচলৈ বুলি ফুকনহঁতে যিটো ষ্টেচনত, যিটো সময়ত নামিব লাগে, সেই সময়খিনি তেওঁলোকৰ বাবে এটা মুহূৰ্তহে হয়গৈ। অন্য সময়ত যিবোৰ মানুহৰ সৈতে কথাৰ মহলা মাৰিবলৈ ফুকনহঁতে আটাইতকৈ বেছি পছন্দ কৰে নাইবা যিবোৰ মানুহে ফুকনহঁতক সঘনাই বিচাৰি ফুৰে, তেনেবোৰ মানুহকো এইডোখৰ ঠাইত এইখিনি সময়ত লগ নাপাওঁক, ফুকনহঁতক নিবিচাৰক, ফুকনহঁতে এইখিনি সময়ত সেইটোৱেই কামনা কৰে। অগত্যা, কামনাৰ বিপৰীতে, তেনে পৰিস্থিতিৰ মুখামুখি হ'লে, খৰখোজেৰেই কথাৰ জাল গুঠিব লগা হয়। ফুকনৰ বাবে এই পদ্ধতি একেবাৰে মন নোখোৱা বিধৰ। খোজকাঢ়ি গৈ থাকোতে পতা কথাখিনিকেই, ঠিক একেখিনি কথাকেই যদি কৰবাত ভালদৰে বহিলৈ পাতিব পৰা গ'লহেতেন। লম্বোদৰ আৰু লিটিকা দেহটোৰ বাবে বৰাইও এই কথাটোৰ সৈতে অভ্যস্ত নহয়। ফুকনৰ দীঘল আৰু খৰ খোজৰ সৈতে কোনোমতে তাল মিলাই অফিচ পোৱাৰ পিছত কিছুদেৰিলৈকে ভাগৰ গুচায় বৰাই। তেনে ক্ষেত্ৰত এই সময়ত লগ পোৱা অতি চিনাকি আৰু আপোনজনো তেওঁৰ বাবে এক আপদহে হৈ পৰে। এনে ততাতৈয়াৰ মাজত ফুকনহঁতক যদিহে কোনোবাই নাম ধৰি নামাতে নাইবা কান্ধত চুই নিদিয়ে, তেওঁলোকৰ আশ-পাশৰ মানুহৰ মুখলৈ চোৱা নহয়গৈ, ষ্টেচনৰ ওলোৱা-সোমোৱা গে'টখনৰ সন্মুখত থিয়হৈ থকা টিকট পৰীক্ষকৰ মুখলৈও, নিৰাপত্তাৰ দায়িত্বত থকা কৰ্মচাৰীৰ মুখলৈও। অফিচ চুটিৰ পিছত ঘৰলৈ বুলি ৰেলখনৰ বাবে অপেক্ষা কৰোতে যিখিনি সময় ষ্টেচনটোত কটাব লগা হয়, সেই সময়খিনি অন্য কামৰ লগতে নিৰাপত্তাৰক্ষী দুজনৰ সৈতে অন্তৰংগ হোৱাৰ বাবে একেবাৰে কম বুলিব পৰা নাযায়। সেই দুজন কৰ্মচাৰীৰ কামৰ সময় দিনৰ দুই বজাৰ পৰা আৰম্ভ হয়। ওপৰন্তু কামৰ দায়িত্ব নাথাকিলে, ফুকনহঁতে চাৰি বাজি পোন্ধৰ-বিছ মিনিটতে ষ্টেচনৰ প্লেটফৰ্মত উঠে। পুৱাৰ ভাগত ৰে'লখনৰ পৰা নামি অফিচলৈ বুলি ঢাপলি মেলোতে লগা সময় আবেলি অফিচৰ পৰা ষ্টেচনলৈ বাট বুলোতে লগা সময়ৰ আধাতকৈ অকণমান বেছি হয়।

কিন্তু এই সম্পৰ্ক, অন্তৰংগতাইও কৰ্মচাৰীদুজনক ফুকনহঁতৰ প্ৰতি বিশ্বাসী হবলৈ সুযোগ দিয়া নাই। অন্ততঃ এইকেইদিনৰ বাবে ফুকনহঁতো তেওঁলোকৰ সন্দেহৰ উৰ্দ্ধত নহয়। তেওঁলোক দুজনৰ এজনে ফুকনৰ, আনজনে বৰাৰ প্ৰথমে লংপেণ্টৰ পকেট থকা অংশ হেঁচুকি-পিটিকি, হাতৰ তলুৱা দুখন লাহে লাহে ওপৰলৈ চুচৰি নি কাষলতিৰ কাষত ৰখাই দিলে। এনে কৰোঁতে অন্য মানুহৰ দৰে ফুকনহঁতেও স্বতঃস্ফুৰ্তভাৱে উৰি থকা অৱস্থাত ডেউকা নোকোবাই সেই দুখন মাত্ৰ মেলি গৈ থকা চৰাইটোৰ দৰে নিজৰ হাত দুখন ওপৰলৈ দাঙি ধৰে। দুদিন পিছত হয়তো এই চেকিঙটো উঠাই দিয়া হ'ব। হাতবোৰো এইখিনি সময়ত, এই ঠাই ডোখৰত তেনেদৰে দাঙিব নালাগিব। লংপেণ্টৰ জেপ থকা অংশ, নিজৰ নিজৰ বেগবোৰ নিজৰ অনুমতি অবিহনে চুব নোৱাৰিব। আগদিনা এই ষ্টেচনটোৰ প্লেটফৰ্মত এটা বোমা বিস্ফোৰণ হৈছিল। প্লেটফৰ্মৰ মূধচৰ দুখনমান এচবেছটছ্ বিস্ফোৰণত উৰি গৈছিল। উৰি যোৱা অংশটোৰ ঠিক তলতেই আগতে অধিক মানুহৰ জুম আছিল। এতিয়া সেইখিনিত এজন মানুহো নাই। আবতৰত হে যোৱা বৰযুণে সেইডোখৰ তিয়াই থৈছে।

ফুকন মানে অমল ফুকন । তুলনামূলকভাৱে অলপ কম বয়সতেই অলপ বেছি জটিল সমস্যা, অধিক কুটিল আৰু তিক্ত অভিজ্ঞতাৰ সন্মুখীন হ'ব লগা হৈছিল। সমস্যা, ইবোৰৰ সমাধান, বাস্তৱ অভিজ্ঞতা, প্ৰত্যাহ্বান - এই আটাইবোৰে তেওঁক যেন কম বয়সতে পৰিপক্ক কৰি তুলিছিল। এই পৰিপক্কতাই তেওঁৰ বাবে সমস্যাবহুল জীৱনটোক চলাই নিয়াৰ এক মূলধন হিচাপে বিবেচিত হৈছিল। যোৱা বাৰ বছৰে, পৰম দায়বদ্ধতাৰে বৰ্ণময় কৰ্মজীৱনৰ মাজত নিজকে ডুবাই ৰাখি, যিখিনি আজৰি সময় লাভ কৰে, সেইখিনি সময়ৰ এটা

অংশ তেওঁৰ ব্যক্তিগত জীৱনৰ স্মৃতিবোৰ লিৰিকি বিদাৰি চোৱাত ব্যস্ত হৈ পৰে। পোকটো দেখাৰ লগে লগে জেঠীটোৰ মুখৰ ভিতৰত জিভাখনে লকলকায়, ঠেং দুখন পোকটোৰ পিনে আগুৱাই যায়, নেজডাল মুহূৰ্তৰ উত্তেজনাত কিছু ভাঁজ লাগে, ভাগৰৰ প্ৰশ্ন নাহে। ফুকনৰো ভাগৰ নালাগে। ৰে'লৰ খিৰিকীয়েদি চাই পঠোৱা বাহিৰৰ দৃশ্যৰাজিয়ে ফুকনক স্মৃতিৰ টোপোল খুলিবলৈ সুবিধা কৰি দিয়ে। সেউজ খেতি ড'ৰাই ঢাকি ধৰা পথাৰখনত কেইদিনমান আগতে বগা, পকা চপৰা আছিল। লাহে লাহে চপৰাবোৰ গুড়ি হ'ল, পথাৰখন মিহি হ'ল, সমান হ'ল। ইয়াৰ পিছত সেইখন এখন সেউজীয়া দলিচা হ'ল। এটাৰ পৰা আনটো পৰ্য্যায় পাবলৈ কিছু সময় লাগিল। সেউজীয়াবোৰ নোহোৱা হবলৈও সময় লাগিল। স্মৃতিৰ টোপোলাটোৰ ভিতৰত সৰু সৰু বহুতো টোপোলা আছে। মূল টোপোলাটো খোলোতে যিমান সময় লাগে, সেইটোৰ ভিতৰত সোমাই থকা সৰু সৰু টোপোলাৰ প্ৰতিটো খুলিবলৈ অধিক সময় লাগে ফুকনৰ। সেইবোৰৰ গাঁঠিবোৰ টান, জটিল, অধিক পাঁকখোৱা। সকলোবোৰ টোপোলা আজৰি সময়ৰ যিকোনো মুহূৰ্তত খুলিব নোখোজে ফুকনে। বাচি বাচি সযতনে খোলে। উদং পথাৰৰ পকা চপৰাৰ পৰা সেউজ হোৱা পথাৰলৈ গতানুগতিকতাৰ মাজত কেতিয়াবা ৰিঘিনি ঘটে। ফুকনৰো স্মৃতিত আঁউল লাগে, নিঃশব্দে নহয়।

ফুকনে সোমোৱাৰ পাঁচ বছৰৰ পিছত অনন্ত বৰাই সেইটো অফিচতে কামত যোগ দিয়ে। আৰে! ইহঁত দুটাৰ আকৌ হ'ল কি? ইমান লৰা ঢপৰা যে? অফিচলৈ বুলি এই প্ৰথমবাৰৰ বাবে ৰে'লত উঠি পোৱা আৰু ফুকনৰ সহযাত্ৰী হোৱা বৰাই দুজন ফেৰীৱালাৰ পিনে আঙুলিয়াই ফুকনক সুধিলে। কামত যোগদিয়াৰ পিছৰ বিশটা দিনলৈকে বৰাই বাছতে অহা-যোৱা কৰিছিল। কিন্তু অফিচলৈ অহা-যোৱাৰ নামত বাছৰ ভাড়াৰ বাবদ হোৱা খৰচৰ হিচাপ আৰু এই খৰচৰ সৈতে ৰে'লৰ "মাহিলী ছিজন টিকট" পদ্ধতি ললে হোৱা খৰচৰ মাজৰ এটা চকুত লগা ব্যৱধান ফুকনে বৰাৰ আগত দাঙি ধৰাৰ দুদিন পিছতেই বাছযাত্ৰীৰ পৰা নিয়মীয়া ৰে'লযাত্ৰী হৈ পৰিল অনন্ত বৰা। ফুকনৰ ৰে'লসংগী এজন বাঢ়িল। এনেয়েও ৰে'লযাত্ৰাত কথা পাতিবলৈ সংগীৰ অভাৱ নহয় কাৰো। ফুকনৰো। এইক্ষেত্ৰত ফুকনৰ যেন আসক্তিৰ মাত্ৰা কিছু কম হলেও, বিভিন্ন অফিচত কাম কৰা আৰু সেইবোৰলৈ ৰে'লত অহা-যোৱা কৰা লোকৰ সৈতে ফুকনো ঘনিষ্ঠ হৈ পৰিছে। ৰে'লখনত উঠাৰ কিছুসময় পিছত, বহিবলৈ ছিট পোৱাবোৰৰ ভিতৰৰ কিছুমানে তাচপাতৰ পেকেট খোলে, এক বিশেষ ভংগীৰে তাচ পাতবোৰৰ আঁউল লগায়, বুঢ়া আৰু মধ্যমা আঙুলিৰে একেলগ কৰি থোৱা তাচপাতবোৰৰ মাজৰ পৰা কেইখিলামান উলিয়াই ওপৰে তলে ঠপ-ঠপকৈ ঠিক কৰে, খেলিবলৈ বুলি সাজু হোৱা তিনি-চাৰিজনৰ কোঁচত সেইবোৰ বিলাই দিয়া হয়। ৰে'লৰ এইছোৱা যাত্ৰাত ভুলতো ফুকনে তাচৰ পাত হাতত নলয়। ইয়াৰ সলনি তেওঁলোকৰ ৰেহ-ৰূপ চাই থাকিবলৈহে ভাল পায়। তেওঁলোকৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া, কাৰ্য্যকলাপ নিখুঁতভাৱে জানিবলৈ, স্বভাৱ, অভ্যাস, প্ৰবৃত্তিবোৰ বুজি উঠিবলৈ যেন এই সময়খিনি ফুকনৰ জিম্মাত থাকেই। এই সময়খিনি সম্পূৰ্ণৰূপে কামত লগাবলৈ চেষ্টাৰ কাৰ্পণ্য নকৰে। ইয়াকে কৰিবলৈ যাওঁতে এক নিৰাপদ দূৰত্বত অৱস্থান কৰে ফুকনে।

"হু!" ৰে'লযাত্ৰাৰ প্ৰথম অভিজ্ঞতাৰে বৰাই ভাৱত বিভোৰ হৈ থকা ফুকনক সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ প্ৰথমে একপ্ৰকাৰ চক খালে। বৰাই পুনৰ সুধিলে। ক্ষীণ হাঁহি এটাৰে ফুকনে বৰাৰ প্ৰশ্নৰ সঁহাৰি জনালে। "অ, সেইকেইটা? সিহঁতে নামিবৰ হ'ল।" ফুকনে কলে। "কিন্তু ষ্টেচন পাবলৈ এতিয়াও ভালেখিনি সময় আছে, তেনে স্থলত ইমান লৰা লৰি?" — ফেৰীৱালা দুজনৰ আচৰণ, বস্তু বিকিবলৈ সিহঁতে দেখুওৱা তৎপৰতা বৰাৰ স্বাভাৱিকযেন নালাগিল। "সৌৱা, সেইকেইটাইটো তেনেকুৱাখন কৰা নাই?" বৰাৰ প্ৰশ্নত ফুকনে গহীনাই কলে, সিহঁত আমি অলপ আগতে পাৰ হৈ অহা ষ্টেচনটোত উঠিছিল। আমি য'ত নামিম, সিহঁত তাতহে নামিব, বহুদেৰি আছে।" কিন্তু খৰধৰ লগোৱা, আগতকৈ কিছু উচ্চ স্বৰত সিহঁতে নিজৰ নিজৰ বিকিবলৈ অনা বস্তুৰ নাম ধৰি চিঞৰি চিঞৰি খৰ খোজেৰে আগলৈ গৈ থকা এই দুজন ফেৰীৱালা ক'ত উঠিছিল? ফুকনে মনত পেলাবৰ চেষ্টা কৰিলে।

ফুকনৰ শহুৰেকৰ তালৈ যাবলৈ বাছৰ তুলনাত ৰে'লতে সুবিধা বেছি। অফিচলৈ বুলি ফুকনহঁতে যিটো ষ্টেচনত নামিব লাগে, সেইটো পোৱাৰ দুটা ষ্টেচন আগতে নামিব লাগে। ষ্টেচনৰ পৰা শহুৰেকৰ ঘৰলৈ সাধাৰণ খোজেৰে দহ মিনিটৰ বাট। ৰাতিপুৱা ষ্টেচনৰ পৰা অফিচলৈ ফুকনহঁতে খৰখোজেৰ যাওঁতে যিমান সময় লাগে সিমান। ঘৰৰ পৰা অফিচলৈ ৰেলখনত গৈ থাকোতে সেই ষ্টেচনটো পালে ফুকনৰ চকু ষ্টেচনটোৰ আশে পাশে বাগৰিবলৈ ধৰে। জী-জোঁৱায়েকৰ খবৰ লবলৈ নাইবা তেওঁলোকক খবৰ দিবলৈ বাট চাই থাকিবওতো পাৰে। মানুহজনীৰ দেউতাকে ষ্টেচনত নাথাকে, তাৰ আশ-পাশতো

নাথাকে। কিন্তু ফুকনৰ চকুৰে দুবাৰমান তাতে ফুৰি লয়। অফিচৰ পৰা ঘৰমুৱা হওঁতে ফুকনৰ সেই উৎসুকতা নাথাকে, চকু নাবাগৰে ষ্টেচনৰ ফালে। নিজৰ মানুহজনীৰ সৈতে তালৈ গ'লে কথাটো সুকীয়া। অকল তালৈ বুলিয়ে নহয়, ৰে'লত উঠি কোনো ঠাইলৈয়ে যাবলৈ পচন্দ নকৰে ফুকনৰ ঘৈণীয়েকে। কিবা আচহুৱা আচহুৱা লাগে হেনো পৰিবেশটো। ফুকনে অকলে নাইবা মানুহজনীৰ বাহিৰে অইন কাৰোবাৰ সৈতে তালৈ গ'লে ৰে'লৰ বাহিৰে অন্যত নাযায়। ঘৰৰ পৰা অফিচলৈ বুলি ফুকন আৰু বৰা যিটো ষ্টেচনত থিয় হয়, সেই একেটা ষ্টেচনতে যিবোৰ ফেৰীৱালা ৰে'লখনত উঠে; সিবোৰৰ যিমানক তেওঁ, মানে ফুকনে চিনি পায়, নাম নাজানিলেওঁ যিমানৰ চকুৰ সৈতে তেওঁ কথা পাতে, চিনাকী আছে, তাৰ তুলনাত শহুৰেকৰ ঘৰলৈ গ'লে যিটো ষ্টেচনত নামিব লাগে, তাত যিমানবোৰ ফেৰীৱালা উঠে বা নামে, সেইবাৰৰ আনকি নামবোৰে বেছি মনত আছে ফুকনৰ। ইয়াৰ লগে লগে, সিহঁতৰ কোনে ক'ত উঠিছিল, সেইটো মনত পেলোৱাত বিশেষ কষ্ট নহয়। তাৰ মানে, লৰা-ঢপৰা কৰা এই দুজন ফেৰীৱালাই, যিদুজনক উদ্দেশ্যি বৰা ফুকনক ইংগিত কৰিছিল, ফুকনহঁতে নামিব লগা ষ্টেচনটো পোৱাৰ দুটা ষ্টেচন আগত নামিব। সেইদুজনে, ফুকনহঁতে উঠা ষ্টেচনটোৰ ঠিক পিছৰটোত একেটা ডবাতে উঠিছিল। এই দুজনৰ ঘৰ ফুকনৰ শহুৰেকৰ ঘৰৰ পৰা বেছি নিলগত নহয়। 'আচলতে কি জানে" — বৰাৰ মুখামুখিকৈ বহি থকা ফুকনে সোঁহাতৰ আটাইবোৰ আঙুলি ইটোৰ পৰা সিটো মেলি ধৰি সোঁ উৰুত অকণমান হেঁচা দি বৰালৈ চাই কলে — ৰে'লখনত উঠাৰ লগে লগে আৰু নামিবৰ কিছু সময় আগতে সিহঁতে দেখুওৱা আচৰণৰ মাজত বৰ মিল থাকে। দুয়োক্ষেত্ৰতে সিহঁতে বিকিব লগা বস্তুবোৰৰ নাম অধিক খৰকৈ আৰু অধিক উচ্চ স্বৰত উচ্চাৰণ কৰে। চিঞৰৰ লগে লগে খোজবোৰো অধিক খৰ হয়। প্ৰথমটো ক্ষেত্ৰত সিহঁত কিছু সতেজ হৈ থকা বাবে, আৰু দ্বিতীয়টো ক্ষেত্ৰত বিকিবলৈ বুলি থাকি যোৱাখিনি ৰে'লৰ পৰা নমাৰ আগে আগে সোনকালে বিক্ৰী কৰি উদং কৰিবলৈ পাৰ্যমানে কৰা চেষ্টাৰ বাবে। দুয়োটা ক্ষেত্ৰতে সিহঁত তৎপৰ হৈ পৰে। এই তৎপৰতাই সিহঁতৰ চিঞৰ আৰু খোজৰ গতিক অইন যাত্ৰীবোৰৰ চকুত লক্ষ্যণীয় কৰি তোলে। কিন্তু এই দুজনৰ" — স্বাভাৱিক গতিত ফুকনহঁতৰ ফালে আহি থকা অইন দুজন ফেৰীৱালালৈ বুলি ইংগিত দি বৰালৈ চাই ফুকনে ক'লে — "এতিয়াও নামিবৰ হোৱা নাই, আমি নমা ষ্টেচনতহে নামিব।" সিহঁতৰ এজনৰ সোঁহাতত এটা ডাঙৰ কেটলী আৰু সিখন হাতত এখন এলুমিনিয়ামৰ ট্ৰে'। ট্ৰে'খনত এটাৰ ওপৰত আনটো তলমূৰাকৈ থৈ দিয়া, এবাৰ ব্যৱহাৰ কৰি পেলাই দিব লগা প্লাষ্টিকৰ কেইটামান সৰু সৰু গিলাচ আৰু ঈষৎ হালধীয়া ৰঙৰ বাকলিৰ নেমুৰ টুকুৰা কিছুমান। তাৰে এডোখৰ ইতিমধ্যে চেপি চেপি ভাঁজ কৰা। ফুকনহঁতে যদি সেইজনৰ পৰা ফিকা চাহ খাব খোজে, আৰু চাহত নেমুৰ ৰস এটোপা পেলাই দিয়াটো বিচাৰে; হয়তো সেই ভাঁজ খোৱা ডোখৰৰ পৰাই ৰস ওলাব। আনজনৰ কান্ধৰ পিছফালে, মেল খাই থকা টুপ নথকা ছাটি এটা তলমূৰাকৈ ধৰি সেইটো বগা কাপোৰ এখনেৰে বান্ধিলে যেনেকুৱা দেখি, তেনে ধৰণে, বাঁহৰ পাচি এটাত টেকেলি পিঠা ভৰাই, সেইখিনি ৰঙা কপাহী কাপোৰ এখনেৰে মেৰিয়াই পাচিটো বগা ডাঙৰ অন্য এখন কাপোৰেৰে ওলমাই পিচে পিচে চিঞৰি চিঞৰি আহি আছে। এইখিনি সময়ত নিজ নিজ কামত ৰে'লখনত যোৱা যাত্ৰীবোৰৰ যিবিলাকে প্ৰায় লঘোণে ঘৰৰ পৰা ওলাব লগা হয়, সেই বিলাকৰ এটা অংশই এইজন ফেৰীৱালাৰ পিঠাৰে প্ৰাথমিক ভোককণ গুচোৱাৰ কথা ঘৰতেই ভাবি আহে। ফুকন আৰু বৰাৰ তেনে সমস্যা নাথাকে। তথাপিও, দুয়োখন কানৰ সন্মুখলৈ বৈ অহা মুগা বৰণ লোৱা তেল পিছল সামান্য কেকোঁৱা চুলিখিনিৰ সৈতে সেইজন ফেৰীৱালা তেওঁলোক দুজনৰ বহুদিনৰ চিনাকী। এই দুজন ফেৰীৱালা এতিয়াই নামিবৰ হোৱা নাই। সেইকাৰণে ইমান লৰালৰিও কৰা নাই। ঠিক অলপ আগতে পাৰ হৈ অহা ষ্টেচনতো উঠা নাই। ফুকনৰ কথাত বৰাই মূৰ দুপিয়াইছিল।

ইয়াৰ পিছৰ দিনবোৰত ৰে'লযাত্ৰাত প্ৰত্যক্ষ কৰা, বিভিন্ন সময়ত ঘটা ঘটনাবোৰৰ আঁৰৰ কথা বৰাৰ আগত ব্যাখ্যা কৰিব লগা হৈছে ফুকনে। আঁউল ভাঙিব লগা হৈছে বৰাৰ। পাৰ হৈ অহা ষ্টেচনটোৰ তুলনাত এই ষ্টেচনত ৰে'লখন কিয় বেছিসময় ৰ'ল, অইন দিনতকৈ সেই একেটা ষ্টেচনতে পিছদিনাখন কিয় বেছি সময় ৰখাই থৈ দিয়া হ'ল, তেওঁলোকে গৈ থকা ৰে'লখন ৰখাই, পিচে পিচে আহি থকা খনক কিয় কোনোবা এটা ষ্টেচনৰ পৰা আগে আগে গৈ থাকিব দিয়া হয়, কিয় হঠাতে ৰে'লখনৰ গতি অতি মন্থৰ কৰি তোলা হয় — ইত্যাদি বৰাৰ এশ এবুৰি প্ৰশ্নই ফুকনক বিৰক্ত অৱশ্যেই কৰা নাছিল। নিজেও সম্পূৰ্ণৰূপে আশ্বস্ত হ'ব নোৱাৰা উত্তৰৰ প্ৰথম নাইবা শেষৰ পিনে বোধহয়, কিজানিবা, হয়তো, সম্ভৱ আদি শব্দবোৰ যোৰা দিয়ে।

এবাৰ ফুকনহঁতে বহা ডবাটোত এহাল দম্পত্তিও বহি গৈছিল। ফুকনহঁত যিটো চিটত বহিছিল, তাৰ মুখামুখিকৈ থকা চিটটোৰ খিৰিকিৰ

কাষত থৈণিয়েক বহি পৰিল। গিৰিয়েকে লগে লগে মানুহজনীক ক'লে -- 'হেৰা, তুমি খিৰিকি কাষত বহাটো ঠিক নহব।' 'কিয়' বুলি মানুহজনীয়ে সোধাৰ লগে লগে "কথা আছে" বুলি কৈ মানুহজনে সেইখিনিত বহি পৰিল। গিৰিয়েকে আগতে বহা ঠাইডোখৰত থৈণীয়েক বহিল। অফিচ গৈ পোৱাত চেলাউৰিৰ মাজডোখৰ সংকুচিত কৰি বৰাই ফুকনক কথাটো সুধি পেলালে। 'কি হ'লহেতেননো মাইকীজনীয়ে তাত বহিলে?' "অ', সেইটো কথা?" ফুকনৰ দীৰ্ঘদিনীয়া অভিজ্ঞতাৰ স্বাভাৱিক অভিব্যক্তি। 'কাণত নাইবা ডিঙিত দামী অলংকাৰ নিপিন্ধাকৈ মাইকী মানুহেও ৰে'লৰ খিৰিকি কাষত বহি যাব পাৰে।' বৰাই উত্তৰটো বুজি লওঁতে প্ৰয়োজনতকৈ অধিক সময় লব লগা নহ'ল। ইয়াৰ কেইমাহমানৰ পিছত বৰাই শুনিলে -- তেওঁৰ সম্বন্ধীয়া ভতিজা ছোৱালীজনীয়ে ৰে'লত এঠাইলৈ বুলি খিৰিকিৰ কাষত বহি যাওঁতে কোনোবা এটা ষ্টেচনত তাইৰ সোঁকানৰ খাঁটি সোণৰ ৰিঙটোত পলকতে কোনোবাই আঙুলি সুমুৱাই টান মাৰি উধাও হৈছিল। কাণৰ পৰা তেজ ওলোৱা আৰু ৰিঙটো লৈ চোৰজনে উধাও হোৱা -- এই দুয়োটা কথাতে তাই সমানে দুখ পাইছিল। 'ধৰ, ধৰ' বুলি কৈ 'চোৰ, চোৰ' বুলি কৰলৈ নৌপাওঁতেই ৰে'লখনে উকি মাৰি গতি লৈছিল।

এই কেইবছৰে ৰে'লত অহা যোৱা কৰি ৰে'লযাত্ৰীবোৰৰ ধৰণ-কৰণৰ বিষয়ে ফুকনে এটা সংক্ষিপ্ত ধাৰণা কৰি লব পৰা হৈছে। কোনজন মানুহ কেনে কামত ওলাইছে, কোনজনে উচিত টিকট লৈ যাত্ৰা কৰিছে, কোনে বিনা টিকটত যাত্ৰা কৰিছে, সেয়াও যেন তেওঁৰ অনুমানৰ আয়ত্বৰ বাহিৰত নাথাকিল। এবাৰ বৰাৰ ওচৰতে এজন আদবয়সীয়া মানুহ বহি গৈ আছিল। বহাৰ কেইটামান মুহূৰ্ত পাৰ হৈ যোৱাৰ পিচতেই বৰাৰ সৈতে মানুহজনৰ অলেখ কথা, কাহানিও শেষ নহব খোজা, নুশুকাব খোজা এটি কথাৰ নিজৰা। মানুহজনৰ কথা-বাৰ্তাত মানুহজনক বৰাৰ এজন কথা চহকী ভদ্ৰলোক যেন লাগিল। এনেতে কথা বন্ধ হ'ল। বেলিটোৱে নিজৰাৰ পানীখিনি একেঢোকে পি পেলালে। ভদ্ৰলোকজন উচ পিচাবলৈ ধৰিলে। নিজে বহি থকা ঠাইডোখৰ বৰাক ৰাখি থব কৈ মানুহজন ঘপহ কৰে থিয় হ'ল আৰু বহি থকা সময়ত যিমূৱা হৈ আছিল, তাৰ বিপৰীত দিশত দৌৰ মৰাদি অইন ডবাটোৰ ফালে ঢাপলি মেলিলে। মানুহজনৰ সৈতে হোৱা কথা বতৰাৰ পৰা বৰাই এইটো বুজিব পাৰিছিল যে তেওঁৰো গন্তব্য স্থল একেই। কিছু সময় পিছত সন্মুখৰ পৰা ৰে'লৰ টিকট পৰীক্ষক এজন বৰাহঁতৰ পিনে আহি থকা দেখা পালে। এনেতে বৰাহঁতৰ কাষত থিয়হৈ থকা মানুহজনে বহিবলৈ বুলি চিটটোৰ খালী ঠাইখিনিত থিয় দিয়া বৰাৰ হাতৰ তলুৱাখন গুচাবলৈ ইংগিত দিলে। বৰাই নিজৰ হাতখন সেইখিনিৰ পৰা আঁতৰ নকৰাকৈয়ে 'চিট নাই, মানুহ আছে' বুলি কোৱাৰ লগে লগে ফুকনে ক'লে -- "সেইজন নাহে দিয়ক, এখেতক বহিবলৈ দিয়ক।" বৰাই এটা প্ৰশ্নবোধক চাৱনিৰে ফুকনলৈ চালে। "ভদ্ৰলোকজনে টিকট কটা নাছিল।" ফুকনৰ উত্তৰ। টিকট পৰীক্ষকজনে বৰাহঁতে বহি থকা ডবা পাৰ হৈ অন্য এটা ডবাত প্ৰবেশ কৰিলে। সেই ডবাটোৰ পিনে ভদ্ৰলোকজনে দৌৰ মাৰিছিল।

কিন্তু আজি ঘটি যোৱা ঘটনাৰ ৰহস্যৰ ভেদ ফুকনে ভাঙিব নোৱাৰিলে। অফিচৰ পৰা ঘৰমুৱা হৈ ৰে'লখনত উঠাৰ সময়ত শীতকালৰ বেলিটো এটা তেজৰঙা আপেল হৈ পৰিছিল। নিৰ্দ্ধাৰিত সময়তকৈ কিছু দেৰিকৈ ফুকনহঁতে উঠা ষ্টেচন পাইছিল ৰে'লখনে। দুটা ষ্টেচন পাৰ হৈ ৰে'লখনে পুনৰ স্বাভাৱিক গতি লবলৈ আৰম্ভ কৰা ৰে'লখনৰ ফুকনহঁতে বহি থকা ডবাটোত এক অস্বাভাৱিক গণ্ডগোল ফুকনহঁতৰ কাণত পৰিল। তাচপাত খেলি আহি থকা সকলৰ মাজত, ফেৰীৱালা আৰু গ্ৰাহক যাত্ৰীৰ মাজত হোৱা নিতান্ত গতানুগতিক গণ্ডগোলৰ কোনো এটা নহয় যেন লাগিল। কোনোবা মাইকী মানুহৰ চিঞৰ আৰু তাৰ লগে লগে অন্য যাত্ৰীবোৰৰ চিঞৰ বাখৰ। ঘটনাৰ বুজ লবলৈ বৰা আৰু ফুকন আৰু তেওঁলোকৰ আশে পাশে বহি থকা যাত্ৰীকেইজনে ডবাটোৰ এমূৰলৈ শঁহা দৌৰ দিলে। ডবাটোৰ সেইটো মূৰৰ সোঁফালৰ দৰ্জাখনৰ কাষত চিটটোৰ সন্মুখভাগ ইতিমধ্যে মানুহবোৰে বেৰি আছে। ফুকনহঁতো ঠেলিগৈ বেৰি থকা মানুহবোৰ দুজন হৈ পৰিল। চিটৰ খিৰিকীৰ কাষত আঠ কি নবছৰীয়া ছোৱালী এজনী আৰু তাইৰ বাওঁফালে এগৰাকী মহিলা। শিৰত সেন্দুৰ। বয়স পয়ত্ৰিশৰ পৰা সাতত্ৰিশৰ ভিতৰত যেন লাগে। ডিঙিত এডাল চেইন--সোণৰ। এইডালক লৈয়ে গণ্ডগোলটো। কোনোবাই হেনো সেইডাল টান মাৰিবলৈ ওলাই কেইচেকেণ্ডমান লিৰিকি বিদাৰি ঘপকৈ বাহিৰলৈ জাঁপ দিলে। তাৰ ঠিক আগলৈকে মহিলা গৰাকী হেনো চিলমিলীয়া টোপনিত। চোৰে চেইনডালত ধৰাৰ পিচতে মহিলাগৰাকীয়ে চিঞৰ বাখৰ লগালে। একে হুলস্থূলেৰে লৰৰি গৈ তেওঁৰ কাষ চাপিলহি ডবাটোৰ অইন যাত্ৰীসকল। চোৰজন ধৰা পেলাবৰ বাবে ৰে'লখন ৰখোৱাৰ প্ৰয়োজন কোনেও বোধ নকৰিলে। হেজাৰ হওঁক, চেইনডালটো নিব নোৱাৰিলে। কিয় নোৱাৰিলে? নোৱাৰিলে নে নিনিলে? মহিলা গৰাকীৰ মুখামুখিকৈ বহি থকা এজনৰ মতে --

'চেইনডাল নিব পাৰিলেহেঁতেন, কিন্তু নিনিলে। কিয়বা নিনিলে নাজানো।"

মানুহজনৰ কথাই বৰাক অধিক বিভোৰ কৰি তুলিলে। বৰাই ফুকনৰ পিনে চাই পঠিয়ালে। ফুকনে একো উত্তৰ নিদিলে, দিব নোৱাৰিলে। ফুকনহতে ৰে'লযাত্ৰাত যিমানদিন এনে ঘটনাৰ কথা শুনিছে, সেই আটাইবোৰতেই চোৰজনেই সফল হৈছে। কিন্তু আজি? এটা সময়ত বৰাৰ বাহিৰে অন্য যাত্ৰীবোৰে পুনৰ নিজৰ নিজৰ ঠাইত বহি পৰিল। তেওঁ মন কৰিলে, মহিলাগৰাকীয়ে যেন ডবাটোত অকলে থকাটো বিচাৰিছে। মাত্ৰ কেইমুহূৰ্তমানৰ আগতে, ঘটনাটো ঘটা মুহূৰ্তত তেওঁ বহি থকা ডবাটোৰেই নহয়, যেন ৰে'লখনৰ সমস্ত ডবাবোৰৰ যাত্ৰীবোৰকে মহিলাগৰাকীয়ে যেন নিজৰ ওচৰলৈ অহাটো বিচাৰিছিল, আৰু এতিয়া যেন সকলোকে তেওঁৰ কাষৰ পৰা আঁতৰি যোৱাটো বিচাৰিছে। তেওঁৰ অলপ আগৰ বিবৰ্ণ, ভীতিগ্ৰস্ত, শেঁতা আৰু সহায় কাতৰ মুখখন যেন ভীষণ লজ্জাবোধে আবৰি পেলাইছে। বৰাৰ এনে লাগিল, চোৰটোৰে তাৰ সেইটো অভিযানত সফল( ? ) হ'লে, চেইনডাল টানমাৰি লৈ গ'লে মহিলাগৰাকীয়ে ডিঙিত যিমান দুখ পালেহেঁতেন, মনত কিজানি সিমান নাপালেহেঁতেন। বৰাৰ ভাতিজীজনীয়ে দেহত আৰু মনত সমানে দুখ পাইছিল।

আজিৰ দৰে কোনোদিনে বৰাৰ প্ৰশ্নৰ উত্তৰ ফুকনে নিদিয়াকৈ থকা মনত নপৰে। এটা সময়ত বৰাহঁত নামিল। মহিলাগৰকী আৰু তেওঁৰ কাষত থকা ছোৱালীজনী আগৰ চিটতে বহি থাকিল। ষ্টেচনৰ ওচৰৰে চিনাকি দোকান এখনৰ সন্মুখত থৈ দিয়া নিজৰ চাইকেলখনৰ তলা খুলি ক'তো নোৰোৱাকৈ বৰাই পেডেল ঘূৰালে। ঘৰ পাই নিজৰ মানুহজনীৰ ডিঙিলৈ কিছুসময় চাই থাকিল। টিউব লাইটৰ পোহৰত সোণৰ চেইনডাল চিকমিকাই আছে। ৰে'লখনৰ ডবাৰ ভিতৰৰ টিউব লাইটৰ পোহৰত চোৰটোৰে নিনিয়া চেইনডালো মহিলাগৰাকীৰ ডিঙিত একেদৰেই চিকমিকাইছিল। 'কি চাইছে?' বৰাণীয়ে সুধিলে। 'নাই, এনেয়ে।' বৰাই খৰকৈ ক'লে। বৰাহঁতৰ গাঁৱৰে, সোণ-ৰূপৰ অলংকাৰৰ দোকান থকা নন্দ সোণাৰীৰ দোকানলৈ বুলি বৰাই চাইকেল ঘূৰালে। নন্দ কাইটিয়ে তেতিয়া দোকান বন্ধ কৰাৰ বাবে শেষৰ তক্তাখন লগাবলৈ সাজু হৈছে। কোনো পাতনি নেমেলাকৈ নন্দ কাইটিক একপ্ৰকাৰ আচৰিত কৰিয়েই সুধি পেলালে, - 'কাইটি, দেখিবলৈ একে ৰঙৰ, একদম একে ৰঙৰ দুডাল চেইনৰ পৰা সোণৰডাল, খাঁটি সোণৰ ডাল কেনেকৈ বাছি উলিয়াব পাৰি? চুই চাই গম পাব পাৰিনে?' শেষৰ তক্তাখন খাপ খুৱাই সেইখনৰ ৰিঙ এটাত ওলমি থকা তলাটো খুলিবলৈ নন্দ কাইটিয়ে ককাঁলত ওলমি থকা চাবিটো লৈ তলাটোত সুমুৱাবলৈ গৈ ৰৈ গ'ল। 'অভিজ্ঞ মানুহে চুই চায়েই কব পাৰে' - নন্দকাইৰ চমু উত্তৰ। 'অভিজ্ঞ মানে?' — বৰাই নিজৰ চুটি চাপৰ দেহাটোৰ জোখত কৰি চাইকেল খনৰ চিটটোৰ সিটো পাৰৰ পৰা সোঁভৰিখন তেতিয়াও নমাই লোৱাহি নাই। 'অভিজ্ঞ মানে কি আৰু— যিসকলে সোণ-ৰূপৰ অলংকাৰ অনবৰতে লিৰিকি বিদাৰি থাকে, সেইবোৰ লেন-দেন, কিনা বিকা কৰে ; সেইবোৰ মানুহৰ কথাই কৈছোঁ। পিছে এইবিলাক কথা তোক কেলেই?' নন্দকাইটিয়ে পিছৰ ফালে সোধা প্ৰশ্নটোৰ উত্তৰত 'নাই এনেয়ে' বুলি কৈ বৰাই সোঁভৰিখনেৰে চিটটোৰ সিপাৰে থকা পেডেলডালত হেচা মাৰিলে। নন্দকাইটিৰ পৰা বৰা একেবাৰতে ভালেখিনি আতৰি গ'ল। যিজনক প্ৰথমে উত্তৰটো দিব লাগে তেওঁকহে দিব, দিয়াটো দৰকাৰ, উচিত। তাৰ পিছতহে—। নন্দকাইৰ দোকানৰ পৰা আধা মাইলতকৈ কম দূৰ যাব লাগে ফুকনৰ ঘৰলৈ। ষ্টেচনৰ পৰা নিজৰ ঘৰলৈ আৰু নিজৰ ঘৰৰ পৰা নন্দৰ দোকানলৈ যি গতিত চাইকেল চলাইছিল, তাতকৈ দুগুণ গতিত বৰা ফুকনৰ ঘৰমুৱা হ'ল। এটা চেপা উত্তেজনাত বৰা উচপিচাবলৈ ধৰিলে। চুয়েটাৰটো সোলোকাই ল'ব নেকি? বৰকৈ ঘামিছে। নালাগে— ঘামক। বৰাই সোধা প্ৰশ্নৰ ফুকনে দিব নোৱাৰা উত্তৰ বৰাই দিব আজি ফুকনক। বৰাৰ অস্থিৰ টোকৰ ফুকনৰ দুৱাৰত পৰাৰ কিছুসময় পিচত গহীনকৈ দুৱাৰ খোল খালে। ফুকন ওলাই আহিল।

"ফুকন, .. সেই .... যে তিৰোতাজনীৰ কাষত মুখামুখিকৈ বহি থকা মানুহজনে কৈছিল — 'চোৰটোৰে চেইনডাল নিব পাৰিলেহেঁতেন, কিন্তু নিনিলে ;' কিয় নিনিলে জানে? আচলতে সেইডাল সোণৰ নাছিল, সোণালীহে আছিল।" ফুকনৰ ঘৰলৈ চাইকেল চলাই গৈ থকা সময়ত যি উত্তেজনা অনুভৱ কৰিছিল, ফুকনৰ আগত কথাখিনি কওঁতে বৰা অকণো উত্তেজিত নহ'ল, ঠিক ফুকনৰ দুৱাৰত বৰাৰ টোকৰ পৰাৰ কিছু সময় পিচত মেল খাই যোৱা দুৱাৰখনৰ দৰে। কিন্তু পুৱোহিতে খৰকৈ উচ্চাৰণ কৰা মন্ত্ৰৰ দৰে বৰাই কথাখিনি কৈ পেলালে।

ফুকনৰ ঘৰৰ পৰা ওলাই নন্দকাইটিৰ বন্ধ দোকানৰ সন্মুখেৰে ঘৰমুৱা হওঁতে বৰাৰ চাইকেলৰ গতি মন্থৰ হ'ল। চাইকেলৰ পৰা নামি চুয়েটাৰটো খুলি পেলালে। ভিতৰখন একেবাৰে তিতি গৈছে। অমাৱস্যাৰ ঘনঘোৰ অন্ধকাৰ ৰাতিটোকো পূৰ্ণিমা ৰাতি যেন লাগিল বৰাৰ। ■

# অপেক্ষাৰ সীমা ভেদি ....

✦ জুন দাস
স্নাতক দ্বিতীয় বৰ্ষ

অৰ্পনা আৰু কল্পনা দুজনী একেখন চহৰৰে কানসমনীয়া বান্ধৱী। দুয়ো একে শ্ৰেণীতে পঢ়ে মানে এইবাৰ হায়াৰ ছেকেণ্ডাৰী প্ৰথম বৰ্ষৰ ছাত্ৰী। দুয়োজনীৰ খুব মিল। দুয়োকে সদায় একেলগে দেখা যায়। সঞ্জীৱৰ কিতাপৰ দোকানলৈ আহিলেও দুয়োজনী সদায় একেলগে আহে। বাছষ্টেণ্ডৰ কাযতেই সঞ্জীৱৰ দোকান। কিন্তু দোকানত নানা তৰহৰ খোৱা বস্তুও বিক্ৰী কৰা হয়। অৰ্পনা আৰু কল্পনাই সদায় কলেজ ছুটিৰ পিছত তাৰ দোকানত সোমাই কিবা খোৱা বস্তু বা কোনো এখন গল্প কিতাপ লৈহে বাছত উঠে তাৰ দোকানখন হেনো সিহঁতৰ প্ৰিয় দোকান। এই কথাটো অৰ্পনাই এদিন কিবা কথাত কৈছিল। এই কথাটোকে সি অলপ বেলেগ ধৰণেৰে ভাৱিব লৈছিল। অৰ্পনাৰ প্ৰতি তাৰ আগৰ পৰাই দুৰ্বলতা আছিল। সেয়ে সেইদিনা তাইৰ বাক্যটোৰে ক'ব নোৱাৰাকৈয়ে তাৰ মনটো জোকাৰি গৈছিল। অৰ্পনাই অৱশ্যে অইন ভাবেতো ক'ব পাৰে। কাৰণ সিহঁতে খোৱা বস্তু বা লোৱা বস্তুবোৰৰ সাধাৰণতে 'ফিক্সড্ প্ৰাইচ্' থাকে যদিও সি প্ৰায়েই দাম কমাই লৈছিল। লাহে লাহে সিহঁতৰ লগত সঞ্জীৱে মুক্ত মনেৰে কথা পাতিব পৰা হৈছিল। তাৰ অনুৰোধত সিহঁতে তাক 'আপুনি'ৰ পৰা 'তুমি' সম্বোধন কৰিবলৈ লৈছিল। সিহঁতেই কৈছিল— কল্পনাই হেনো ৰমেন নামৰ ল'ৰা এজনক ভাল পায়। অৰ্পনাৰ কথা সোধাত তাই লাজকুৰীয়া হাঁহি এটি মাৰি কৈছিল - "নাই, এতিয়ালৈকে মনে বিচৰাজন পোৱা নাই।" কথাষাৰ অৰ্পনাই লাজ লাজকৈ কৈছিল। কিন্তু যোৱাৰ সময়ত কল্পনাই তাৰ পিনে চাই এটা দুষ্টালি ভৰা হাঁহি মাৰি কৈছিল — "তুমি বি.এ. পাছ কৰিও একো নুবুজা।" সি সঁচাকৈয়ে তাইৰ কথা বুজা নাছিল। পিছত সি ভাবিছিল তাৰ দৰে অৰ্পনায়ো চাগে......।

সঞ্জীৱৰ জীৱনলৈ অহা প্ৰথম ছোৱালী অৰ্পনা। সঁচাকৈয়ে তাইক সি খুব ভাল পাই পেলাইছে। তাৰ বন্ধুবোৰে সদায় কয় অৰ্পনাক তেওঁৰ মনৰ কথা জনাবলৈ। কিন্তু তেওঁৰ সাহস নহয়। ভয় হয়, কিজানি তাই তাৰ ভাল পোৱাক সঁহাৰি নজনায়। আৰু যদি তাই তাৰ দোকানলৈ আহিবলৈ বন্ধ কৰি দিয়ে! তাক যদি নমতা হয়! সি আৰু ভাবিব নোৱাৰে। এক হতাশাই মনটো আৱৰি ধৰে। বন্ধুবোৰৰ উৎসাহ আৰু সাহসতেই চিঠি এখন লিখি সি অৰ্পনা দিলে। তাই সুধিলে — "কি দিলা এয়া?" তেওঁ কলে "কিবা লিখা আছে, পঢ়ি চাবা।" তাই একো নকলে। "কাইলৈ কলেজলৈ আহিবা নহয়, অৰ্পনা?" তাই কলে "আহিম"। "কাইলৈ কলেজলৈ আহোতে মোৰ দোকানত সোমাবা প্লিজ, মই ৰৈ থাকিম। যাওঁতে নহয়, আহোঁতে।" তাই হাঁহি এটা মাৰি হ'ব বুলি ক'লে। তাইৰ মুখখন ৰঙা পৰি গৈছিল। ৰ'দত নে লাজত সেয়া অৱশ্যে অনুমান কৰিব পৰা নাযায়। সঞ্জীৱে অহাকালিৰ দিনটোলৈ অপেক্ষা কৰিলে। কিন্তু এসপ্তাহ হ'ল অৰ্পনাক তেওঁ দেখা নাই। অকল অৰ্পনাকে নহয়, কল্পনাকো দেখা নাই। দুয়ো কলেজলৈ অহা নাই। সিহঁত দুয়ো কলেজলৈ নহাৰ কাৰণটো বিচাৰি সি ব্যাকুল হৈ পৰিছে। তেওঁৰ দোকানলৈ অহা অৰ্পনাহঁতৰ কলেজৰ প্ৰতিজনী ছোৱালীকে সুধিছে অৰ্পনা আৰু কল্পনাৰ কথা। কিছুমানে চিনি পায় কিন্তু কিয় অহা নাই নাজানে। দুয়ো একেলগে কলেজলৈ নহাৰ কাৰণ কি হ'ব পাৰে তেওঁ ভাবি নাপালে। দুয়ো হয়তো একেলগে কৰবালৈ ফুৰিবলৈ গৈছে, হয়তো

সঁচাকৈয়ে তাইক সি খুব ভাল পাই পেলাইছে। তাৰ বন্ধুবোৰে সদায় কয় অৰ্পনাক তেওঁৰ মনৰ কথা জনাবলৈ। কিন্তু তেওঁৰ সাহস নহয়। ভয় হয়, কিজানি তাই তাৰ ভাল পোৱাক সঁহাৰি নজনায়। আৰু যদি তাই তাৰ দোকানলৈ আহিবলৈ বন্ধ কৰি দিয়ে! তাক যদি নমতা হয়! সি আৰু ভাবিব নোৱাৰে।

কোনোবা এজনীৰ অসুখ হৈছে। নাই তেওঁ কোনো কাৰণতেই মনত শান্তি পোৱা নাই। অৰ্পনাহঁতে এনেদৰে ক্লাছ ক্ষতি কৰা আগতে কেতিয়াও মনত নপৰে। তেওঁক বন্ধুবোৰেও এই ক্ষেত্ৰত কোনো সহায় কৰিব পৰা নাই। হয়তো সেইজনেহে বুজিব যাৰ ক্ষেত্ৰত এনে হৈছে। অৰ্পনাক এবাৰ চাবলৈ, এবাৰ লগ পাবলৈ তাইৰ মুখৰ পৰা তাৰ প্ৰশ্নৰ উত্তৰ শুনিবলৈ সঞ্জীৱে পাগলৰ দৰে হৈ পৰিছে। তেওঁৰ প্ৰশ্নৰ উত্তৰ তাই কি কয় নাজানে, কিন্তু তেওঁৰ এনে লাগে অৰ্পনাই যেন আহি ক'ব — "সঞ্জীৱদা, ময়ো তোমাক ভাল পাওঁ।" অৰ্পনাহঁত মৰিয়নিত থাকে। সিহঁতৰ ঘৰো তেওঁ চিনি নাপায়। সি ভাবিলে সেইদিনা যদি নাহে কাইলৈ পুৱাতে সিহঁতৰ ঘৰকে বিচাৰি যাব।

এনেতে আহি ওলাল পুলিচ কনিষ্টবল। তেওঁ ক'লে থানালৈ মাতি পঠাইছে, অ'চি চাহাবে। "থানা? কিয়বা?" মনত বহুতো প্ৰশ্নলৈ সঞ্জীৱ ওলালেগৈ পুলিচ থানা। অ'চি চাহাবে গহীনাই সুধিলে — "আপোনাৰ নাম সঞ্জীৱ মালাকাৰ?" সি ভদ্ৰভাৱে কলে — "হয়"। "এইখন আপোনাৰ চিঠি নেকি?" — এই বুলি এটা নীলা খাম তেওঁলৈ আগবঢ়াই দিলে। চিঠিখন হাতত লৈ চালে, ওপৰত লিখা আছে সঞ্জীৱৰ ঠিকনা। প্ৰেৰকৰ নামটো দেখি মনটো আনন্দত নাচি উঠিল। অৰ্পনাৰ চিঠি।" কিন্তু এইখন চিঠি আপোনালোকৰ হাতত পৰিল কেনেকৈ?"





সঞ্জীৱে আচৰিত হৈ অ'চিক সুধিলে। অ'চিয়ে ক'লে — "আজি পুৱাতে থানাৰ ওচৰত বাছ দুৰ্ঘটনা হ'ল। তাত মৃত্যু হোৱা এজনী ছোৱালীৰ বেগত এই চিঠিখন পাইছো। নহলে মৃতদেহটো চিনাক্ত কৰাৰ উপায়েই নাছিল। Sorry youngman শৱটো আপুনি গৈ এবাৰ চাই ঘৰলৈ নিয়াৰ ব্যৱস্থা কৰক।" অ'চিৰ কথা শুনি সঞ্জীৱ বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ ৰ'ল। "অৰ্পনা মৰিল। নাই অৰ্পনা মৰিব নোৱাৰে। হায় নিয়তি! তুমি ইমান নিষ্ঠুৰ হ'লা কিয়? মোক বাৰু কিয় এনেদৰে আঘাতৰ উপৰি আঘাত দিছা? অৰ্পনাৰ প্ৰতি মোৰ প্ৰেম বাৰু সঁচা নাছিল নেকি? যদি আছিল তেন্তে কিয় মোৰ পৰা অৰ্পনাক কাঢ়ি নিলা?" সঞ্জীৱৰ হৃদয়ভেদি দুটোপাল চকুপানী ওলাল। পুলিচ এজনৰ লগত যেতিয়া সঞ্জীৱে শৱটোৰ ওচৰত উপস্থিত হ'লগৈ তেতিয়া মৃতদেহটো সাৱতি এজনী ছোৱালীয়ে ইনাই-বিনাই কান্দি আছিল। সঞ্জীৱে ওচৰ পোৱাত ছোৱালী জনীয়ে মূৰ তুলি চালে। সি শিলৰ মূৰ্ত্তিৰ দৰে কেৱল থৰ লাগি ছোৱালীজনীক চালে। পুনৰ সঞ্জীৱৰ দুচকুৰে বৈ আহিল প্ৰেমৰ বন্যা। সঞ্জীৱে চকুৰে ভুল দেখা নাইতো। নাই এইজনী সঁচাকৈয়ে অৰ্পনা। আনন্দত আত্মহাৰা হৈ সঞ্জীৱে অৰ্পনাক সাৱতি ধৰিলে।

সঞ্জীৱে সুস্থিৰ হৈ অৰ্পনাক সুধিলে "এই মৃতদেহটো তেন্তে কাৰ?" অৰ্পনাই উত্তৰটো দিলে যে এইজনী তাইৰ বান্ধৱী কল্পনা। কল্পনাৰ হাততে তাই চিঠিখন দি পঠাইছিল। সঞ্জীৱক দিবলৈ ......। ■



# শেষ উপহাৰ

✦ নিকুঞ্জ দাস
উঃ মাঃ ২য় বৰ্ষ

স্বনম ! স্বনম তুমি মোক ক্ষমা কৰিবা। তোমাক পাহৰি থাকিব নোৱাৰো স্বনম। যৌৱনৰ ৰাঙলী সপোনত সাৰপাই দেখিছিলো তোমাৰ ৰূপালী জীৱনৰ জোনাকী যৌৱন। যদিও মই আঁতৰি আছো, তথাপি তোমাক পাহৰিব পৰা নাই। তোমাক পাহৰি থাকিবলৈ বহুত চেষ্টা কৰিছিলো, কিন্তু তোমাক দেখাৰ পৰা আকৌ পুৰণি স্মৃতিবোৰে উকদি উঠিছে। পুৰণি সুখ-দুখৰ স্মৃতিবোৰ বিজড়িত হৈ থকা এই ঠাইখনলৈ আহি তোমাক লগ পাই মনটো বিষন্ন হৈ পৰিছে। জাগতিক ক্লেশ-যন্ত্ৰণাৰ মাজে মাজে শীতৰ পুৱাৰ ৰ'দৰ দৰে হঠাৎ পোৱা যেনেকুৱা কেইটিমান মুহূৰ্তৰ বাবে মানুহে এই পৃথিৱীত জীয়াই থাকিব বিচাৰে, তেনে এটি সুখকৰ মুহূৰ্তৰ বাবে মইয়ো অমৰ হৈ থাকিব বিচাৰো স্বনম। হঠাৎ স্বনমে সাৰ পাই দেখিলে যে, ৰাতি কেতিয়াবাই পুৱাল। বিছনাৰ পৰা উঠি মুখ-হাত ধুই ৰাতিপুৱাৰ চাহ খাই স্বনম পুনৰ ৰূমত সোমাল। বাৰে বাৰে মনলৈ আহিছে নিশাৰ সপোনটোৰ কথা।



সেই কলেজীয়া দিনবোৰৰ কথা। কলেজৰ চঞ্চল বতাহ, হোষ্টেলৰ মিঠা ৰাতিপুৱাবোৰ, কৃষ্ণচূড়াৰ তলৰ ৰসাল আড্ডাবোৰৰ পাহৰণি অন্ততঃ তাৰ পক্ষে সম্ভৱপৰ নহয়। বন্ধুবৰ্গৰ উপৰিও হোষ্টেলৰ চিনিয়ৰ অনুপম, সীমান্ত, ৰাহুল, চিন্ময়দাহঁতৰ গ্ৰুপটোৱে বৰ ভাল পাইছিল স্বনমক। স্বনমে ভাল গান গাইছিল; দুই-এটা ভাল কবিতাও লিখিছিল।

স্বনম প্ৰায় চিন্ময়দাৰ লগতেই অহা যোৱা কৰিছিল কলেজলৈ। তেনেকুৱাতে স্বনমহঁতে দেখিবলৈ পাইছিল, ছোৱালী হোষ্টেলৰ পৰা এজনী ছোৱালী সদায় খোজ কাঢ়ি কলেজলৈ আহে ; মাজে মাজে তাইতকৈ সৰু ছোৱালীৰ লগত আহে। হয়তো তাইতকৈ জুনিয়ৰ ! বতাহত উৰি ফুৰা দীঘলীয়া চুলিখিনিৰে সেই লগত অহা ছোৱালীজনী বৰ ধুনীয়া। চিন্ময় আৰু স্বনমে থৰহৈ চাই ৰয়, ছোৱালী দুজনীলৈ।

খুবেই মৰম লগা সেই ছোৱালীজনী লাহে লাহে ভাল লাগিব ধৰিছিল স্বনমৰ, চিন্ময়ৰ দৃষ্টিত সেয়া ধৰা পৰি গ'ল। হোষ্টেলত সকলোৰে গম পোৱা হ'ল, স্বনমে তাইক ভাল পায়। স্বনমৰো মন যায় তাইৰ লগত পৰিচয় হ'বলৈ। পিছে লাজতে সি ......। স্বনমে এদিন কথাটো বন্ধু আকাশক ক'লে। আকাশে স্বনমক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিলে।

সিহঁতৰ কলেজৰ পৰা মানস অভয়াৰণ্যলৈ বনভোজ খাবলৈ গ'ল। কলেজৰ বহুতো ছাত্ৰ-ছাত্ৰী, ছাৰ-মেডামহঁতৰ লগত সকলোৱে আনন্দমনেৰে গাড়ীত গৈ আছে। কোনোবাই গাড়ীৰ ভিতৰত গান গাইছে, কোনোবাই নাচিছে। সকলোৰে মনত বিপুল আনন্দ স্ফুৰ্তি। যথা সময়ত সিহঁত গৈ নৈৰ পাৰত উপস্থিত হ'ল। সকলোৱে নিজৰ নিজৰ বেগবোৰ লৈ গাড়ীৰ পৰা নামি আহিল। স্বনম আৰু আকাশে নৈৰ পানীত মুখ-হাত ধুই কিছু সময় বৈ ঠাইখিনি ভালকৈ নিৰীক্ষণ কৰি ললে। সিহঁতে পোনতে নৈৰ পাৰে পাৰে কিছুদূৰ আগবাঢ়ি যোৱাৰ কথা ভাবিলে। এনেদৰে কিছুদূৰ গৈ দুই একপি ফটো উঠিছে। পাহাৰৰ কাষেৰে বৈ অহা নৈখনি আৰু হাবিৰ গছ-গছনিবোৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য দেখি, দুয়োৰে বৰ আনন্দ লাগিছে। কাষৰ হাবিৰ পৰা এজাক মইনা চৰাইৰ মাত সিহঁতৰ কাণত পৰিছে। দুয়ো নৈৰ পাৰৰ ডাঙৰ শিল এটাত বহি পৰিল। সকলোৱে যেন নিজৰ ইচ্ছানুযায়ী ঘূৰি ফুৰিছে। স্বনম আৰু আকাশ পুনৰ আগুৱাই নগ'ল। সিহঁত এইবাৰ আন এটা দিশেৰে

আগবাঢ়িল। কিছুদূৰ আগুৱাই গৈ দেখিলে নদীটোৱে গতি সলনি কৰিছে। সিহঁত নদীৰ কেকুঁৰিটোত বৈ দূৰণিৰ পাহাৰ খনলৈ চাই আছে। কেকুঁৰিটোৰ পৰা বাৰিষাৰ বানে পেলাই থৈ যোৱা নৈৰ বুকুৰ বালিবোৰ যেন সূৰ্য্যৰ পোহৰত চিক্‌মিকাই উঠিছে। নৈৰ মাজৰ ডাঙৰ ডাঙৰ শিলৰ ওপৰেৰে বৈ অহা পানীৰ শব্দবোৰে কিছুদূৰলৈ যোৱাকৈ কুলু কুলু এটা মিঠা সুৰ তুলিছে। হঠাৎ কেকুঁৰিটোৰ কিছুদূৰ আঁতৰত এজনী ছোৱালী অকলে অকলে গভীৰ মনোযোগেৰে কিবা কৰি থকা দেখিলে। ছোৱালীজনীৰ যেন একোৱেই চোৱাৰ ইচ্ছা নাই। দুয়ো কিছু সময় ছোৱালীজনীলৈ চাই থাকি লাহে লাহে তাইৰ পিনে আগবাঢ়ি গৈ দেখিলে প্লেটত কিছুমান ৰং আৰু তুলিকালৈ ছোৱালীজনীয়ে একান্ত মনে কিবা আঁকি আছে। স্বৱনমে ছোৱালীজনীক চিনি পালে। ৰব নোৱাৰি স্বৱনমে ছোৱালীজনীৰ কাষলৈ আগবাঢ়ি গৈ অজানিতে মাত দিলে -- তুমি ইয়াত, অকলে ! ছোৱালীজনী উচপ খাই উঠিল। পিছপিনে স্বৱনমক থিয় হৈ থকা দেখি তাই অবাক হৈ পৰিল। লগে লগে আঁকি থকা ছবিখন ঢাকি ধৰিছিল। স্বৱনমক কি ক'ব তাই যেন; উত্তৰ বিচাৰি পোৱা নাছিল। "হয়, এ....নে....য়ে.... নৈৰ পানীবোৰ চাই আছো ; বান্ধৱীকেইজনী সৌ ... তাত আছে।" কিছু দূৰত বহি থকা চাৰি-পাঁচ জনী ছোৱালীলৈ আঙুলিয়াই দেখুৱালে তাই। স্বৱনম আৰু আকাশক তেনেকৈ দেখা পাই ছোৱালীকেইজনীয়ে হাঁহিবলৈ ধৰিলে। দুয়ো লাজত ৰঙা-চিঙা পৰি গ'ল।

> *সিহঁতে পোনতে নৈৰ পাৰে পাৰে কিছুদূৰ আগবাঢ়ি যোৱাৰ কথা ভাৱিলে। এনেদৰে কিছুদূৰ গৈ দুই একপি ফটো উঠিছে। পাহাৰৰ কাষেৰে বৈ অহা নৈখনি আৰু হাবিৰ গছ-গছনিবোৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য দেখি, দুয়োৰে বৰ আনন্দ লাগিছে। কাষৰ হাবিৰ পৰা এজাক মইনা চৰাইৰ মাত সিহঁতৰ কাণত পৰিছে। দুয়ো নৈৰ পাৰৰ ডাঙৰ শিল এটাত বহি পৰিল।*

দুদিনমান পিছত আকাশে স্বৱনমক ক'লে -- বন্ধু, তোমাৰ কামটো হৈ গ'ল। তোমাৰ দৰে তাইয়ো হেনো বহুদিনৰ পৰাই তোমাক ভাল পায়। কিন্তু লাজতে তাইয়ো ক'ব পৰা নাই। 'কলেজ সপ্তাহ'ত তোমাৰ গান শুনি, আলোচনীত তোমাৰ কবিতা পঢ়ি, তোমাৰ প্ৰেমত পৰিছে। তোমাৰ কথা তাইৰ বান্ধৱী 'মায়া'ৰ আগত কৈ থাকে। মায়াই আজি মোক লগ পাই কথাটো ক'লে। এতিয়া কোৱা, পাৰ্টি কেতিয়া দিবা ? পাৰ্টি নিদিলে কিন্তু .... ! আকাশৰ কথা শুনি স্বৱনম আনন্দত বিভোৰ হৈ পৰিছিল। শেষৰ কথাষাৰিত স্বৱনমৰ ভয় লাগিছিল। কৈ থলে- হ'ব তোমাৰ যেতিয়া ইচ্ছা।

আকাশে স্বৱনমক ছোৱালীজনীৰ লগত চিনাকী কৰি দিলে। ছোৱালীজনীৰ নাম পূজা, পূজা বৰা। তাই ভাল ছবি আঁকে, দেউতাকে গুৱাহাটীত চাকৰি কৰে, ঘৰ শিৱসাগৰত। স্বৱনম আৰু পূজাৰ ভালপোৱা গঢ়ি উঠিল। কিন্তু, যেতিয়া পূজাৰ পঢ়া শেষ হ'ল — স্বৱনমক এৰি ঘৰলৈ গুচি গ'ল। পূজা আঁতৰি যোৱা তিনিবছৰ পাৰ হৈ গ'ল। স্বৱনমে নাজানে পূজা ক'ত আছে, কি কৰিছে। কেতিয়াবা ভাৱে পূজাৰ হয়তো বিয়া হৈ গ'ল! ল'ৰা-ছোৱালীৰে হয়তো সুখৰ সংসাৰ পাতিছে! পিছ মুহূৰ্ততে ভাৱে পূজাৰ বিয়া হ'ব নোৱাৰে ; মৰমৰ পূজাজনী হয়তো এতিয়াও বহু সৰু হৈয়ে আছে ! মন যায় স্বৱনমৰ, কেতিয়াবা পূজাক বিচাৰি যাবলৈ, আগৰ দৰে কথা পাতিবলৈ। কিন্তু, পূজাই যদি পাহৰি পেলাইছে, তেন্তে কি হ'ব ? কেতিয়াবা নিজকে প্ৰশ্ন সোধে, পূজাই জানো সঁচাকৈয়ে মোক পাহৰিব পাৰিছে! যদি পাহৰা নাই, আজিলৈ কিয় চিঠি এখনো দিয়া নাই ? স্বৱনমে অনুভৱ কৰে, মোৰতো নিজস্ব বোলা একোৱেই নাই। বি.এ. পাছ কৰা তিনি বছৰেই হ'ল, চাকৰি এটাকে যোগাৰ কৰিব নোৱাৰিলো। পৰিচয় জানো আছে! মাথো দুই এখন আলোচনীত দুই এটা কবিতা লিখা আৰু মন গ'লে মঞ্চত দুই এটা গান গোৱা ; তাৰ বাহিৰেতো আন পৰিচয় নাই। আজি ছমাহমান হ'ল, স্বৱনমে প্ৰাইভেট কোম্পানী এটাৰ কামত সোমোৱা। মাহিলি তিনি হাজাৰ টকা দৰমহা পায়, থকা-খোৱা সকলো নিজৰ। মাহৰ শেষত সোতৰ/ওঠৰশ মান টকা বাচে। তাৰ পৰাই পোন্ধৰশমান ঘৰলৈ পঠিয়াই দিয়ে, বাকীখিনি নিজেই ৰাখে। সৰুতে ভাবিছিল এম.এ. পাছ কৰি কোনো এখন কলেজত শিক্ষকতা কৰিব। কিন্তু নহ'ল, মনত বহু আশা থকা স্বত্বেও বি.এ. পাছ কৰাৰ পিছত আৰ্থিক নাটনিৰ বাবে এম.এ. পঢ়া নহ'ল। দেউতাকে পেন্সন পোৱাৰ পিছত ঘৰত টকা-পইচাৰ অভাৱে দেখা দিলে। কলেজত পঢ়ি থকা দুজনীকৈ ভনীয়েক

আছে, ভায়েকেও এইবাৰ মেট্ৰিক দিব। সেয়ে স্বৱনমে যিমানখিনি পাৰে দেউতাকক সহায় কৰে। কেতিয়াবা মনে মনে চকুলো টুকে। কোম্পানীৰ চাকৰি, যদি কোম্পানী বন্ধ হৈ যায়! কি অৱস্থা হ'ব, স্বৱনমে ভাবি পাৰ নেপায়।

এনেদৰে ভাবি থাকোতেই নিশা কেতিয়া টোপনি আহিল গমেই নাপালে। ৰাতিপুৱা দেৰিকৈ সাৰ পালে। আজি কোম্পানী বন্ধ, গতিকে স্বৱনমে কলৈকো নোযোৱাটোকে ঠিক কৰিলে। কাপোৰ কানিবোৰ ধুব লাগে। এনেদৰে ভাবি চিন্তি হাতত ব্ৰাচডাল লৈ কলগেট লগাই গানৰ কলি এটা গুণ-গুণাই বাটৰ কাষলৈ ওলাই আহিছিল। তেনেতে দেখা পালে সন্মুখৰ ঘৰটোৰ পৰা গেট খুলি তিনিজনী ছোৱালী ওলাই আহিছে। স্বৱনমে বৰ বেছি গুৰুত্ব নিদিলে। কিন্তু, হঠাৎ এজনী ছোৱালীয়ে স্বৱনমক উদ্দেশ্যি মাত লগালে — "আৰে, ...... স্ব..ব..ন..ম, তুমি ইয়াত!" ছোৱালীজনী স্বৱনমৰ একেবাৰে ওচৰ আহি পালে। আচৰিত চাওনিৰে স্বৱনমে পূজালৈ চাই ৰৈছিল। সেই চাওনিত যেন দুখন অকলশৰীয়া হৃদয়ৰ মাজত আত্মীয়তা গঢ়ি উঠিছিল। "পূ..জা", মই বিশ্বাসেই কৰিব পৰা নাই, এই বাস্তৱ সত্যক। ভাবিছিলো তুমি ক'ৰবাত হেৰাই গ'লা। তুমি আঁতৰি যোৱাৰ পিছৰে পৰা তোমাৰ খবৰ নাপাই মনতো খু..উ..ব বেয়া লাগিছিল। ভাবিছিলো, তোমাক হয়তো আৰু কেতিয়াও লগ নেপাওঁ। আজি তোমাক লগ পাই বহুদিনৰ আশা এটি পূৰণ হ'ল। পূজা, তুমি কোৱা— এতিয়া ক'লৈ যোৱা? ক'ত আহিছিলা?" "মই চাকৰিৰ প্ৰশিক্ষণ এটাৰ বাবে গুৱাহাটীলৈ আহিছিলো। আমি অহা পাঁচদিন হৈ গ'ল। আমি এই ঘৰটোতে আছো : দুদিন পিছত মই আকৌ উভতি যাম ; হয়তো পুনৰ ইয়ালৈ নাহো! সেয়েহে যোৱাৰ আগতে তোমাক এবাৰ লগ পোৱাৰ বাবে আশা থাকিল। আজিলৈ আহো ... ।"

দুদিন পিছত শেষবাৰৰ বাবে পূজাক লগ পাবলৈ স্বৱনম আহিছিল। স্বৱনমক দেখা পাই দূৰৰ পৰাই পূজা আগবাঢ়ি আহিছিল। পূজাৰ দুচকুত স্বৱনমে সিদিনা প্ৰথম চকুলো দেখিছিল। চকুলো টুকিয়েই তাই স্বৱনমক কৈছিল — "স্ব..ব..ন..ম! তুমি আগৰ দৰেই কবিতা লিখি থাকিবা, গান গাবা। তুমি কেতিয়াও এইবোৰ নেৰিবা ; ভাবিবা তোমাৰ পূজাজনী তাৰ মাজতেই আছে।" পূজাৰ মাঁতটো শেষৰ ফালে থোকা-থুকি হৈ পৰিছিল। স্বৱনমৰ দুচকুৰ পাৰ ভাঙি চকুলো বৈ আহিব খুজিছিল। তথাপি দুখ লুকুৱাব বিচাৰি পূজাক কৈছিল — "তোমাক নাপালেও, তোমাৰ প্ৰেৰণা, তোমাৰ স্মৃতিৰাজি সদায় মোৰ লগত থাকিব পূজা।" স্বৱনমে পূজালৈ শেষ উপহাৰ স্বৰূপে এখনি সুক্ষ্ম লিখনি আগবঢ়াই দিছিল—

মৰমৰ পূজা,

আজি এয়া বিদায় বেলাত তোমালৈ এবুকু মৰম ও শুভেচ্ছা যাচিছোঁ। একোৱেই বিচাৰি নাপালো মোৰ হৃদয় কুঠৰীত। জীৱনৰ শেষ উপহাৰ স্বৰূপে ঠিকনাটো দিলো। মন গলে চিঠি দিবা।

তোমাৰ জীৱন সুন্দৰ আৰু মধুময় হওঁক, তুমি অঁকা ছবিবোৰে জীৱন্ত ৰূপ লওঁক, চৌদিশে বিকশিত হওঁক তোমাৰ জীৱনৰ প্ৰতিভা।

"সৃষ্টিশীল তোমাৰ
স্বচ্ছ চিত্ত
গতিশীল হওঁক।"

এই কামনাৰে তোমাৰ ....

'স্বৱনম' ■

"অসমীয়া সাহিত্যত জীৱনীমূলক উপন্যাসৰ শুভাৰম্ভ কৰে গল্প সম্ৰাট তথা স্বনামধন্য কথাশিল্পী ছৈয়দ আব্দুল মালিকে। তেওঁ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ জীৱনক বিষয় হিচাপে লৈ ৰচনা কৰা 'ৰূপতীৰ্থৰ যাত্ৰী' নামৰ উপন্যাসখনেই হ'ল প্ৰথম অসমীয়া জীৱনীমূলক উপন্যাস।

# বিল সুধিবলৈ তই কোন ?

মহন্ত দাস
স্নাতক ২ য় বৰ্ষ

হাউলীৰ ৰাস মহোৎসৱ অসম বিখ্যাত। এইবেলিও হাউলীত তেৰ দিনীয়াকৈ ৰাস মহোৎসৱ পালন কৰা হৈছিল। এদিন সন্ধিয়া ৰাস মেলালৈ ওলাই গ'লো। লগত ৰুমমেট দীপ।

পূজা চাই থাকোতে হঠাৎ দেখা পালো লাৱণ্যক। লগত সীমা আৰু ৰুমা। সিহঁত আটাইকেইজনী আমাতকৈ দুটা ক্লাচ জুনিয়ৰ। লাৱণ্যৰ প্ৰতি দীপৰ দুৰ্বলতা আছে। কিন্তু আজিলৈকে তাইক "প্ৰপোচ" কৰিব পৰা নাই।

"মহন্ত আজি লাৱণ্যহঁতৰ পিছে পিছে ঘূৰি পূজা চাম। ইহঁতে যিমান ৰাতিলৈ চায়, আমিও সিমান ৰাতিলৈ চাম।" দীপে উৎসাহিত মনেৰে প্ৰস্তাৱ দিলে।

দীপৰ কথা শুনি হোটেলৰ মালিকৰ প্ৰচণ্ড খং উঠি গ'ল। খঙত ৰঙা পৰি গ'ল তেওঁৰ দুচকু। তেওঁ গপচত থিয় হ'ল আৰু দীপৰ বুকুত খামোচ মাৰি ধৰি ক'লে—
ঃ মোৰ ছোৱালীয়ে মোৰ হোটেলত যিমান ইচ্ছা সিমান খাব। বিল সুধিবলৈ তই কোন?

লাৱণ্যহঁতৰ পিছে পিছে ঘূৰি পূজা চাই আছো। সিহঁতে যিফালে গৈছে আমিও সেইফালেই গৈছো। সিহঁতে নাগৰ দোলাত উঠিলে আমিও উঠিছো। ডেন্স চাবলৈ গ'লে আমিও গৈছো। মূৰ্ত্তি চালে মূৰ্ত্তি চাইছো। প্ৰদৰ্শনী চালে প্ৰদৰ্শনী............। গ্ৰন্থমেলা চালে গ্ৰন্থমেলা.......। গংগা-যমুনা চালে গংগা-যমুনা............। মুঠতে সিহঁত যিফালে আমিও সেইফালে। হঠাৎ সিহঁত এখন অস্থায়ী হোটেলত সোমাই গ'ল। আমিও গলো।

আঠুৱা চাই ঠেং মেলা উচিত। মানিবেগৰ ওজন জুখি খোৱা বস্তুৰ অৰ্ডাৰ দিলো। লাৱণ্যহঁতৰ ফালে চাই চাহ বয় এজনে দি যোৱা বস্তুবোৰ খালো আৰু উঠি আহিলো।

পাঁচ-দহ-পোন্ধৰ-বিশ- আধা ঘণ্টা পাৰ হৈ গ'ল অসহ্যভাৱে। লাৱণ্যহঁত এতিয়াও হোটেলৰ ভিতৰত খোৱা টেবুলত। হোটেলৰ বাহিৰত আমি সিহঁতলৈ অস্থিৰভাৱে বোন্দাপৰ দি আছো। কি জানো ইমানকৈ খাই আছে শূৰ্পনখাকেইজনীয়ে?

আমাৰ আকুল-অস্থিৰ অপেক্ষাৰ অন্ত পেলাই এটা সময়ত লাৱণ্যহঁত ভিতৰৰ পৰা ওলাই আহিল আৰু আমাৰ সন্মুখেৰে পৰা হৈ গ'ল আমালৈ ধুনীয়া হাঁহিৰ ফুলজাৰি মাৰি।

"এইফালে আহচোন"— এই বুলি দীপে মোক পইচা লৈ থকা হোটেলৰ মালিকৰ কাষলৈ টানি লৈ গ'ল। মালিকৰ সন্মুখত বাধ্য ছাত্ৰই শিক্ষকৰ সন্মুখত থিয় হোৱাৰ দৰে থিয় হৈ দীপে ক'লে—

ঃ আঙ্কল, এইমাত্ৰ ইয়াৰপৰা যে তিনিজনী ছোৱালী ওলাই গ'ল; এজনী অলপ ওখ; কিন্তু বিৰাট ধুনীয়া, সিহঁতৰ বিল কিমান হ'ল কাইণ্ডলি ক'ব নেকি?

দীপৰ কথা শুনি হোটেলৰ মালিকৰ প্ৰচণ্ড খং উঠি গ'ল। খঙত ৰঙা পৰি গ'ল তেওঁৰ দুচকু। তেওঁ গপচত থিয় হ'ল আৰু দীপৰ বুকুত খামোচ মাৰি ধৰি ক'লে—

ঃ মোৰ ছোৱালীয়ে মোৰ হোটেলত যিমান ইচ্ছা সিমান খাব। বিল সুধিবলৈ তই কোন?

মালিকৰ উগ্ৰমূৰ্ত্তি দেখি হোটেলত উপস্থিত থকা আন মানুহবোৰে কি ভাবিছিল ক'ব নোৱাৰো। মোৰ কিন্তু নিম্নাংশত এখন গৰম পানীৰ নদী কুলু কুলুকৈ বৈ যোৱা যেন অনুভৱ হৈছিল। ■

# হৃদয়ৰ দুৱাৰ খুলি....

গণেশ লাল চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত পোন প্ৰথম বাৰৰ বাবে বাৰ্ষিক আলোচনী প্ৰকাশ কৰিবলৈ যো-জা কৰা হৈছে। সেই হেতুকে আলোচনী সম্পাদনা সমিতিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনৰ বতৰা ল'বলৈ পাঁচটা প্ৰশ্ন আগবঢ়াইছিল। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে স-হৃদয়তাৰে সহযোগ আগবঢ়াইছে। ছাত্ৰ-ছাত্ৰীৰ উত্তৰ সমূহ প্ৰয়োজন অনুসৰি সম্পাদনা সমিতিয়ে সংশোধন কৰিছে। তেওঁলোকৰ হৃদয়ৰ খবৰেৰে প্ৰস্তুত কৰা হৈছে—

"হৃদয়ৰ দুৱাৰ খুলি...."

## প্ৰশ্ন সমূহ

১। এই মহাবিদ্যালয়ত তুমি কি উদ্দেশ্যেৰে নামভৰ্ত্তি কৰিছা?

২। এই মহাবিদ্যালয়খনত পঢ়ি তোমাৰ কেনে লাগিছে?

৩। এই মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা সন্দৰ্ভত তোমাৰ মতামত?

৪। এই মহাবিদ্যালয়ত তুমি কি কি সমস্যা/অভাৱ দেখিবলৈ পাইছা?

৫। তুমি ভৱিষ্যতে কি হ'ব বিচাৰিছা?



## ✦ মিচ্ কান্তি ৰয়
স্নাতক ২ য় বৰ্ষ

১। এই মহাবিদ্যালয়খনত নামভৰ্ত্তি কৰাৰ মোৰ বিশেষ উদ্দেশ্য আছে। প্ৰথম উদ্দেশ্য হ'ল মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ পৰা পাঠ গ্ৰহণ কৰাৰ কাৰণে আৰু ভৱিষ্যতৰ ৰঙীণ সপোনবোৰ বাস্তৱত ৰূপ দিবলৈ। ভৱিষ্যতে উচ্চ শিক্ষাৰে শিক্ষিত হৈ এখন দেশৰ সু-নাগৰিক হ'বলৈ আৰু ভৱিষ্যতে যেন আনৰ ওপৰত নিৰ্ভৰশীল হৈ চলিবলগা নহয় —এই উদ্দেশ্য আগত ৰাখি এইখন মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিছোঁ।

২। এই মহাবিদ্যালয়ত পঢ়ি মোৰতো খুবেই ভাল লাগিছে। প্ৰথম যিদিনা মহাবিদ্যালয়ৰ দুৱাৰদলিত ভৰি দিও তেতিয়া মই ইয়াৰ পৰিবেশ দেখি অভিভূত হৈ পৰিছিলো। ভৱিষ্যতেও হৃদয়ৰ মাজত মহাবিদ্যালয়খনৰ স্মৃতি সজীৱ কৰি ৰাখিম। এই মহাবিদ্যালয়ৰ ছাৰ-বাইদেউ সকলে যিদৰে আমাক পাঠদান কৰিছে তাক নশলাগি থাকিব নোৱাৰি। মহাবিদ্যালয়খনত লগ পোৱা বন্ধু-বান্ধৱীবোৰক পাই মোৰ ইমান ভাল লাগিছে যে সিহঁতৰ লগত সহজেই মিলি যাব পাৰিছো। বন্ধু-বান্ধৱী সকলৰ লগত মহাবিদ্যালয়ত থকা সময়খিনিত মই নিজকেই পাহৰি যাওঁ। এই মহাবিদ্যালয়ৰ ৰীতি-নীতি মোৰ বৰ ভাল লাগিছে। ইয়াৰ সেউজী পৰিবেশ অতি মোহনীয়া।

৩। এই মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা মোৰ মনপুত নহয়। ইয়াত Unit পৰীক্ষা মাত্ৰ ৩টা আৰু টেষ্ট পৰীক্ষা হয়। মোৰ বোধেৰে প্ৰতি মাহে এটাকৈ Unit পৰীক্ষা লোৱাৰ ব্যৱস্থা কৰিব লাগে। ভৱিষ্যতে যাতে এইখন মহাবিদ্যালয়ৰ পৰীক্ষাৰ ফলাফলসমূহ উন্নত ধৰণৰ হয় তাৰ বাবে ছাৰ- বাইদেউ সকলে অধিক গুৰুত্ব দিয়া উচিত।

৪। এই মহাবিদ্যালয়খনত মই বহুখিনিয়ে অভাৱ অনুভৱ কৰো। মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে নিৰ্দ্দিষ্টকৈ জিৰণী কোঠা নাই। যাৰ বাবে আমি ছাত্ৰ-ছাত্ৰীসকলে জিৰণিৰ সময়ত মহাবিদ্যালয়ৰ আশে পাশে ৰৈ থাকিব লগা হয়। ছোৱালীবোৰৰ প্ৰস্ৰাৱগাৰ মাত্ৰ এটা, তাৰ বাবেও আমি বহুখিনি অভাৱ অনুভৱ কৰো। সময়ত কেতিয়াবা শ্ৰেণী কোঠাৰো অভাৱ হয়। লাইব্ৰেৰী আছে যদিও কিছুমান কিতাপ পঢ়িব বিচাৰিলে নাপাওঁ।

৫। সকলো ছাত্ৰ-ছাত্ৰীৰে কিবা এটা হোৱাৰ হেঁপাহ থাকে। সৰুৰে পৰা মোৰ জীৱনৰ লক্ষ্য আছিল এজনী শিক্ষয়িত্ৰীৰূপে নিজকে গঢ়ি তোলা। কিন্তু সেয়া বাস্তৱত ৰূপ দিব পাৰোনে নোৱাৰো সময়েহে ক'ব।

****



## ✦ ৰঞ্জু বড়ো
স্নাতক ২য় বৰ্ষ

১। গণেশলাল চৌধুৰী মহাবিদ্যালয়ত মই এই উদ্দেশ্যে নাম ভৰ্ত্তি কৰিছো যাতে সু-শিক্ষাৰে শিক্ষিত হৈ জীৱনটোত ভৱিষ্যতে কিবা এটা কৰিব পাৰোঁ, জীৱনটো যাতে নিয়াৰিকৈ গঢ়ি তুলিব পাৰোঁ, নিজৰ ভৰিত নিজে যাতে থিয় হ'ব পাৰোঁ— এই উদ্দেশ্য আগত ৰাখি ইয়াত নাম ভৰ্ত্তি কৰিছোঁ।

২। এই মহাবিদ্যালয়খনত পঢ়ি মোৰ খুবেই ভাল লাগিছে। কাৰণ এই মহাবিদ্যালয়খনত নানান অচিন ঠাইৰ পৰা অহা বন্ধু-বান্ধৱী লগ পাইছোঁ। এই মহাবিদ্যালয়খন মই ইমান ভাল পাওঁ যে ভাষাৰে বুজাব নোৱাৰোঁ। বিশেষকৈ মোৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকল খুবেই মৰমিয়াল, কোনো অহংকাৰ বা গৌৰব ভাৱ নাৰাখে। ছাত্ৰ-ছাত্ৰীবিলাকৰ লগত সহজে মিলি যাব পাৰে।

৩। আমাৰ মহাবিদ্যালয়খনত তিনিটাকৈ ইউনিট টেষ্ট, টেষ্ট আৰু ফাইনেল পৰীক্ষা অনুষ্ঠিত হয়। মোৰ বোধেৰে পৰীক্ষা ব্যৱস্থাটো অতি উন্নত মানবিশিষ্ট।

৪। এই মহাবিদ্যালয়খনত মই বহুতো সমস্যা বা অভাৱ দেখিবলৈ পাইছো। যেনে- ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ অভাৱ, আমাৰ মহাবিদ্যালয়ত ভাল এখন কেন্টিনৰ অভাৱ, প্ৰেক্ষাগৃহৰ অভাৱ, এখন ফুলৰ বাগিছাৰ অভাৱ আৰু বহুতো অন্যান্য সমস্যা দেখিবলৈ পাইছোঁ।

৫। মই ভৱিষ্যতে প্ৰবক্তা হ'ম বুলি ভাবিছোঁ।

****



### ✦ ইন্তেকাৰ আলম আহমেদ

উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

১। এইখন মহাবিদ্যালয়ৰ জ্ঞান সাগৰৰ পৰা অমূল্য মুক্তা বুটলি জীৱনটোক উপযুক্তভাৱে গঢ় দিয়াৰ উদ্দেশ্যেৰে।

২। অসীম আনন্দৰ স্পন্দন অনুভৱ কৰিছোঁ। ছাৰ-বাইদেউসকলৰ কৰ্তব্যনিষ্ঠা, মৰমৰ অনুশাসন, নানাজাতি-উপজাতিৰ মিলন ভূমি মহাবিদ্যালয়খনে জীৱনলৈ কঢ়িয়াই আনিছে এক অৰ্থবহ চিত্ৰ।

৩। নকলৰ দৰে ভয়াবহ ব্যধিৰ পৰা আমাৰ মহাবিদ্যালয়খন সম্পূৰ্ণ আঁতৰত। মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ উন্নতমানৰ। এইখন কলেজৰ পৰীক্ষা ব্যৱস্থাত মই আশ্বস্ত।

৪। এই মহাবিদ্যালয়খনত মই বহুতো অভাৱ প্ৰত্যক্ষ কৰিছো। তাৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলৰ জিৰণিচ'ৰা; ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্য্যালয়; সংগীত, খেল-ধেমালিৰ বাবে পৰ্যাপ্ত আহিলা-পাতিৰ প্ৰয়োজন আছে বুলি ভাবো।

৫। ভৱিষ্যতে নিজকে দেশ সেৱাত উচৰ্গা কৰিম বলি মই দৃঢ় প্ৰতিজ্ঞ।

****



### ✦ বৰ্ণালী সৰকাৰ

স্নাতক তৃতীয় বৰ্ষ

১। মই এই মহাবিদ্যালয়ৰ অসীম জ্ঞান ভাণ্ডাৰৰ পৰা যৎকিঞ্চিত জ্ঞান লাভৰ আশাত নাম ভৰ্ত্তি কৰিছোঁ।

২। ক্ষুদ্ৰ পৰিবেশত ডাঙৰ হৈ যেতিয়া বৃহৎ পৰিবেশৰ মাজত পৰিলো, তেতিয়া নিজকে অসহায় বুলি ভাবি আমনি লাগিছিল। সময় অতিক্ৰম হোৱাৰ ফলত যেতিয়া নিজকে খাপ খুৱাব পাৰিলো, তেতিয়া এই মহাবিদ্যালয়ত পঢ়ি নথৈ আনন্দিত হৈছো।

৩। এই মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা মোৰ ক্ষুদ্ৰ জ্ঞানৰ জৰিয়তে আসোৱাহ মুক্ত বুলি ভাবিছো। কিন্তু যদি আমাৰ অধ্যক্ষ মহোদয়ে উন্নত বিজ্ঞান ভিত্তিত পৰীক্ষা ব্যৱস্থা সম্পাদন কৰে বা কৰিবলৈ যত্নবান হয়, তেন্তে সৰ্বাঙ্গীন উন্নতিৰ লগতে মহাবিদ্যালয়খনৰো উন্নতি হ'ব। এয়া মোৰ অনুৰোধ।

৪। মই প্ৰথম সমস্যা দেখিবলৈ পাইছো, ল'ৰা -ছোৱালীৰ জিৰণি কোঠা নাই। দ্বিতীয়তে লাইব্ৰেৰীত যথেষ্ট পৰিমাণে কিতাপ নাই। কিতাপ নথকাৰ ফলত মই আৰু মোৰ দৰে বহুতো ছাত্ৰ-ছাত্ৰী কিতাপৰ অভাৱত ভাল ফল দেখুৱাব নোৱাৰো।

৫। মই ভৱিষ্যতে কি হ'ম তাক ঠিক কৰিব নোৱাৰিছিলো। এতিয়া মই প্ৰৱক্তা হ'বলৈ বিচাৰিছোঁ। কিয়নো জ্ঞান লাভ কৰি জ্ঞান বিলোৱা যি আনন্দ মই পাইছো, সেই সপোন সাৰ্থক ৰূপ দিবলৈ মই প্ৰৱক্তা হ'বলৈ বিচাৰিছোঁ।

****



## ✦ ছাবিনা ইয়াছমিন আহমেদ
স্নাতক দ্বিতীয় বৰ্ষ

১। এইখন মহাবিদ্যালয়ৰ পৰা জ্ঞান আৰু উচ্চ শিক্ষা আহৰণ কৰি নিজকে এজন সচেতন নাগৰিক হিচাপে গঢ়ি তুলিবলৈ আৰু এজন প্ৰকৃত মানুহ হোৱাৰ প্ৰতিজ্ঞাৰে এইখন মহাবিদ্যালয়ত নামভৰ্ত্তি কৰিছোঁ।

২। এক অনিৰ্বচনীয় মাদকতা অনুভৱ কৰিছো। ছাৰ-বাইদেউসকলৰ অনাবিল স্নেহৰ উমে, উৎসাহ-উদ্দীপনাই, মহাবিদ্যালয়খনৰ সেউজ পৰিবেশে জীৱনটোক গভীৰভাৱে উপলব্ধি কৰিবলৈ মোক প্ৰেৰণা যোগাইছে।

৩। এই মহাবিদ্যালয়খনৰ পৰীক্ষা ব্যৱস্থাত মই খুবেই সন্তুষ্ট। কলেজত অনুষ্ঠিত প্ৰতিটো পৰীক্ষাতেই ছাৰ-বাইদেউসকলৰ ত্ৰুটিহীন শৃঙ্খলা, আন্তৰিকতা আৰু পৰীক্ষাগৃহৰ কঠোৰ শাসন ব্যৱস্থাই মোক বৰকৈ আপ্লুত কৰে। নকলৰ দৰে মাৰাত্মক ব্যাধিৰ পৰা আমাৰ মহাবিদ্যালয়খন সম্পূৰ্ণ মুক্ত।

৪। এই মহাবিদ্যালয়খনত মই কেতবোৰ গুৰুত্বপূৰ্ণ অভাৱ দেখিবলৈ পাইছো। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ জিৰণী কোঠা, অধ্যয়নৰ বাবে বিশেষ শ্ৰেণীকোঠা, অসমীয়া (Major) বিষয়ত শিক্ষাগুৰুৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ আৱাসগৃহৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰিছো। লগতে আলোচনাচক্ৰ, সাধাৰণ সভা, আন্তঃ মহাবিদ্যালয় ভিত্তিক প্ৰতিযোগিতাৰ ক্ষেত্ৰতো সজাগতাৰ প্ৰয়োজন আছে বুলি ভাৱো।

৫। ভৱিষ্যতে সংবাদ সেৱাত নিজকে নিয়োজিত কৰিম বুলি ভাবিছো। লগতে সাহিত্য চৰ্চা অব্যাহত ৰখাৰ এক সংকল্প মনত পুহি ৰাখিছো।

****



## ✦ বিশ্বজিৎ দেৱ নাথ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

১। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ মানসেৰে, লগতে ঘৰৰ ওচৰত মহাবিদ্যালয়খন অৱস্থিত হোৱা বাবে সকলো দিশৰ পৰা সুবিধা হ'ব বুলি মই ইয়াত ভৰ্ত্তি হৈছো।

২। এই মহাবিদ্যালয়ত অধ্যয়ণ কৰি মোৰ ভাল লাগিছে। কাৰণ অধ্যাপক/অধ্যাপিকাসকলে সকলো বিষয় খৰচি মাৰি শিকায়। সেইবাবে আমাৰ দৰে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বুজি পোৱাত সহজ হয়।

৩। আমাৰ কলেজৰ পৰীক্ষা ব্যৱস্থা ভাল। কাৰণ পৰীক্ষাসমূহ সময়মতে অনুষ্ঠিত হয়। পৰীক্ষাৰ সময়ত কোনো প্ৰকাৰৰ অসুবিধা নহয়।

৪। মহাবিদ্যালয়ত বৰ্তমানো বহুত সমস্যা আছে। সমস্যাসমূহ হ'ল—

(ক) খেল পথাৰৰ অভাৱ।

(খ) পুথিভঁৰালৰ পৰ্যাপ্ত পুথিৰ লগতে অধ্যয়ন কক্ষৰ প্ৰয়োজন আছে।

(গ) কোনো কোনো বিষয়ত প্ৰয়োজন অনুসৰি অধ্যাপক/অধ্যাপিকাৰ অভাৱ আছে।

৫। মোৰ লক্ষ্য হ'ল, এই মহাবিদ্যালয়ৰ পৰা স্নাতক উপাধি লাভ কৰি প্ৰকাশন বিভাগত চাকৰিৰ ব্যৱস্থা কৰিম।

****



## ✦ ৰকিব উল হাছান
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

১। উপযুক্ত শিক্ষা লাভ কৰিবলৈ।

২। বৰ ভাল লাগিছে।

৩। এইখন মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা কটুকটীয়া হোৱা বাবে পৰীক্ষা দি আত্ম সন্তুষ্টি লাভ কৰিব পাৰিছো।

৪। সমস্যাৰ বিষয়ে ক'বলৈ গ'লে বহুতো কথা ক'ব লগা হয়। তাৰ ভিতৰত ধৰক— হিন্দী, আৰবী আদিৰ মেজৰৰ ব্যৱস্থা নথকা বাবে ছাত্ৰ-ছাত্ৰীয়ে নানা ঠাইত যাবলগীয়া হৈছে। লগতে ভাল কেন্টিন এখন নথকা কাৰণে ছাত্ৰ-ছাত্ৰীয়ে ভোক-পিয়াহ মিটাবলৈ বৰ অসুবিধাবোধ কৰিব লগীয়া হৈছে।

৫। ভাৰতীয় সৈন্য বাহিনীত যোগ দি দেশৰ সেৱা কৰা।

****



## ✦ মিচ্ ৰঞ্জীতা ছেত্ৰী
স্নাতক দ্বিতীয় বৰ্ষ

১। জি. এল. চৌধুৰী মহাবিদ্যালয়ত মই এই উদ্দেশ্যেৰে নাম ভৰ্ত্তি কৰিছো যে এই মহাবিদ্যালয়ৰ পৰা উচ্চ শিক্ষা লাভ কৰি মই যাতে শিক্ষিত আৰু জ্ঞানী হ'ব পাৰো। লগতে এই মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰিব পাৰো।

২। এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই মই বহু আনন্দিত হৈছো। এই মহাবিদ্যালয়খনত অধ্যয়নৰ ক্ষেত্ৰত মই কোনো ধৰণৰ অসুবিধা পোৱা নাই যদিও আন আন ক্ষেত্ৰত পাইছো। মই খুব সাৱধানেৰে নিজৰ দায়িত্ব অৱলম্বন কৰি আহিছো আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱীসকলৰ লগত থাকি বৰ শান্তি অনুভৱ কৰিছো। আৰু লগতে অধ্যাপক-অধ্যাপিকাসকলক সন্মান কৰি আহিছো। সেই কাৰণে মই এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই বৰ আনন্দিত আৰু নিজে গৌৰৱবোধ কৰো।

৩। এই মহাবিদ্যালয়ত পৰীক্ষা ব্যৱস্থা সম্পৰ্কত মোৰ মতামত এনে ধৰণৰ— আমাৰ এই মহাবিদ্যালয়ত পৰীক্ষা ব্যৱস্থা নিয়ম-নীতিৰে পৰিচালিত হয়। কোনেও এই নিয়ম-নীতি উলংঘা কৰি চলিব নোৱাৰে। আমাৰ এই মহাবিদ্যালয়ত কঠোৰ শাসনেৰে পৰীক্ষা ব্যৱস্থা পৰিচালিত হয়। এই মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা চাই বহুতে প্ৰশংসা কৰে।

৪। আমাৰ এই মহাবিদ্যালয়ত বহুতো সমস্যাই দেখা দি আছে। আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ জিৰণী চ'ৰা আৰু কিছুমান শ্ৰেণীকোঠাৰো সমস্যাই দেখা দি আছে। ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠাৰ অভাৱৰ বাবে বহুতো সমস্যা আমি অনুভৱ কৰি আছো। কলেজ সপ্তাহত খেল-ধেমালি আদি পৰিচালনা কৰাত বহুতো অসুবিধাই দেখা দিয়ে। তথাপিও আমি শ্ৰেণীকোঠাতে খেল-ধেমালি পৰিচালনা কৰি আহিছো। শ্ৰেণীকোঠাত ক্লাচ কৰিবলৈ বহুতো অসুবিধাই দেখা দিয়ে। কাৰণ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি। আৰু কিছুমান বিষয়ত আমাৰ মহাবিদ্যালয়ত শিক্ষকৰ সংখ্যা কম হোৱাৰ বাবে আমি বহুতো অসুবিধা পাইছো। বিশেষকৈ আমাৰ নৃতত্ত্ব বিষয়ত এজন শিক্ষক থকাৰ বাবে আমি বহু কষ্ট অনুভৱ কৰিছো। কাৰণ প্ৰতিটো শ্ৰেণীত এজনে শিক্ষাদান কৰিব লাগে, সেয়েহে আমি এই বিষয়ত বহুতো অসুবিধা পাই আঁছো।

৫। মই মোৰ ভৱিষ্যত জীৱন উজ্জ্বল কৰিবলৈ সৰুৰে পৰা অতি যত্নেৰে জ্ঞান লাভ কৰি বৰ্তমান এই স্তৰত আহি পালো। মই ভাবিছো যে মোৰ জীৱন যাতে আনৰ তলতীয়া হৈ থাকিব নালাগে তাৰ কাৰণে মই যথেষ্ট চেষ্টা চলাই আছো আৰু চলাই থাকিম। বৰ্তমানে

সকলোৰে তলতীয়া হৈ চলি আছো কিন্তু ভৱিষ্যতে যাতে আনৰ অধীনত থাকিব নালাগে তাৰ কাৰণে মই যথেষ্ট চেষ্টা কৰিম। মোৰ ভৱিষ্যত জীৱনত নিজৰ ভৰিত নিজে থিয় দিয়াৰ কথাকে ভাবিছো। আশাকৰো সকলোৰে আশীৰ্বাদত সফল হ'ব পাৰিম। এয়ে মোৰ ভৱিষ্যত জীৱনৰ গুৰুত্বপূৰ্ণ লক্ষ্য।

****



## ✦ অভিজিৎ চৌধুৰী

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

১। জি. এল. চৌধুৰী মহাবিদ্যালয়ৰ সুনাম আছে আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ কাৰণে মই এই মহাবিদ্যালয়ত নাম ভৰ্ত্তি; কৰিছো।

২। এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই মোৰ খুব ভাল লাগিছে, এই মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দূৰত্বটো কম, সেই কাৰণে ছাত্ৰ-ছাত্ৰী সকলৰ যথেষ্ট সুবিধা হৈছে।

৩। এই মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থাত কিছু অনিয়ম দেখিবলৈ পাইছো। প্ৰথমতে, আমি শুনিবলৈ পালো কোনো Unit Test পৰীক্ষা নহয়। দ্বিতীয়তে, আমি শুনিবলৈ পালো যে Test পৰীক্ষা নহয় তাৰ সলনি তিনিটা Unit পৰীক্ষা হ'ব ২৫, ২৫ আৰু ৫০ নম্বৰৰ। ২৫ নম্বৰৰ দুটা Unit পৰীক্ষা দিয়াৰ লগে লগে আমি এখন জাননী পালো ১৫দিন পাছত ১০০ নম্বৰৰ পৰীক্ষা। মাহে-মাহে পৰীক্ষাৰ নিয়ম সলনি কৰিলে ছাত্ৰ-ছাত্ৰীৰ অসুবিধা হয়। এই বিষয়ত কলেজৰ Examination Board ৰ সদস্য সকলৰ গুৰুত্ব থকা উচিত।

৪। এই মহাবিদ্যালয় যিহেতু U. G. C. Undertaking নহয়, সমস্যা থকাটো স্বাভাৱিক। কিন্তু ইয়াৰ মূল সমস্যাসমূহ হ'ল— গ্ৰন্থাগাৰৰ কিতাপৰ অভাৱ, ছাত্ৰ আৱাসৰ অভাৱ, প্ৰেক্ষাগৃহৰ অভাৱ, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠাৰ অভাৱ। ইয়াৰ উপৰি কলেজ চৌহদত অধ্যক্ষ মহোদয়ৰ স্থায়ী আৱাসগৃহৰ অভাৱ দেখা পাইছো।

৫। মই ভৱিষ্যতে আইন বিভাগত স্নাতকোত্তৰ (L.L.M.) পাছ কৰি এজন আদৰ্শবান উকিল হ'ব বিচাৰো।

****



## ✦ ভণ্টি বৰ্মন

স্নাতক প্ৰথম বৰ্ষ

১। অন্য ল'ৰা-ছোৱালীয়ে কলেজ এখনত যি উদ্দেশ্য আগত ৰাখি নাম ভৰ্ত্তি কৰে, মইও সেই উদ্দেশ্য লৈয়ে নাম ভৰ্ত্তি কৰিছো। সকলো ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা লোৱাৰ অৰ্থে কলেজত নাম লগায়। মইও উচ্চ শিক্ষা লাভ কৰি ভৱিষ্যতে যাতে এজন সু-নাগৰিক হ'ব পাৰো আৰু দেশক এখোজ আগুৱাই নিব পাৰো সেই উদ্দেশ্যেৰেই নাম লগাইছো।

২। এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ পাই সুখী হৈছো। জি. এল. চৌধুৰী মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশটো মোৰ বৰ ভাল লাগে আৰু ইয়াৰ ছাত্ৰ আৰু শিক্ষকৰ মাজত মধুৰ সম্পৰ্ক আছে। অধ্যক্ষ মহোদয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা মৰম, দায়বদ্ধতা খুব শলাগিবলগীয়া। তদুপৰি ছাৰ সকলে আমাৰ সকলো শিক্ষাৰ্থীৰ শিক্ষাৰ প্ৰতি বিশেষ নজৰ ৰাখে।

৩। জি. এল. চৌধুৰী মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা যথেষ্ট উন্নত। এই মহাবিদ্যালয়ত ৩ টাকৈ গোট পৰীক্ষা (Unit Test) হয় আৰু

পৰীক্ষকসকলে নিয়াৰিকৈ পৰীক্ষা কাৰ্য্য চোৱা চিতা কৰে। এই মহাবিদ্যালয়ত পৰীক্ষাৰ্থীসকলে যাতে কোনো অসৎ উপায় অৱলম্বন কৰিব নোৱাৰে তাৰ প্ৰতি পৰীক্ষক সকল সদায় সচেতন। আনহাতে, অসৎ উপায় অৱলম্বন কৰাৰো কোনো যুক্তি-যুক্ততা দেখা নাপাওঁ। কাৰণ এই মহাবিদ্যালয়খনত যি ধৰণে ক্লাচ হয়, তাৰ ওপৰত গুৰুত্ব ৰাখি যদি সকলো ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়াকৈ ক্লাচ কৰে তেতিয়া হ'লে অসৎ উপায় অৱলম্বন কৰাৰ প্ৰশ্নই নাহে।

৪। জি. এল. চৌধুৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বহুতো সমস্যাৰ সন্মুখীন হৈ আছে। এই মহাবিদ্যালয়ত ছাত্ৰ জিৰণি কোঠা, ছাত্ৰী জিৰণি কোঠাৰ অভাৱৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে য'তে ত'তে থিয় হৈ ঘূৰি ফুৰি থাকে ফলত মহাবিদ্যালয়ৰ অনুশাসন নোহোৱা যেন অনুভৱ হয়, তাৰোপৰি প্ৰেক্ষাগৃহ, পঢ়াকোঠা আৰু ছোৱালীৰ পৰ্য্যাপ্ত প্ৰসাৰণাগাৰৰ অভাৱত ভুগিব লগা হৈছে।

৫। মোৰ ভৱিষ্যত জীৱনৰ লক্ষ্য হ'ল এজনী আদৰ্শবান শিক্ষয়িত্ৰী হোৱা। মই যিখিনি শিকিছোঁ, সেইখিনিৰে যাতে আন দহজনক জ্ঞানৰ আলোকেৰে আলোকিত কৰিব পাৰো— এয়া মোৰ জীৱনৰ লক্ষ্য।

****



## ✦ কৰ্ণধৰ সিংহ

স্নাতক প্ৰথম বৰ্ষ

১। স্থানীয় মহাবিদ্যালয়; নিজৰ পৰিকল্পনা, আসন্ন ভৱিষ্যতৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ বাবে আৰু নিজ লক্ষ্যত উপনীত হ'বৰ বাবে এই মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰা মোৰ প্ৰধান উদ্দেশ্য। এই মহান উদ্দেশ্যৰ পৰা বঞ্চিত নোহোৱাকৈ এই মহাবিদ্যালয়ত উপযুক্ত পৰিবেশ মোৰ বাবে যেন সংৰক্ষিত।

২। সৌভাগ্যৰ কথা এই যে, এইখন মহাবিদ্যালয়ত পঢ়িবলৈ পাই মই অতিকৈ গৌৰৱ অনুভৱ কৰো। কাৰণ, আমাৰ শিক্ষাগুৰু আৰু শিক্ষাৰ্থীৰ মাজৰ যি সম্পৰ্ক সেয়া অতিকৈ স্মৰণীয়, অতি মধুৰ। এজন শিক্ষাৰ্থীয়ে যিকোনো সময়ত, যিকোনো মুহূৰ্ততেই শিক্ষণীয় বিষয়ত কোনো সমস্যাৰ সন্মুখীন হ'লে- সেয়া নিঃসংকোচভাৱে শিক্ষাগুৰুসকলক দেখুৱাই সমস্যাৰ সমাধান কৰিব পাৰে। মহাবিদ্যালয়লৈ অহাৰ আগত অইনে মহাবিদ্যালয় সম্পৰ্কত দিয়া তুলনামূলক ভাষণবোৰ (স্কুল— কলেজ, শিক্ষা-দীক্ষা, শাসন-প্ৰশাসন সম্পৰ্কীয়) সকলো যেন ভ্ৰান্তি (ভুল) বুলি প্ৰমাণিত হ'ল। কিয়নো মই লক্ষ্য কৰিছোঁ যে আমাৰ মহাবিদ্যালয়ৰ অনুশাসন আৰু বিদ্যালয়ৰ অনুশাসনৰ মাজত কোনো তুলনাত্মক পাৰ্থক্য নাই। বিদ্যালয়ৰ ছাত্ৰ-শিক্ষকৰ মাজত যেনে সম্পৰ্ক, আমাৰ শিক্ষাগুৰুসকলৰ সৈতেও একেই সম্পৰ্ক— যিয়ে এগৰাকী শিক্ষাৰ্থীৰ সুপ্ত প্ৰতিভাক পূৰ্ণভাৱে বিকশিত কৰাত সহায় কৰে আৰু অন্ধকাৰৰ পৰা (জ্ঞানৰ) পোহৰলৈ যোৱাৰ বাবে ভৱিষ্যতৰ পথ দেখুৱাই দিয়ে।

৩। শিক্ষণীয় প্ৰতিটো বিষয় শ্ৰেণীত শিকোৱাৰ পিছত এক মাহৰ অন্তত যিখিনি শিকোৱা হ'ল তাৰ ওপৰত ভিত্তি কৰি যি "গোট পৰীক্ষা (Unit Test)" পতা হয়- সেয়া মোৰ মতে, এজন ছাত্ৰ বা পৰীক্ষাৰ্থীয়ে উক্ত বিষয়বোৰৰ প্ৰতি পৰীক্ষাৰ বাবে সম্পূৰ্ণকৈ প্ৰস্তুতি ল'ব পাৰে আৰু শিক্ষণীয় সেই বিষয়বস্তু সম্পৰ্কে পৰিপূৰ্ণভাৱে অৱগত হ'ব পাৰে। সেয়ে আমাৰ মহাবিদ্যালয়ৰ এনে পৰীক্ষা ব্যৱস্থা এজন পৰীক্ষাৰ্থীৰ বাবে উপকাৰী পৰীক্ষা ব্যৱস্থা, যি পৰীক্ষা ব্যৱস্থাই পৰীক্ষাৰ্থী গৰাকীক আগন্তুক চূড়ান্ত বাৰ্ষিক পৰীক্ষাৰ বাবে সম্পূৰ্ণকৈ প্ৰস্তুত কৰি তুলিব পাৰে।

৪। শিক্ষণ-শিকণ সামগ্ৰীৰ ফালৰ পৰা আমাৰ মহাবিদ্যালয়ত বহুতো অভাৱ (সমস্যা) পৰিলক্ষিত হয়। যেনে— মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ, ছাত্ৰ-ছাত্ৰীৰ বাবে পৃথক পৃথক জিৰণি কোঠা (Common Room) নাই; যাৰ ফলস্বৰূপে সকলো ছাত্ৰই দীৰ্ঘ জিৰণিৰ সময়বোৰ (যেতিয়া শ্ৰেণীত পাঠদান কাৰ্য্য নাথাকে) অনাই বনাই (ৰাস্তাৰে) ঘূৰি ফুৰি (সময়) নষ্ট কৰি ফুৰে। এয়া মোৰ মতে এজন শিক্ষাৰ্থীৰ

বাবে শিক্ষাত অনগ্রসৰতাৰ এটা মূল কাৰণ হৈ দেখা দিয়ে, আনকি মহাবিদ্যালৰ অনুশাসন বিশৃংখলতা অনা যেন বোধ হয়। কাৰণ উপযুক্ত জিৰণি কোঠা থাকিলে ছাত্র-ছাত্রীসকলৰ বহুতেই হয়তো তেওঁলোকৰ অমূল্য সময়বোৰ ইজনে-সিজনে এঠাইত বহি প্রয়োজন অনুসাৰে স্বকীয় বিষয়বোৰত খটুৱাই লাভবান হ'ব পাৰিলেহেঁতেন।

৫। মোৰ ভৱিষ্যত জীৱনৰ লক্ষ্য এগৰাকী আদৰ্শ শিক্ষাবিদ, সমাজসেৱক আৰু সাহিত্যিক হোৱাৰ।

****



## ✦ ঝৰ্ণা ৰাজবংশী

স্নাতক প্ৰথম বৰ্ষ

১। প্ৰথম কথা, মই এজনী ছোৱালী। ছোৱালীবিলাকৰ কাৰণে এই কলেজখন অতিকৈ নিৰাপদ স্থানত অৱস্থিত। তাৰ উপৰি কলেজখন আমাৰ ঘৰৰ পৰা নিচেই ওচৰত। আনহাতে এই মহাবিদ্যালয়ত নৃতত্ব বিজ্ঞান বিষয়টো আছে আৰু এই বিষয়টো পঢ়ি বিভিন্ন জ্ঞান তথা ছবি আঁকিব পাৰিম বুলি আশা কৰিছো। কাৰণ মোৰ হবি ছবি অঁকা। উক্ত উদ্দেশ্যত মই এই মহাবিদ্যালয়ত অধ্যয়ণ কৰিবলৈ নাম ভৰ্ত্তি কৰিছো।

২। এই মহাবিদ্যালয়ত অধ্যয়ণ কৰিব পাই মই বৰ আনন্দ অনুভৱ কৰিছো। বিভিন্ন কোণৰ পৰা অহা বন্ধু-বান্ধৱীবোৰৰ লগত লগ হৈ দিনটো বৰ আনন্দেৰে কটাব পাৰিছো। শিক্ষা গুৰুসকলকো বৰ ভালদৰে জানিব পাৰিছো। আৰু তেওঁলোকেও বৰ আনন্দেৰে আমাক শিক্ষা দান কৰিছে।

৩। জি. এল. চৌধুৰী মহাবিদ্যালয়ৰ পৰীক্ষা ব্যৱস্থা বৰ ভাল। এই মহাবিদ্যালয়ৰ পৰীক্ষাৰ নীতি-নিময় বৰ কটকটীয়া। কোনো হাই-উৰুমি নোহোৱাকৈ গোটেইবোৰ পৰীক্ষাৰ অন্ত পৰে। নিয়মানুৱৰ্ত্তিতা পৰীক্ষা হলৰ এক বিশেষ অংগ আৰু এই নিয়মানুৱৰ্ত্তিতাই পৰীক্ষা ব্যৱস্থাৰ অনুশাসন বজাই ৰাখে।

৪। এই মহাবিদ্যালয়ত ভালেমান সমস্যা আছে বুলি ভাৱো।

(ক) ছাত্র-ছাত্রীৰ জিৰণি কোঠাৰ অভাৱ।

(খ) ছাত্র-ছাত্রীৰ বাবে থকা পুথিভৰাঁলত প্রয়োজনীয় বিষয়ৰ কিতাপৰ অভাৱ।

(গ) ছাত্রীৰ বাবে থকা প্ৰস্ৰাৱগাৰ প্ৰয়োজনতকৈ কম হৈ পৰিছে।

(ঘ) শ্ৰেণীকোঠা প্রয়োজনতকৈ কম আছে।

(ঙ) ছাত্রীৰ বাবে খেল-ধেমালিৰ বস্তুবোৰ বেলেগকৈ থকা উচিত।

(চ) খাদ্য খোৱাৰ বাবে কেন্টিনৰ মানদণ্ড অনুন্নত।

৫। অসমীয়াত স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ণ কৰা তথা L.L.B. বিষয়টোও অধ্যয়ণ কৰি ওকালতি আৰম্ভ কৰিম বুলি ভাবিছো।

****

## ✦ জুন দাস

স্নাতক ২য় বৰ্ষ

১। এটা মহান আদৰ্শত, বিৰল কৃতিত্ব লাভ কৰিবলৈ তথা মহাবিদ্যালয়খন গৌৰৱোজ্জ্বল কৰিবলৈ ইয়াত নামভৰ্ত্তি কৰিছো।

২। নথৈ আনন্দিত তথা গৌৰৱবোধ কৰিছো আৰু অন্তৰত শিক্ষাৰ প্ৰতি প্ৰৱল ধাউতিৰ উৎসাহ জাগিছে।

৩। বিশেষকৈ কলেজ কৰ্তৃপক্ষই হাতত লোৱা গোট পৰীক্ষাসমূহ তেওঁলোকে যদি বছৰত তিনিবাৰৰ সলনি, প্ৰতিমাহে এবাৰকৈ লোৱাৰ সিদ্ধান্ত কৰে, তেন্তে মোৰ মতে সিদ্ধান্তটো সঠিক হ'ব।

৪। (ক) কলেজখনত ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণি কোঠাৰ বিশেষকৈ প্ৰয়োজন আছে।
(খ) অধ্যয়ণ কৰিবলৈ কোনো অধ্যয়ণ কক্ষ নাই।
(গ) স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ কোনো সু-ব্যৱস্থা নাই।
(ঘ) সাধাৰণ সভা, আলোচনা চক্ৰ কৰিবৰ বাবে প্ৰেক্ষাগৃহ নাই।

৫। শিক্ষিত হৈ ভাল ব্যৱসায়ী হোৱাৰ লক্ষ্য স্থিৰ কৰিছোঁ।

****



## ✦ ধনমনি দাস
উঃ মাঃ ২য় বৰ্ষ

১) জি.এল.চি. কলেজত নাম ভৰ্ত্তি কৰাৰ উদ্দেশ্য হ'ল এইখন কলেজৰ শিক্ষা ব্যৱস্থা খুব ভাল আৰু কলেজৰ পৰিবেশ উৎকৃষ্ট মান দণ্ডৰ। তাৰোপৰি এইখন কলেজত পঢ়ি মই যথেষ্ট উপকৃত হম বুলি মোৰ বিশ্বাস আছে।

২) জি.এল.চি. কলেজত পঢ়ি মই গৌৰৱবোধ কৰো, কাৰণ এইখন কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ শিকোৱা পদ্ধতি উন্নত ধৰণৰ। সেয়েহে এইখন কলেজৰ ছাত্ৰী হিচাপে চিনাকী দি খুব ভাল লাগে।

৩) এইখন কলেজৰ পৰীক্ষা ব্যৱস্থা কঠোৰভাৱে আৰু নিময় অনুযায়ী পৰিচালিত হয়। সেই কাৰণে ইয়াত নকল কৰাৰ ব্যৱস্থা নাই। সেয়েহে ইয়াৰ ফলাফল ভাল।

৪) জি.এল.চি. কলেজৰ ছাত্ৰ-ছাত্ৰীৰ জিৰণী কোঠাৰ অভাৱ আৰু এই কলেজৰ ছাত্ৰ-ছাত্ৰীৰ আৱাসগৃহৰ ব্যৱস্থা নাই।

৫) মই এইখন কলেজত পঢ়ি ভাল ফলাফল কৰি ভৱিষ্যতে এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ মোৰ প্ৰধান লক্ষ্য।

****



## ✦ বন্দনা কাকতি
উঃ মাঃ ২য় বৰ্ষ

১) মই জি.এল.চি. কলেজত অধ্যয়ন কৰি সুশিক্ষিত হৈ যাতে ভৱিষ্যতে সু-শিক্ষয়িত্ৰী হ'ব পাৰো, সেই উদ্দেশ্য লৈ মই এই মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিছোঁ।

২) এই কলেজত পঢ়ি মোৰ বৰ ভাল লাগিছে। কিয়নো ইয়াৰ শিকোৱা পদ্ধতি উন্নত ধৰণৰ তথা ইয়াৰ পাঠদান নিয়মিত ভাৱে হয়। আৰু এই মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল বৰ মৰমিয়াল।

৩) এই কলেজৰ পৰীক্ষা বিলাক পৰিপাটি তথা নিয়াৰিকৈ অনুষ্ঠিত হয়। বিশেষকৈ এই কলেজত নকলৰ পয়োভৰ নাই। সেয়ে এই কলেজৰ পৰীক্ষা ব্যৱস্থা উন্নত।

৪) এই কলেজত ছোৱালী জিৰণি কোঠাৰ অভাৱ। সেয়ে জিৰণি সময়ত ছোৱালীবিলাকে অ'ত ত'ত ঘূৰি ফুৰি থাকিব লগা হয়।

৫) মোৰ জীৱনৰ প্ৰধান লক্ষ্য হৈছে এগৰাকী ভাল শিক্ষয়িত্ৰী হোৱা। কিয়নো ভাল শিক্ষয়িত্ৰী হৈ অইন ল'ৰা-ছোৱালী বিলাকক যাতে সু-শিক্ষা দিব পাৰো এইয়ে মোৰ ভৱিষ্যত জীৱনৰ মূল লক্ষ্য।

****

# জি.এল.চৌধুৰী মহাবিদ্যালয় পৰিচালনা সমিতি




*বাওঁফালৰ পৰা (বহি)ঃ*

সৰ্বশ্ৰী শম্ভু দাস (সদস্য), শ্ৰী গৌৰীশংকৰ খেম্‌কা (সদস্য), শ্ৰী বীণাপাণি কাকতি (সদস্যা), শ্ৰী কুঞ্জলাল দাস (কোষাধ্যক্ষ), শ্ৰী ডেভিদ্ লেজাৰ (সভাপতি), শ্ৰী জগন্নাথ বৰ্মন (ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু সম্পাদক), শ্ৰী সৃজন চন্দ্ৰ নাথ (সদস্য), শ্ৰী গোপাল চন্দ্ৰ দাস (সদস্য), শ্ৰী ধীৰেণ খেৰকটাৰী (সদস্য)।

*বাওঁফালৰ পৰা (থিয় হৈ)ঃ*

সৰ্বশ্ৰী মুনীন্দ্ৰ কুমাৰ দাস (কাৰ্যালয় প্ৰতিনিধি), শ্ৰী অজিত কুমাৰ সাহা (কাৰিকৰী বিশেষজ্ঞ), শ্ৰী পূৰ্ণ বাহাদুৰ ছেত্ৰী (শিক্ষক প্ৰতিনিধি), শ্ৰী সমীৰ মজুমদাৰ (সদস্য), শ্ৰী মিৰাণ হুছেইন চৌধুৰী (শিক্ষক প্ৰতিনিধি), শ্ৰী হেম কুমাৰ উপাধ্যায় (সদস্য), শ্ৰী কৃষ্ণ প্ৰসাদ (সদস্য)।

*ফটোত অনুপস্থিতঃ*

সৰ্বশ্ৰী এচ.কে. বিছমুতিয়াৰী (উপদেষ্টা), শ্ৰী চামচুল হক (উপদেষ্টা), শ্ৰী বিজন লাল চৌধুৰী (দাতা প্ৰতিনিধি), শ্ৰী খনিন্দ্ৰ নাথ দাস (অভিভাৱক প্ৰতিনিধি), ডাঃ ৰেজাউল কৰিম (সদস্য), শ্ৰী নবীন চন্দ্ৰ কলিতা (সদস্য), শ্ৰী চানমোহন দাস (সদস্য), আলতাফ হুছেইন (সদস্য), শ্ৰী সুশান্ত দত্ত (হিচাপ পৰীক্ষক) আৰু শ্ৰী মদন মোহন দেৱ শৰ্মা (হিচাপ পৰীক্ষক)।

# জি.এল.চৌধুৰী মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী




*বাওঁফালৰ পৰা (বহি) ঃ*

